# কৰ্ষণ

২০১৫ - ২০১৬ বৰ্ষ

## ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী



তত্ত্বাৱধায়ক ঃ সোমনাথ বৰা

সম্পাদিকা ঃ দেৱযানী ৰাভা




নৱাগত আদৰণি সভাৰ মুখ্য অতিথি
অতনু ভট্টাচাৰ্য্যই ভাষণ প্ৰদান কৰি থকা এটি মুহূৰ্ত



আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত তেজপুৰ মহাবিদ্যালয়ত
অংশ গ্ৰহণ কৰা মহাবিদ্যালয়ৰ দলটি




নৱাগত আদৰণি সভাৰ বিশিষ্ট অতিথি খাগৰিজান মহাবিদ্যালয়ৰ
অধ্যক্ষ সাগৰ বৰুৱাই ভাষণ প্ৰদান কৰা এক মুহূৰ্ত




মহাবিদ্যালয়ৰ সোণালী জয়ন্তী আৰম্ভণী অনুষ্ঠানৰ এটি মুহূৰ্ত




মহাবিদ্যালয়ৰ সোণালী জয়ন্তী আৰম্ভণী অনুষ্ঠানৰ
মঞ্চত বিশিষ্ট ব্যক্তিসকল



মহাবিদ্যালয় বঁটা বিতৰণী অনুষ্ঠানত ভাষণৰত অৱস্থাত
বিশিষ্ট অতিথি ড° খৰ্গেশ্বৰ ভূঞা

# কৰ্ষণ

# KARSHAN

## ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ আলোচনী

২০১৫-২০১৬ বৰ্ষ

সম্পাদিকা

দেৱযানী ৰাভা

# কৰ্ষণ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী ঃ ২০১৫-১৬

## সম্পাদনা সমিতি

**সভাপতি**
ড° ভূপেন শইকীয়া, *অধ্যক্ষ,* ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

**তত্ত্বাৱধায়ক অধ্যাপক**
সোমনাথ বৰা

**সম্পাদিকা**
দেৱযানী ৰাভা

**শিক্ষক সদস্যা**
মল্লিকা বৰা

**ছাত্র সদস্য/সদস্যা**
দিগন্ত কলিতা
মণ্টু হীৰা
দেৱাশ্ৰী শৰ্মা

**আৰ্হিপাঠ আৰু শিল্পসজ্জা**
হেমন্ত কুমাৰ বৰা

**প্ৰচ্ছদ পৰিকল্পনা**
সোমনাথ বৰা

**প্ৰচ্ছদৰ শিল্পকৰ্ম**
পাৰ্থ প্ৰতীম ডেকা

**প্ৰকাশক**
ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় ছাত্ৰ একতা সভা

**অক্ষৰ বিন্যাস**
নিউ অজন্তা প্ৰেছ, এম. জি. ৰোড, নগাঁও-১

**মুদ্ৰক**
অজন্তা প্ৰেছ, নগাঁও -২

## উৎসৰ্গা

ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়
স্থাপনত অগ্রণী ভূমিকা লোৱা কৰ্মযোগী
স্বৰ্গীয় বিদ্যাধৰ খাওণ্ডদেৱৰ পবিত্ৰ স্মৃতিত
এই সংখ্যাৰ **কৰ্ষণ** উৎসৰ্গা কৰা হ'ল



Salvador Dali

**ঘোষণা ঃ**

কৰ্ষণত প্ৰকাশিত ছাত্ৰ-ছাত্ৰীসকলৰ লেখনিসমূহ মৌলিক বুলিয়েই প্ৰকাশ কৰা হৈছে। এইক্ষেত্ৰত কিবা বিসংগতি থাকিলে তাৰ বাবে সম্পাদনা সমিতি জগৰীয়া নহয়।

*সম্পাদনা সমিতি*

কৰ্ষণ



# সম্পাদকীয়

পোনতে মই সেই মহান ব্যক্তিসকলক শতকৌটি প্ৰণাম জনাইছোঁ, যিসকল ব্যক্তিৰ আপ্ৰাণ চেষ্টাত বৃহত্তৰ পুৰণিগুদাম অঞ্চলত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ সৃষ্টি হ'ল।

শিক্ষা আৰু সাহিত্য মানুহৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ। সাহিত্য সমাজৰ দাপোণ স্বৰূপ, যিয়ে সমাজৰ প্ৰতিচ্ছবি প্ৰতিফলিত কৰে। সাহিত্যৰ ৰথী-মহাৰথীয়ে তেওঁলোকৰ কলমৰ যোগেদি সৃষ্টি কৰে কালজয়ী সাহিত্যৰ। সাহিত্য, এনে এক বিষয় যিয়ে নিঃসংগক সংগী দিয়ে, বিষাদিত মনক দিয়ে সুখৰ নিৰিবিলি আনন্দ, হতাশগ্ৰস্তক দিয়ে জীয়াই থকাৰ নতুন প্ৰেৰণা।

অৰুনোদই যুগৰপৰাই আধুনিক অসমীয়া সাহিত্যই এক সুকীয়া আসন লাভ কৰি আহিছে। 'অৰুনোদই', 'জোনাকী', 'বাঁহী' আদি হৈছে অসমীয়া সাহিত্যৰ একো একোটা মাইলৰ খুঁটি আৰু তাৰ পিছত বৰ্তমান আধুনিক যুগত সাতসৰী, গৰীয়সী, প্ৰকাশ, প্ৰান্তিক আদি আলোচনীবোৰে একোটা যুগৰ সৃষ্টি কৰিছে। আলোচনীবোৰ সাহিত্যৰ একোটা অংগ। এই আলোচনীবোৰৰপৰাই জন্ম হয় একোজন একোজন সু-সাহিত্যিকৰ।

সাহিত্যৰ দিশত মনোনিৱেশ কৰা তথা সাহিত্যৰ সাধনাত ৰত হৈ একোজন ছাত্ৰ সময়ত গৈ একোজন সু-সাহিত্যিক, বুদ্ধিজীৱী তথা বিশেষ ব্যক্তিত্বৰ অধিকাৰী হয়গৈ। সমাজত বিশেষ পৰিচয় পাবলৈ হ'লে ছাত্ৰাৱস্থাত সাহিত্যৰ সাধনা কৰাটো অতিকৈ প্ৰয়োজনীয়। গতিকে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ জ্ঞান-অভিজ্ঞতাৰ দ্বাৰা নিজৰ লগতে আন দহৰো কল্যাণ সাধন কৰিবলৈ চেষ্টা কৰিব লাগে।

অসম হৈছে অৰ্থনৈতিকভাৱে পিছপৰা এখন ৰাজ্য। অসমত অৰ্থনৈতিক উন্নয়নৰ বাবে দৰাচলতে প্ৰকৃত উদ্যোগৰ অভাৱ। প্ৰথম শ্ৰেণীৰ উদ্যোগ হ'ব লাগে ৰাজনৈতিক নেতা আৰু যুৱশক্তি। যি দৰে এজন প্ৰগতিশীল প্ৰভাৱশালী ৰাজনৈতিক নেতাই দেশৰ সমাজক অৰ্থনৈতিক, ৰাজনৈতিক, শৈক্ষিক, বৌদ্ধিক সকলো দিশতে বৈপ্লৱিক পৰিৱৰ্তন আনিব পাৰে; ঠিক তেনেদৰে যুৱশক্তিৰ ক্ষমতাও এটা আনৱিক বোমাতকৈ কোনো গুণে কম নহয়। বিদ্যালয়, মহাবিদ্যালয়বোৰেই হৈছে— যুৱ প্ৰজন্মৰ সুস্থ মানসিক চিন্তা ধাৰাত বিকাশ হোৱাৰ প্ৰথম পদক্ষেপ। মহাবিদ্যালয় /বিদ্যালয়ৰ আলোচনীয়ে মহাবিদ্যালয়/বিদ্যালয় এখনৰ ভাল-বেয়া, শুদ্ধ-অশুদ্ধ আদি আলোচনাৰ দ্বাৰা সমাধা কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ আলোচনীৰ দ্বাৰা বিভিন্ন ধৰণৰ লেখক-লেখিকাৰ জন্ম হয়। সেয়ে মহাবিদ্যালয় বা বিদ্যালয়ৰ আলোচনীক মহাবিদ্যালয়খনৰ দাপোণ বুলি কোৱা হয়।

বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰী আৰু সমাজ-সংস্কৃতিলৈ দৃষ্টি নিক্ষেপ কৰিলে দৃষ্টিগোচৰ হয় এখন শৃংখলাবিহীন সমাজৰ। সাম্প্ৰতিক সৰহ-সংখ্যক কিশোৰ-কিশোৰী অপৰাধপ্ৰৱণ হোৱা দেখা গৈছে তথা বিপথে পৰিচালিত হোৱা দেখা যায়। আধুনিকতাৰ মেৰপাকত সোমাই নিজক আধুনিক বুলি পৰিচয় দিবলৈ গৈ নিজৰ অস্তিত্বকে পাহৰি পেলাইছে। বৰ্তমান facebook, whats App, hike, wifi, Twitter, You tube আদিত ব্যস্ত হৈ নিজৰ কৰ্তব্য পাহৰি গৈছে। তেওঁলোকে পাঠ্যক্ৰমৰ কিতাপ কিনিবলৈ টকা নাই বুলি শিক্ষকক মিছা কথা

কোৱা পৰিলক্ষিত হয়। তেওঁলোকৰ Internet packভৰাবলৈ টকা হয়, কিন্তু কিতাপ কিনিবলৈ টকা নহয়। ম'বাইলত ব্যস্ত হৈ ডাঙৰক সন্মান কৰিবলৈ পাহৰে। তেওঁলোকে সময়ৰ সদ্ব্যৱহাৰ কৰিব নজনা হৈছে। এইদৰে চলি গ'লে যুৱ প্ৰজন্ম এক অন্ধকাৰ ভৱিষ্যতলৈ ধাৱিত হৈয়ে গৈ থাকিব। সেয়ে যুৱ প্ৰজন্ম সচেতন হ'বৰ সময় হৈছে।

আজিৰ আধুনিক অসমীয়া অভিভাৱকবোৰে নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ স্কুলত পঢ়িবলৈ দিয়ে। মাতৃভাষাক হেয় জ্ঞান কৰি ইংৰাজী ভাষাক বেছি গুৰুত্ব দিয়া দেখা যায়। আমাক সাম্প্ৰতিক সময়ৰ লগত খোজ মিলাই যাবলৈ ইংৰাজী শিক্ষা তথা ভাষা শিকাৰ প্ৰয়োজন আছে তথাপি নিজৰ মাতৃভাষাক হেয় জ্ঞান কৰাটো উচিত নহয়। আজিৰ ৯০ শতাংশ অসমীয়া ল'ৰা-ছোৱালীয়ে শুদ্ধকৈ নিজৰ মাতৃভাষা ক'ব নাজানে। তেওঁলোকে ইংৰাজী মিশ্ৰিত খিৰিচি অসমীয়া ভাষা কয়। কাৰোবাৰ স'তে চিনাকি হ'লে নমস্কাৰ দিবলৈ লাজ কৰে, তাৰ ঠাইত Hi, Hello আদি শব্দ কৈ ভাল পায়। এনেদৰে গ'লে আমাৰ মাতৃভাষা এদিন Sintexত পৰি ৰ'ব। গতিকে ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী শিক্ষাৰ লগতে অসমীয়া ভাষা শিকাটো নিতান্তই প্ৰয়োজনীয় বুলি মই বোধ কৰোঁ। নিজৰ জননীৰ ভাষাক হেয় জ্ঞান নকৰি এই ভাষাৰ চৰ্চাত আত্মনিৱেশ কৰি মাতৃভাষাৰ উন্নতিৰ কাৰণে চেষ্টা চলোৱা উচিত।

আলোচনীয়ে দিব পাৰে এক অনুষ্ঠানৰ সাফল্যৰ বতৰা। আমিও সেই একে প্ৰচেষ্টাৰে এই আলোচনীখন প্ৰকাশ কৰিছোঁ। কিমান দূৰ সফল হৈছোঁ, সেয়া আপোনালোকৰ হাতত এৰিলোঁ।

নিজে পঢ়া মহাবিদ্যালয়খনৰ সুনামৰ হকে কাম কৰাটো হয়তো সকলো শিক্ষাৰ্থীৰে কামনা। ময়ো ইয়াৰ ব্যতিক্ৰম নহয়। এখন খ্যাতনামা মহান ব্যক্তিৰ নামেৰে নামাংকৃত মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনীৰ সম্পাদিকা পদটোৰ বাবে মোক যোগ্য বুলি বিবেচনা কৰা মোৰ শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই পদটিত থাকি মোৰ দায়িত্ব পালন কৰি এখন আলোচনী আপোনালোকক উপহাৰ দিবলৈ আপ্ৰাণ চেষ্টা কৰিলোঁ। মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে আপোনোলকৰ ওচৰত ক্ষমা বিচাৰিছোঁ। ছাত্ৰ একতা সভাৰ সম্পাদক, সহকাৰী সম্পাদককে প্ৰমুখ্যে কৰি অন্যান্য সদস্যসকলৰ প্ৰেৰণাত মহাবিদ্যালয় পুথিভঁৰালত 'বাৰ-ওঠৰ' আলোচনীখন শ্ৰদ্ধাৰ ড° ভূপেন শইকীয়া ছাৰ তথা অধ্যক্ষ মহোদয়ৰ অনুমোদন ক্ৰমে মাহেকীয়াকৈ যোগান ধৰাৰ ব্যৱস্থা কৰা হয়। তেওঁলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। 'কৰ্ষণ'ৰ ২০১৫-১৬ বৰ্ষৰ আলোচনীখন প্ৰকাশৰ বাবে সহায় কৰা মহাবিদ্যালয়ৰ চিৰপূজ্য অধ্যক্ষ ড° ভূপেন শইকীয়া ছাৰ, 'কৰ্ষণ'ৰ তত্ত্বাৱধায়ক সোমনাথ বৰা ছাৰ, আলোচনী সম্পাদনা সমিতিৰ সমূহ অধ্যাপক-অধ্যাপিকা, সদস্য-সদস্যা, আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু বিভিন্ন লেখা-মেলাৰে সহায় কৰা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ কৃতজ্ঞতা জনাইছোঁ। আলোচনীখন এটি সুন্দৰ ৰূপত ছপা কৰি আমাৰ হাতত দিয়াৰ বাবে প্ৰেছৰ স্বত্বাধিকাৰীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

'কৰ্ষণ'ৰ সম্পাদিকা হিচাপে মহাবিদ্যালয় আলোচনীৰ কিমান কাম কৰিব পাৰিলোঁ, কিমান সফল হৈছোঁ নাজানো, পৰৱৰ্তী আলোচনী সম্পাদক-সম্পাদিকাসকলে সুচাৰুৰূপে 'কৰ্ষণ'ৰ হৈ কাম কৰিব বুলি আশা ৰাখিলোঁ।

শেষত 'কৰ্ষণ'ৰ দীৰ্ঘায়ু কামনাৰে—

'জয়তু ছাত্ৰ একতা সভা'

'জয়তু ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়'

**দেৱযানী ৰাভা**

আলোচনী সম্পাদিকা

# সূচীপত্ৰ

## প্ৰবন্ধ


কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ জাতীয় আৰু ৰাজনৈতিক চেতনা ▸ **ড° ভূপেন শইকীয়া** ১
মাওলিননং ঃ এছিয়াৰ আটাইতকৈ পৰিষ্কাৰ গাঁওখনি ▸ **ঘনশ্যাম টাইড** ৫
সাম্প্ৰতিক অসমীয়া কবিতাৰ গতিধাৰা ▸ **ড° পুণ্যলতা গোহাঁই** ৮
নাৰী সবলীকৰণ ▸ **মনস্বিতা গগৈ** ১৫
কথা-বতৰাৰ পদ্ধতি ▸ **বিপুল কুমাৰ মজিন্দাৰ** ১৭
বড়ো কছাৰীৰ সাজ-পাৰ আৰু অলংকাৰ ▸ **ৰাধা খাকলাৰী** ১৯
ভাৰতৰ ৰাষ্ট্ৰপতি ভৱন ▸ **ৰশ্মিৰেখা গগৈ** ২০
পৃথিৱীৰ বিষয়ে কিছু কথা ▸ **চিমি হাটীমতা** ২২
উদাৰতা আৰু শান্তিৰ প্ৰতীক মালালা ▸ **মালবিকা খাখলাৰী** ২৪
মোৰ মা ▸ **আব্দুল মুবিন হাজৰিকা** ২৫
গুৰুৰ প্ৰভাৱ ▸ **মাধুৰী কুমাৰী** ২৬




## গল্প


কঁহুৱা ফুলাৰ বতৰত... নিয়ৰ সনা শৰতত... ▸ **খিজুমণি শইকীয়া** ২৮
অতীতৰ মৰহা স্মৃতি ▸ **উপাসনা বৰা** ৩৩
এটা আধৰুৱা অনুভৱ ▸ **অংকুৰ বৰা** ৩৫
পঢ়া-নপঢ়াৰ ফল ▸ **গায়ত্ৰী বৰুৱা** ৩৭
হাড়গিলা পখীৰ সাধু ▸ **উদাংশ্ৰী ভাগৱতী** ৩৮
মৰম আৰু বান্ধোন ▸ **ৰাফিনা বেগম** ৩৮


## নাটক


অন্যায় ▸ **প্ৰণামী শইকীয়া** ৩৯




## কবিতা


আশা ▸ **সূৰজ নায়ক** ৪৪
জীৱনৰ বাস্তৱতা ▸ **দিপ্তী শইকীয়া** ৪৪
হৃদয় এক বিশাল পৃথিৱী ▸ **ৰাফিনা বেগম** ৪৫
জীৱন ▸ **নাৰজিন চুলতানা** ৪৫
স্বাৰ্থৰ জীৱন ▸ **ৰীতা দাস** ৪৬
স্মৃতি সুঁৱৰি ▸ **দেৱযানী ৰাভা** ৪৬
মানুহ ▸ **প্ৰিয়ংকা বৰা** ৪৬
আদিম অভাৱ ▸ **ৰূপজ্যোতি বৰুৱা** ৪৭
ৰাতিপুৱা ▸ **নিৰুপমা হীৰা** ৪৭
জীৱন জীৱন বৰ অনুপম ▸ **জিমাশ্ৰী বৰা** ৪৭
নিজান ▸ **ববিতা হাজৰিকা** ৪৮
অশ্ৰু অঞ্জলি ▸ **শৰৎ শৰ্মা** ৪৮
বন্দনা ▸ **প্ৰণতি বৰা** ৪৮

## English

Gharmora Satra : An example of National Integration ▸ **Anjana Goswami** ৫০
Sacred Grooves Maintained by
Dimasa Kacharies of Dima Hasao District ▸ **Debita Kemprai** ৫৪
The ultimate purpose of life ▸ **Lalpiengmauri Chongson** ৫৭
Mental Health ▸ **Roshan Jahan Ahmed** ৫৮
'Evaluating Social Media in Education and Social Life' ▸ **Bishal Saikia** ৫৯
Environmental Pollution and Its Effects ▸ **Nilakshi Kalita** ৬০
Unkindly Mind ▸ **Alal Uddin** ৬১

## প্ৰতিবেদন

সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ▸ ৬৪
সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ▸ ৬৬
সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ▸ ৬৭
তৰ্ক সম্পাদিকাৰ প্ৰতিবেদন ▸ ৬৮
ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন ▸ ৬৯

Dr. B.K.B College Week Result ▸ ৭০



চন্দ্ৰনাথ শৰ্মাৰ মৃত্যুৰ শতবাৰ্ষিকী পালন কৰিবলৈ আৰু পাঁচ-ছয়টা বছৰহে বাকী। কৰ্মবীৰ কিন্তু বিহুগুৰিতেই আৱদ্ধ হৈ ৰ'ল। এখন বিদ্যালয়, এটা স্মৃতিভৱন, এখন শাখা সাহিত্য সভা, স্থানীয় ৰাইজৰ সহযোগত প্ৰচলন কৰা এটা বঁটাই চন্দ্ৰনাথক জীয়াই ৰাখিছে। যিজন চন্দ্ৰনাথ অসমত কংগ্ৰেছক প্ৰতিষ্ঠা কৰাৰ মূল শক্তি আছিল সেইগৰাকী ব্যক্তিৰ নামৰে তেজপুৰ মেডিকেলখন নামকৰণ কৰিবলৈ কংগ্ৰেছ চৰকাৰে আপত্তি কৰিছিল। অসম সাহিত্য সভাৰ জন্মলগ্নৰেপৰা গুৰু দায়িত্ব পালন কৰা চন্দ্ৰনাথৰ নামত এটি বঁটা ঘোষণা কৰিবলৈ সভাই প্ৰায় এশবছৰ অপেক্ষা কৰিব লগা হ'ল!

# কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ জাতীয় আৰু ৰাজনৈতিক চেতনা

**ড° ভূপেন শইকীয়া**
অধ্যক্ষ

স্বাধীনতা লাভৰ তিনিটা দশকৰ পূৰ্বে যিসকল কৃতী ছাত্ৰই নিৰ্ভীক আৰু নিঃস্বাৰ্থভাৱে অসমৰ জাতীয় চেতনাক উজ্জীৱিত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল সেইসকলৰ ভিতৰত চন্দ্ৰনাথ শৰ্মা আছিল অন্যতম। তেজপুৰৰ নিকটৱৰ্তী বিহগুৰিৰ মেকনৰচুকৰ এটি দৰিদ্ৰ পৰিয়ালত জন্মগ্ৰহণ কৰা চন্দ্ৰনাথৰ হাইস্কুলত পঢ়ি থকা অৱস্থাতে জাতীয় চেতনাৰ উন্মেষ ঘটিছিল। কুৰি শতিকাৰ প্ৰথমটো দশকতে তেজপুৰৰ স্কুলত পঢ়ি থকা সময়ছোৱাতে ভাষা আৰু সাহিত্যকেন্দ্ৰিক চিন্তাই প্ৰথমে চন্দ্ৰনাথৰ মনত পোখা মেলিবলৈ আৰম্ভ কৰিছিল। ছাত্ৰসকলৰ সভা অনুষ্ঠিত কৰি এখন হাতে লিখা পৰেকীয়া উলিওৱাৰ পৰিকল্পনা চন্দ্ৰনাথে কৰিলে। সহপাঠী দণ্ডিনাথ কলিতায়ো লিখা-মেলাত হাত উজান দিয়াত চন্দ্ৰনাথে 'চেতনা' উলিওৱাত সফল হৈছিল যদিও পঢ়াত ব্যাঘাত জন্মিব বুলি ভাবি শিক্ষকসকলেহে নিৰুৎসাহ কৰিলে। কিন্তু চন্দ্ৰনাথৰ উৎসাহ কমি নগ'ল। ১৯১০ চনত মেট্ৰিক পাছ কৰি কটন কলেজত অধ্যয়ন কৰাৰ সময়ত ছাত্ৰসকলৰ মাজৰপৰা প্ৰকাশিত আলোচনী 'সেউতী'ৰ চন্দ্ৰনাথ হ'ল সম্পাদক। চাৰিবছৰৰ পাছত বি এ পাছ কৰি

আজীৱন সংগ্ৰামী চন্দ্ৰনাথে কিন্তু দেশৰ বাবে যুঁজ কৰিবলৈ বেছি সময় নাপালে। যক্ষ্মাৰোগত আক্ৰান্ত হোৱাৰ কথা নিশ্চিত হোৱাত চিকিৎসকৰ পৰামৰ্শ অনুসৰি পুৰীৰ সাগৰৰ পাৰৰ এটা ঘৰত ৰখাৰ ব্যৱস্থা কৰা হৈছিল। যিজন মানুহে দেশৰ স্বাৰ্থত পুঁজি সংগ্ৰহত আগভাগ লৈছিল, যিজন মানুহে স্কুল-কলেজ বৰ্জন কৰা ছাত্ৰসকলক নিজৰ সমস্ত অস্থাবৰ সম্পত্তি দি সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল সেইজন মানুহে চিকিৎসাৰ বাবে ৰাজহুৱা ধন ব্যয় কৰাতকৈ মৃত্যুকে কামনা কৰিছিল

গুৱাহাটীৰ আৰ্ল ল কলেজত পঢ়ি থকা সময়তো চন্দ্ৰনাথে সাহিত্য চৰ্চা অব্যাহত ৰাখিলে। একে সময়তে সোণাৰাম হাইস্কুলত সহকাৰী শিক্ষকৰূপে কিছুদিন শিক্ষকতা কৰিলে। আইনৰ ডিগ্ৰী লোৱাৰ পাছত অৱশ্যে শিক্ষকতা এৰি আৰম্ভ কৰিলে ওকালতিৰ জীৱন।

কেৱল জীৱিকাৰ উপাৰ্জনৰ চিন্তাতে ব্যস্ত হৈ থকা মানুহ নাছিল চন্দ্ৰনাথ। হোৱা হ'লে সমাজৰ প্ৰয়োজনত দহোবন কাটি কৰি ঢাপলি নেমেলিলেহেঁতেন। বানপীড়িত লোকৰ সাহায্যৰ বাবে পুঁজি সংগ্ৰহ কৰিবলৈ আগবাঢ়ি নাহিলহেঁতেন। চন্দ্ৰনাথে নিজৰ একক প্ৰচেষ্টাৰে কেৱল দুৰ্দশাগ্ৰস্ত লোকৰ বাবেই নহয়; মাণিকচন্দ্ৰ বৰুৱা স্মৃতি ভঁৰালৰ বাবেও ধন সংগ্ৰহ কৰিছিল।

ৰাজহুৱা কামত জড়িত হৈ থাকিও নিজৰ 'বছাফল' আৰু 'বিদ্যাসাগৰ' গ্ৰন্থৰ কামো এই সময়ছোৱাতে সম্পূৰ্ণ কৰিলে। তাৰোপৰি 'ঊষা', 'অসম বন্তি', 'আসাম বিলাসিনী' আৰু 'আলোচনী'লৈ নিয়মিতভাৱে লেখা পঠালে য'ত চন্দ্ৰনাথৰ মৌলিক চিন্তাৰ স্ফুৰণ পৰিলক্ষিত হ'ল।

অসমৰ প্ৰায়বোৰ সামাজিক সমস্যাৰ ক্ষেত্ৰত চন্দ্ৰনাথ ক্ৰমাৎ সক্ৰিয় হৈ পৰিল। সেই সময়ৰ প্ৰধান ৰাজনৈতিক অনুষ্ঠান 'আসাম এছ'চিয়েশ্বন'ৰ সৈতেও চন্দ্ৰনাথ জড়িত হ'ল। প্ৰথমতে 'আসাম এছ'চিয়েশ্বন'ৰ ভিতৰতে 'অসমীয়া ছাত্ৰ সাহিত্য সন্মিলন' বহিছিল যদিও ছাত্ৰশক্তিক একত্ৰিত কৰি দেশ সেৱাত নিয়োগ কৰাৰ স্বাৰ্থতে সাহিত্য শব্দটো বাদ পৰিল। ১৯১৬ চনৰ ২৫ ডিচেম্বৰত চন্দ্ৰনাথৰ উদ্যোগত আৰু সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ পৌৰহিত্যত গুৱাহাটীত অনুষ্ঠিত হোৱা 'আসাম এছ'চিয়েশ্বন'ৰ অধিৱেশনৰ সভাথলীতে 'অসম ছাত্ৰ সন্মিলন'ৰ জন্ম হয়। অভ্যৰ্থনা সমিতিৰ সম্পাদকৰূপে পাঠ কৰা অভিভাষণখনৰ যোগেদি প্ৰতিফলিত হৈছিল চন্দ্ৰনাথৰ জাতীয় চেতনা। ১৯২০-২১ চন পৰ্যন্ত চন্দ্ৰনাথ এই সন্মিলনৰ উপদেষ্টা হৈ আছিল। এই সময়ছোৱাতে আনন্দৰাম বৰুৱা স্মৃতি পদকৰ বাবে কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক আৰ্থিক বৰঙণি দিয়াকে ধৰি অসমীয়া সাহিত্যৰ ওজা হেমচন্দ্ৰ বৰুৱা স্মৃতি যুগমীয়া কৰিবলৈ চন্দ্ৰনাথে বিদেশী সাহিত্য অনুবাদৰ দৰে অনেক বৃহৎ আঁচনি বাস্তৱত ৰূপায়িত কৰিছিল। লগতে নতুনকৈ আত্ম প্ৰকাশ কৰা বাণীকান্ত কাকতিৰ লেখাৰ মান উপলব্ধি কৰিব পাৰি প্ৰকাশৰ ব্যৱস্থাও কৰিলে। শিল্প প্ৰদৰ্শনীৰপৰা আৰম্ভ কৰি অসমীয়া সমাজত কানিৰ দৰে বৰবিহৰ কুপ্ৰভাৱলৈকে বিভিন্ন বিষয় সন্মিলনৰ মজিয়াত আলোচনা কৰিছিল। চন্দ্ৰনাথৰ সাংগঠনিক দক্ষতা আৰু অসীম ধৈৰ্য দেখি সেয়ে আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়ে সকলো অসমীয়া ছাত্ৰকে কৈছিল— 'তোমালোকে চন্দ্ৰনাথক অনুসৰণ কৰা' (বৰা, ২০১৬)।

এই দুটা সংগঠনৰ উপৰিও 'অসম সাহিত্য সভা'ৰ (তেতিয়াৰ নাম অসম সাহিত্যিক সন্মিলনী) আৰম্ভণিৰ কালছোৱাত চন্দ্ৰনাথৰ এক উল্লেখযোগ্য ভূমিকা আছিল। ১৯১৭ চনত শিৱসাগৰত অসম সাহিত্য সভাৰ জন্ম হোৱাৰ গুৰিতেই আছিল ছাত্ৰ নেতা চন্দ্ৰনাথ। পদ্মনাথ গোহাঞিঃ বৰুৱাৰ সভাপতিত্বত গঠিত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভাৰ সদস্য ৰূপে মনোনীত হোৱা চন্দ্ৰনাথে ১৯১৮ চনৰপৰা মৃত্যু পৰ্যন্ত সহকাৰী সম্পাদকৰ দায়িত্ব বহন কৰিব লগা হৈছিল। আনকি ১৯২০ চনত সভাৰ তেজপুৰ অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি হৈছিল ডেৰকুৰি বছৰীয়া ডেকা চন্দ্ৰনাথ। অভ্যৰ্থনা সমিতিৰ সভাপতিস্বৰূপে পাঠ কৰা ভাষণো আছিল চন্দ্ৰনাথৰ জাতীয় চেতনা আৰু ইতিহাস-চিন্তাৰ দলিল স্বৰূপ।

চন্দ্ৰনাথৰ জীৱনৰ শ্ৰেষ্ঠ কাম হ'ল 'আসাম এছ'চিয়েশ্বনক' ভংগ কৰি কংগ্ৰেছলৈ ৰূপান্তৰ কৰাটো। ১৯২০ চনৰ ২৮ ডিচেম্বৰত তেজপুৰত প্ৰসন্নকুমাৰ বৰুৱাৰ সভাপতিত্বত বহা সন্মিলনৰ মুকলি অধিৱেশনত এই যুগজয়ী সিদ্ধান্ত গ্ৰহণ কৰি অসমত কংগ্ৰেছৰ যাত্ৰাৰ সূচনা কৰা হয় (বৰুৱা, ২০১৪) ইয়াৰ আগলৈকে অসমত কংগ্ৰেছ অনুষ্ঠান হৈ ৰৈছিল স্থবিৰ আৰু বৈচিত্ৰ্যবিহীন। ১৮৭৫ চনত যোৰহাটত প্ৰতিষ্ঠা হোৱা 'সাৰ্বজনিক সভা' আৰু ১৯০৩ চনত গুৱাহাটীত গঠন হোৱা 'আসাম এছ'চিয়েশ্বনে'ই তেতিয়ালৈকে আছিল প্ৰধান ৰাজনৈতিক অনুষ্ঠান। এই দুয়োটা অনুষ্ঠানেই বি এ জগন্নাথ বৰুৱা আৰু অনাৰেবোল মিষ্টাৰ মাণিকচন্দ্ৰ বৰুৱাৰ নৰমপন্থী ৰাজনৈতিক ভাবধাৰাৰে এনেদৰে আচ্ছন্ন আছিল যে তেখেতসকলৰ অমতে গৈ বিকল্প ৰাজনৈতিক চিন্তা-চেতনাৰে পৃথক সংগঠন গঢ়ি উঠাৰ কোনো সামাজিক আৰু বৌদ্ধিক পৰিৱেশেই সেই সময়ৰ অসমত আছিল অনুপস্থিত (তামুলী ১৯৮৮)। ১৯১৫ চনৰ ৭ ছেপ্তেম্বৰত মানিক চন্দ্ৰ বৰুৱাৰ মৃত্যু হয়। মৃত্যুৰ সময়লৈকে তেখেতেই আছিল 'আসাম এছ'চিয়েশ্বন'ৰ সাধাৰণ সম্পাদক।

অসমৰ মধ্যবিত্ত শ্ৰেণীৰ গৰিষ্ঠ সংখ্যকেই যিহেতু সেই সময়ত চৰকাৰী চাকৰিয়াল আছিল, সেয়ে চৰকাৰৰ বিৰুদ্ধাচৰণ কৰি সংগঠন কৰাটো সহজো নাছিল। তথাপি প্ৰথম বিশ্বযুদ্ধই জন্ম দিয়া অৰ্থনৈতিক সংকট, নিৰনুৱা সমস্যা আৰু বিৱৰ্তিত ৰাজনৈতিক চেতনাই অসমৰ যুৱ মানসক বেছ জোকাৰি গৈছিল। এই সন্ধিক্ষণতে 'অসম ছাত্ৰ সন্মিলন' অধিক সক্ৰিয় হৈ পৰিল আৰু 'আসাম এছ'চিয়েশ্বন'ৰ নেতৃত্ব সম্পূৰ্ণকৈ হস্তগত কৰিবলৈ সক্ষম হয়গৈ (তামুলী ১৯৮৮)। ১৯১৮ চনত মণ্টেগু-চেমচ্‌ফোৰ্ডৰ প্ৰস্তাৱিত শাসন সংস্কাৰৰ প্ৰতিবেদনত অসমক সেই আঁচনিৰ বাহিৰত ৰখাৰ ব্যৱস্থা কৰা হ'ল আৰু নৰমপন্থী তৰুণৰাম ফুকনকে ধৰি সাতজনীয়া সঁজাতী দলে মণ্টেগুক কলিকতাত লগ ধৰি স্মাৰক-পত্ৰ দাখিল কৰোঁতেও যেতিয়া কোনো ফল নধৰিলে তেতিয়া চন্দ্ৰনাথৰ অশেষ যত্ন আৰু তৎপৰতাত ৰাজহুৱা বৰঙণি তুলি নবীনচন্দ্ৰ বৰদলৈক ডিব্ৰুগড়ৰ চাহ খেতিয়ক প্ৰসন্ন কুমাৰ বৰুৱাৰ সৈতে একেলগে লণ্ডনলৈ পঠিয়ালে। বিলাতত ব্যাৰিষ্টাৰী পঢ়ি অহা সত্বেও তৰুণৰাম ফুকনৰ পৰিৱৰ্তে কাহানিও সমুদ্ৰৰ সিপাৰলৈ বুলি জাহাজত নুঠা নবীনচন্দ্ৰ বৰদলৈকে প্ৰতিনিধি স্বৰূপে প্ৰেৰণ কৰাটো আছিল চন্দ্ৰনাথৰ ৰাজনৈতিক চেতনাৰ পৰিপক্কতাৰ পৰিচায়ক। বৰদলৈৰ সঁজাতী দলে সফলতা অৰ্জন কৰাৰ ফলতেই ১৯১৯ চনৰ ২৩ ডিচেম্বৰত গৃহীত হোৱা ভাৰত শাসন আইনে অসমক এক গৱৰ্ণৰশাসিত পূৰ্ণাঙ্গ প্ৰদেশৰ মৰ্যাদা দান কৰিলে। এইটো সম্ভৱ নহ'লহেঁতেন যদিহে ১৯১৮ চনত চন্দ্ৰনাথ 'আসাম এছ'চিয়েশ্বন'ৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হৈ প্ৰধান ভূমিকা গ্ৰহণ নকৰিলেহেঁতেন।

অসম প্ৰদেশ কংগ্ৰেছৰ জন্মৰ ক্ষেত্ৰতো চন্দ্ৰনাথৰ ভূমিকা

আছিল গুৰুত্বপূৰ্ণ। স্বতন্ত্ৰভাৱে প্ৰদেশ কংগ্ৰেছ কমিটি গঠন হোৱাৰ প্ৰায় আঠমাহ পূৰ্বে কলিকতাৰ বিশেষ অধিৱেশনত যোগদান কৰিবলৈ নবীন চন্দ্ৰ বৰদলৈ প্ৰমুখ্যে অন্যান্যসকলৰ লগতে চন্দ্ৰনাথো গৈছিল। অসমৰ প্ৰতিনিধিসকলে অসহযোগত সহযোগ কৰাৰ প্ৰস্তাৱৰ বিৰোধিতা কৰিছিল যদিও চৰকাৰী ভাষ্যমতে চন্দ্ৰনাথ আৰু ডালিম বৰা নিৰপেক্ষ হৈ ৰৈছিল। স্মৰণীয় যে অসহযোগৰ প্ৰস্তাৱ অনুসৰি 'কোৰ্ট', 'কলেজ' আৰু 'কাউন্সিল' বৰ্জনৰ কথা গৃহীত হোৱাৰ পৰিপ্ৰেক্ষিতত চন্দ্ৰনাথেই প্ৰথমে অসমত ওকালতি ত্যাগ কৰে আৰু তাৰ পাছৰ চাৰি-পাঁচদিনৰ ভিতৰতে প্ৰায় ৭০-৮০ বাইনা মক্কেলক ওভোটাই দিয়া হয় বুলি নিজৰ ডায়েৰীতে লিখি থৈ গৈছে। কিন্তু তেতিয়ালৈকে অসমত অসহযোগ আন্দোলনে প্ৰাণ পাই উঠা নাছিল। ১৯২০ চনৰ ডিচেম্বৰ মাহত নাগপুৰত বহা পূৰ্ণাঙ্গ কংগ্ৰেছ অধিৱেশনত অসমত সুকীয়া কংগ্ৰেছ কমিটি গঠনৰ অনুমতি দিয়াৰ পাছতহে ১৯২১ চনৰ ৫ জুনত কংগ্ৰেছ প্ৰতিষ্ঠা হয়। যুক্তিসংগতভাৱে চন্দ্ৰনাথৰ নামেই অসম কংগ্ৰেছৰ সভাপতি পদৰ বাবে প্ৰস্তাৱিত হ'ল যদিও গ্ৰহণ কৰিবলৈ সন্মতি প্ৰকাশ নকৰিলে। আনকি সহকাৰী সভাপতিৰ পদ ল'বলৈকো অমান্তি হয়। আদৰ্শত অটল থকা চন্দ্ৰনাথে সভাপতি পদৰ বাবে তৰুণৰাম ফুকনৰ নামৰ প্ৰস্তাৱৰো বিৰোধিতা কৰিলে। ওকালতি কৰি থকা কাৰণে ফুকনৰ পৰিৱৰ্তে ইতিমধ্যে ওকালতি বৰ্জন কৰা কুলধৰ চলিহাক কংগ্ৰেছৰ সভাপতি পদত অধিষ্ঠিত কৰালে। দেশভক্ত ফুকনৰ প্ৰতি চন্দ্ৰনাথৰ অশেষ শ্ৰদ্ধা আছিল যদিও ৰাজনৈতিক দৃষ্টিকোণৰপৰাই সভাপতি পদৰ বাবে ফুকনৰ প্ৰস্তাৱৰ বিৰোধিতা কৰাৰ দৃঢ়তা প্ৰদৰ্শন কৰিব পাৰিছিল (বৰা, ২০১৩)।

চন্দ্ৰনাথে বিদ্যুৎ গতিৰে অসমৰ নগৰ-চহৰ ভ্ৰমণ কৰি অসহযোগ আন্দোলনৰ উদ্দেশ্যে সদস্য সংগ্ৰহ কৰাৰ লগতে সংগঠন গঢ়ি তুলিছিল। ১৯২১ চনৰ ১২ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ত, ১৬ ফেব্ৰুৱাৰীত যোৰহাটত আৰু ১১ এপ্ৰিলত তেজপুৰত জিলা কংগ্ৰেছ কমিটিবোৰ চন্দ্ৰনাথৰ উদ্যোগতে গঠন কৰা হৈছিল। (ভট্টাচাৰ্য, ১৯৮৩)।

মহাত্মা গান্ধীৰ প্ৰথম অসম ভ্ৰমণৰ আঁৰতো চন্দ্ৰনাথৰ সক্ৰিয় ভূমিকা আছিল। তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, কুলধৰ চলিহা, কনক চন্দ্ৰ শৰ্মা আৰু চন্দ্ৰনাথক লৈ গঠিত অসমৰ পাঁচজনীয়া সদস্য প্ৰতিনিধি দলটোৱে ২৮ জুলাইত বোম্বাইত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ বৈঠকত যোগ দিবলৈ যাওঁতে মহাত্মা গান্ধীক অসম ভ্ৰমণৰ কাৰণে আমন্ত্ৰণ জনাই আহে। দলটোৰ অনুৰোধ মৰ্মে প্ৰস্তাৱিত অন্ধ্ৰ ভ্ৰমণ স্থগিত ৰাখি ১৯২১ চনৰ ১৮ আগষ্টৰ পৰা ১২ দিনীয়া কাৰ্যসূচীৰে গান্ধীজীয়ে অসম ভ্ৰমণ কৰে। লগত লৈ আহে মৌলানা মহম্মদ আলি, ব্যৱসায়ী যমুনালাল বাজাজ আদি নেতাক। চন্দ্ৰনাথে জানিছিল যে গান্ধীৰ আগমনে অসমলৈ এক ধুমুহা আনিব আৰু অসহযোগ আন্দোলনৰ প্ৰতি অসমবাসীৰ সমৰ্থন বৃদ্ধি পাব। বিদেশী বস্ত্ৰ দাহ কৰা কাম গান্ধীজীয়ে নিজহাতে গুৱাহাটীত আৰম্ভ কৰিলে। নৰিয়া দেহাৰেই চন্দ্ৰনাথে এই বস্ত্ৰ-যজ্ঞত অংশগ্ৰহণ কৰে। গুৱাহাটীৰপৰা তেজপুৰলৈ যাওঁতেও চন্দ্ৰনাথ দলটোৰ লগত আছিল। জ্বৰ বেছি হৈ অহা বাবে অন্যান্য লোকে চন্দ্ৰনাথক গান্ধীজীৰ লগত উজনি অসমলৈ যাবলৈ নিদিলে। চন্দ্ৰনাথৰ নিষ্ঠা আৰু দৃঢ়তা দেখি গান্ধীজীয়ে কৈছিল— 'চন্দ্ৰনাথৰ দেশ হিতৈষিতা সদৌ দেশ হিতৈষীৰে আদৰ্শ হোৱা উচিত।'

আজীৱন সংগ্ৰামী চন্দ্ৰনাথে কিন্তু দেশৰ বাবে যুঁজ কৰিবলৈ বেছি সময় নাপালে। যক্ষ্মাৰোগত আক্ৰান্ত হোৱাৰ কথা নিশ্চিত হোৱাত চিকিৎসকৰ পৰামৰ্শ অনুসৰি পুৰীৰ সাগৰৰ পাৰৰ এটা ঘৰত ৰখাৰ ব্যৱস্থা কৰা হৈছিল। যিজন মানুহে দেশৰ স্বাৰ্থত পুঁজি সংগ্ৰহত আগভাগ লৈছিল, যিজন মানুহে স্কুল-কলেজ বৰ্জন কৰা ছাত্ৰসকলক নিজৰ সমস্ত অস্থাৱৰ সম্পত্তি দি সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল সেইজন মানুহে চিকিৎসাৰ বাবে ৰাজহুৱা ধন ব্যয় কৰাতকৈ মৃত্যুহে কামনা কৰিছিল।

ৰোগাক্ৰান্ত হৈ থকা সময়তে এক উল্লেখযোগ্য ঘটনা ঘটিছিল। উত্তৰ প্ৰদেশৰ চৌৰিচৌৰাত ৫ ফেব্ৰুৱাৰীৰ দিনা স্থানীয় ৰাইজৰ শান্তিপূৰ্ণ শোভাযাত্ৰা এটাত থানাৰ পুলিচে পিচৰ ফালে গুলী কৰাত প্ৰায় চাৰি-পাঁচ হাজাৰ জনতাই থানা আগুৰি ধৰে। থানাত থকা বাৰুদ শেষ হোৱাত পৰিত্ৰাণৰ কাৰণ পুলিচে থানাৰ ভিতৰ সোমাই দুৱাৰ বন্ধ কৰি দিয়ে। কিন্তু উন্মত্ত জনতাই থানাত জুই লগাই দি ২২ জন পুলিচক জীৱন্তে পুৰি মাৰে। ঘটনাৰ খবৰ পোৱা মাত্ৰকেই গান্ধীজীয়ে যেতিয়া গণ-সত্যাগ্ৰহ স্থগিত কৰিলে তেতিয়া ৰুগীয়া চন্দ্ৰনাথে ক'লে 'He has betrayed the revolution' অথচ এইগৰাকী গান্ধীজীৰ প্ৰতি আছিল চন্দ্ৰনাথৰ অসীম শ্ৰদ্ধা।

গুজৰাটৰ চুৰাট জিলাৰ অন্তৰ্গত

> 'স্বাধীনতাৰ ফিৰিঙতি' চন্দ্ৰনাথৰ নাছিল কোনো জ্যাত্যভিমান, নাছিল কোনো ধৰ্মীয় সংকীৰ্ণতা। জাতিভেদ অথবা বৰ্ণভেদতো বিশ্বাস নাছিল, নাছিল ধৰ্মীয় গোড়ামি। ১৯২১ চনৰ মাৰ্চ মাহত অসহযোগ আন্দোলনৰ সময়ত জামুগুৰি মাধৱ দেৱালয় প্ৰাঙ্গণত অনুষ্ঠিত এখন জনাকীৰ্ণ সভাত ভাষণ দি চন্দ্ৰনাথে কৈছিল— 'ৰাইজ, আমাৰ শত্ৰু ইংৰাজ নহয়, বামুণ, গোসাঁই, মহন্তসকলহে আমাৰ শত্ৰু।'

বৰদৌলিত বহা কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে গণসত্যাগ্ৰহ স্থগিত কৰাৰ সিদ্ধান্ত যেতিয়া অনুমোদন জনায় তেতিয়া ক্ষয়ৰোগৰ সৈতে যুঁজি থকা চন্দ্ৰনাথে খং, বিৰক্তি আৰু ক্ষোভেৰে এজন সহযোদ্ধালৈ লিখিলে যে—

"বৰ্দলীত কংগ্ৰেছ কাৰ্যকৰী সভাৰ প্ৰস্তাৱবিলাক পাই স্তম্ভিত হৈছোঁ। অৱশ্যে এই সিদ্ধান্ত আকস্মিক ৰকমে হোৱা নাই। যোৱা নবেম্বৰ পৰাই মহাত্মা গান্ধীৰ ধৰ্মৰোগ Religious mania হৈছে। তেতিয়াৰে পৰা মই কংগ্ৰেছৰ বৰ্তমান কাৰ্য সন্দেহ আৰু ভয়ৰ চকুৰে চাই আহিছোঁ। বৰ্দলীৰ প্ৰস্তাৱ বিলাকে আমাৰ জাতীয় গ্লানি আৰু অপযশ আনিলে।... কংগ্ৰেছ ধৰ্ম সম্বন্ধীয় সভা নহয়....। গতিকে এই কংগ্ৰেছৰ 'আসন'খন মহাত্মা গান্ধীয়ে কেনেকৈ আৰু কি মন্ত্ৰেৰে নিচেই অলপ সময়ৰ ভিতৰতে ধৰ্মৰ বেদী কৰি তুলিব খুজিছে ক'ব নোৱাৰোঁ।... মোৰ মনেৰে এই স্বাধীনতাৰ যুদ্ধখন, আমোলাতন্ত্ৰৰ লগত নাপাতিলেও চলিলেহেঁতেন। এই যুদ্ধত কংগ্ৰেছক ব্যতিব্যস্ত নকৰা হ'লেই ভাল আছিল।.. মুঠতে মহাত্মা গান্ধীয়ে আৰু কংগ্ৰেছ কাৰ্যকৰী কমিটিয়ে যি 'আধ্যাত্মিক আৰু ধৰ্ম বিহিত উপায়েৰে স্বৰাজ লাভ কৰিব খোজে, সেইদৰে স্বৰাজ লাভ কৰিবলৈ তেত্ৰিশ কোটি ভাৰতবাসীক তেত্ৰিশ কোটি বছৰ লাগিব।"

'স্বাধীনতাৰ ফিৰিঙতি' চন্দ্ৰনাথৰ নাছিল কোনো জ্যাত্যভিমান, নাছিল কোনো ধৰ্মীয় সংকীৰ্ণতা। জাতিভেদ অথবা বৰ্ণভেদতো বিশ্বাস নাছিল, নাছিল ধৰ্মীয় গোড়ামি। ১৯২১ চনৰ মাৰ্চ মাহত অসহযোগ আন্দোলনৰ সময়ত জামুগুৰি মাধৱ দেৱালয় প্ৰাঙ্গণত অনুষ্ঠিত এখন জনাকীৰ্ণ সভাত ভাষণ দি চন্দ্ৰনাথে কৈছিল— 'ৰাইজ, আমাৰ শত্ৰু ইংৰাজ নহয়, বামুণ, গোসাঁই, মহন্তসকলহে আমাৰ শত্ৰু।' চন্দ্ৰনাথৰ পাছতে ভাষণ দিয়া দেশপ্ৰাণ লক্ষীধৰ শৰ্মাই ৰাইজক বুজাই দিব লগা হৈছিল কিদৰে বৰ্ণহিন্দুৱে সমাজত সৃষ্টি কৰা অসমতা আৰু বৈষম্যত ব্যথিত আৰু ক্ষোভিত হৈ চন্দ্ৰনাথ শৰ্মাই তেনেদৰে কৈছিল। কুসংস্কাৰৰ ঘৃণনীয় মকৰাজালখন ফালি পেলাবলৈ চন্দ্ৰনাথ শৰ্মাই কংগ্ৰেছ সেৱাদলৰ কেম্পবিলাকত ব্ৰাহ্মণ কুলৰ ৰান্ধনী ল'ৰা পোৱা সত্ত্বেও অব্ৰাহ্মণ ল'ৰাকহে সেই দায়িত্ব দিছিল (বৰা ২০১৬)।

জাত-কুলৰ বাছ-বিচাৰ নকৰা, উচ্চ-নীচৰ ভেদাভেদ নৰখা এনে এজন বহল, উদাৰ মনৰ অক্লান্ত কৰ্মবীৰৰ সামাজিক-ৰাজনৈতিক যুঁজখন কিন্তু আধৰুৱা হৈ ৰ'ল। দেশৰ আৰু সমাজৰ স্বাৰ্থত নিজৰ ৰোগকো আওকাণ কৰি অহোৰাত্ৰি কাম কৰিছিল। নৰিয়াত পৰাৰ আগলৈকে চন্দ্ৰনাথে হেনো নিশা দুঘণ্টা সময়হে জিৰণি লৈছিল। সাংগঠনিক কাম, ঘূৰা-ফুৰা আৰু লিখা-পঢ়াৰ মাজতেই বেছিখিনি সময় অতিবাহিত কৰিছিল। এই ব্যস্ততাৰ মাজতো চন্দ্ৰনাথে শিক্ষাৰ দৰে প্ৰয়োজনীয় দিশটো চিন্তা কৰিবলৈ পাহৰা নাছিল। মেট্ৰিকুলেশ্যন কম্পজিশ্যন আৰু টেন্সলেশ্যনৰ দৰে পুথি ৰচনা কৰাৰ উপৰি ১৯২১ চনৰ ১৭ মাৰ্চত 'আসাম বিলাসিনী' কাকতলৈ জাতীয় বিশ্ববিদ্যালয়ৰ শিক্ষা পদ্ধতি সংক্ৰান্তৰ আঁচনি আগবঢ়াই প্ৰবন্ধ লিখিছিল।

এনে এগৰাকী অগ্ৰদূত, দূৰদৰ্শী প্ৰচাৰ বিমুখ নেতা, উৎসৰ্গিত প্ৰাণ আজিও উপেক্ষিত হৈ ৰোৱাটো দেশ আৰু জাতিৰ বাবেই এক দুৰ্ভাগ্যজনক ঘটনা। যি গৰাকী কৰ্মবীৰে নিজৰ ছোৱালীয়ে নৰিয়াত পৰি ছটফটাই থাকোঁতেও 'আসাম এছ'চিয়েশ্বন'ৰ সভাত উপস্থিত হ'বলৈ বৰপেটালৈ গৈছিল, গোৱালপাৰত অনুষ্ঠিত 'আসাম এছ'চিয়েশ্ব'ৰ সভাত অংশগ্ৰহণ কৰি থাকোঁতে পত্নীৰ গুৰুতৰ অসুস্থতাৰ কথা জানিও স্থিতপ্ৰজ্ঞৰ দৰে যি ক'ব পাৰিছিল— 'মাতৃপূজাতকৈ পত্নীৰ নৰিয়া ডাঙৰ হ'ব নোৱাৰে। মই এই যজ্ঞ এৰি যাব নোৱাৰোঁ। গৃহিণীৰ ভাৰ ঈশ্বৰে ৰক্ষা কৰিব'— তেনে এগৰাকী দধিচী দেশসেৱকক পাহৰণি গৰ্ভলৈ ঠেলি দিয়াটো দেশ আৰু জাতিৰ বাবেই শুভলক্ষণ নহয়।

চন্দ্ৰনাথ শৰ্মাৰ মৃত্যুৰ শতবাৰ্ষিকী পালন কৰিবলৈ আৰু পাঁচ-ছয়টা বছৰহে বাকী। কৰ্মবীৰ কিন্তু বিহগুৰিতেই আৱদ্ধ হৈ ৰ'ল। এখন বিদ্যালয়, এটা স্মৃতিভৱন, এখন শাখা সাহিত্য সভা, স্থানীয় ৰাইজৰ সহযোগত প্ৰচলন কৰা এটা বঁটাই চন্দ্ৰনাথক জীয়াই ৰাখিছে। যিজন চন্দ্ৰনাথ অসমত কংগ্ৰেছক প্ৰতিষ্ঠা কৰাৰ মূল শক্তি আছিল সেইগৰাকী ব্যক্তিৰ নামৰে তেজপুৰ মেডিকেলখন নামকৰণ কৰিবলৈ কংগ্ৰেছ চৰকাৰে আপত্তি কৰিছিল। অসম সাহিত্য সভাৰ জন্মলগ্নৰেপৰা গুৰু দায়িত্ব পালন কৰা চন্দ্ৰনাথৰ নামত এটি বঁটা ঘোষণা কৰিবলৈ সভাই প্ৰায় এশবছৰ অপেক্ষা কৰিব লগা হ'ল।

জাতীয় বীৰ-বীৰাঙ্গনাসকল এনেদৰে উপেক্ষিত হৈ ৰ'লে জাতিটোৱে কৰ্মপ্ৰেৰণা লাভ কৰিব কেনেকৈ?

**প্ৰাসঙ্গিক গ্ৰন্থ**

১) তামুলী, লক্ষ্মীনাথ ঃ *ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান (সংঘাত আৰু সহযোগিতাৰ ইতিহাস)*, ৰূপহী প্ৰকাশন, যোৰহাট ১৯৮৮

২) বৰা, ময়ূৰ ঃ 'কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ জীৱনত এভুমুকি' একুৰা জুই আৰু এটা অকৃতজ্ঞ জাতি, *স্মৰণিকা*, কৰ্মবীৰ চন্দনাথ শৰ্মা স্মৃতি ভৱনৰ নৱ নিৰ্মিত ভৱন উদ্বোধনী অনুষ্ঠান বিহগুৰি, শোণিতপুৰ ২৭-২৯ মে', ২০১৬, পৃ. ৪-৮

৩) বৰুৱা, হেমন্ত কুমাৰ ঃ 'কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা', *পত্ৰিকা*, পদ্মনাথ গোহাঞি বৰুৱা শাখা সাহিত্য সভা, তেজপুৰ ২০১২-১৪ পৃ. ১৬-১৮

৪) ভট্টাচাৰ্য, ড° বীৰেন্দ্ৰ কুমাৰ (সম্পা.) ঃ *কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী ১৯৮৩



# মাওলিননং

## এছিয়াৰ আটাইতকৈ পৰিষ্কাৰ গাঁওখনি

**ঘনশ্যাম টাইড**
অধ্যাপক, শিক্ষা বিভাগ

'মাওলিননং' এখন সৰু গাঁৱৰ নাম। প্ৰকৃতিদেৱীৰ আশীৰ্বাদ পুষ্ট মেঘালয়ৰ ৰাজধানী শ্বিলঙৰ নাতিদূৰত ভাৰত-বাংলা সীমান্তত অৱস্থিত মাওলিননং। মাওলিননং সৰু এখন গাঁও, অৱশ্যে আপুনি মই দেখা আৰু বুজি পোৱা গাঁওখনতকৈ বহু গুণেই পৃথক। আৰু পৃথক কাৰণেই চাগে আলোচনাৰ মজিয়ালৈ মনোযোগ আকৰ্ষণ কৰিছে। সৰুতে L.P স্কুলত পঢ়া 'শুৱনি আমাৰ গাঁওখনি' শীৰ্ষক কবিতাটি আৰু মহাত্মা গান্ধীৰ ৰাষ্ট্ৰৰ উন্নতি বিচাৰিলে 'গাঁৱলৈ ব'লক' বুলি কোৱা তাৎপৰ্যপূৰ্ণ বাক্যশাৰীৰ অকপটে সমৰ্থন আগবঢ়াই গাঁৱৰ প্ৰতি ক'ব নোৱৰাকৈ স্বতঃস্ফূৰ্তভাৱে ভালপোৱাৰ এটা মনোভাৱে স্থান পাইছিল। এনেধৰণৰ অন্তৰত গভীৰ আঁচ বহুওৱা উদ্ধৃতিয়ে গাঁওখনক ভালপোৱাৰ লগতে শ্ৰদ্ধাভাজনেষু হ'বলৈ যথেষ্ট প্ৰেৰণা যোগায়। যি কি নহওক, পৃথিৱীৰ সভ্যতা-সংস্কৃতিৰ গৌৰৱময় আৰম্ভণিত চাগে গাঁওখনৰ আৰ্দ্ৰভূমিতেই প্ৰথমে ভূমিষ্ঠ হৈছিল। মানুহৰ স্বাভাৱিক জীৱন ধাৰণ আৰু স্বাধিকাৰ প্ৰাপ্ত গাঁওখনি কেতিয়াবা আকৌ অন্য ধৰণেও কিছুমান অসাধাৰণ কৃতিত্বৰ অধিকাৰী হ'বগৈ পাৰে। তাৰেই এক ক্ষুদ্ৰ নমুনা আৰু নিদৰ্শন হৈছে— শ্বিলঙৰ 'মাওলিননং'। অবিশ্বাস্য যদিও সত্য যে এই ক্ষুদ্ৰ গাঁওখনে প্ৰকৃতিৰ অমূল্য দানক মানুহৰ নন্দনতাত্ত্বিক ক্ৰিয়া প্ৰতিদানেৰে অনন্য এক কৃতিত্ব প্ৰদান কৰিছে। কৃতিত্বটো হৈছে— মাওলিননং এচিয়াৰ গাঁওসমূহৰ ভিতৰতে আটাইতকৈ পৰিষ্কাৰ গাঁও। (Maw lunnong the cleanest village of Asia) শ্বিলঙৰপৰা ৯০ কি. মি. দূৰত্বত অৱস্থিত ইষ্ট খাচী (East khasi) জিলাৰ অন্তৰ্গত। গাঁওখন অৱশ্যে আপাতঃ দৃষ্টিত গাঁও নহয় যেন তাৎক্ষণিক পৰিচৰ্যাৰে পোহপাল দিয়া এখন উদ্যান যেন লাগে। অসম আৰ্হিৰ আকৃতিৰ ঘৰবোৰ খুব আটোমটোকাৰি বিধৰ। প্ৰত্যেকঘৰৰ চোতালতে আপুনি দেখা পাব একোখনকৈ মনোমোহা বাগিচা যিয়ে পাহাৰৰ মাজৰ গাঁওখনি সৌন্দৰ্যবৰ্ধনত দুগুণ ইন্ধন যোগাইছে। গাঁওখনৰ মাজে মাজে দুই এজোপা ডাঙৰ গছো নথকা নহয়। তেজপাত গছবোৰে গোটেই গাঁওখনকে সুগন্ধিৰে মলমলাই ৰাখিছে। পাহাৰৰ ওখভাগত তামোল গছৰ শাৰী,



সমতল অঞ্চলত ঝাৰু গছ, ঘৰৰ চোতালৰ পকি হালধীয়া হোৱা ৰবাবটেঙা আৰু ৰঙা ৰঙা অলিভৰ গুটিবোৰে মাওলিননঙক সপোনৰ গাঁৱলৈ ৰূপান্তৰ কৰিছে। গাঁওখনৰ মাজমজিয়াৰপৰা বাংলা সীমান্তলৈ প্ৰায় ৩-৪ কি. মি. দূৰত্ব। এজোপা প্ৰকাণ্ড গছত বাঁহেৰে সাজি থোৱা স্কাইভিউ (Skyview Point) টো কিছু আমোদজনক। কমেও ৬০ ফুট উচ্চতাৰ Skyview ৰ পৰা বাংলাদেশৰ গাঁৱৰ ঘৰবোৰ খুব স্পষ্টকৈ দেখা পোৱা যায়। তাত থকা গীৰ্জাঘৰখনো অন্য এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু। প্ৰত্যক্ষদৰ্শীৰ অন্তৰাত্মাত ভক্তিভাবৰ উন্মেষ ঘটোৱা বগা-সেউজীয়া ৰঙৰ গীৰ্জাঘৰখন বহু বছৰ আগতেই প্ৰতিষ্ঠা কৰিছে।

এই ক্ষুদ্ৰ পাহাৰীয়া গাঁওখনত আৰু দৃষ্টিগোচৰ হৈছিল অন্য দুটা পৃথক দৃশ্য। এটি ঝৰ্ণাৰ ওপৰত এজোপা ডাঙৰ গছৰ সজীৱ শিপাৰে স্বতঃস্ফূৰ্তভাৱে সৃষ্টি হোৱা 'Root Bridge দেখি এনে অনুভৱ হৈছিল যে— কাৰিকৰী বিশেষজ্ঞৰ নিদেৰ্শতহে অতি মনোগ্ৰাহীকৈ দলংখন সাজি উলিয়াইছে। আৰু গাঁৱৰ মাজত প্ৰত্যক্ষ হৈছিল আনটো অসাধাৰণ দৃশ্য। প্ৰকাণ্ড এটা শিলাখণ্ড সৰু শিলৰ টুকুৰা এটাত ভাৰসাম্যকভাৱে স্থিতি গ্ৰহণ কৰি



আছে। শিলাখণ্ডটোৰ সন্মুখত লিখা আছে Balancing Boulder/ Rock। দেখি এনে লাগিছিল প্ৰকাণ্ড হাতীটো যেন নিগনিৰ পিঠিত থিয় দি আছে।

২০০৩ চনত Discover India মেগাজিনে মাওলিননংক আটাইতকৈ পৰিষ্কাৰ (Cleanest) গাঁও বুলি ঘোষণা কৰাৰ পিছত কণ কণ ল'ৰা-ছোৱালীৰপৰা আৰম্ভ কৰি বয়োজ্যেষ্ঠলৈকে গাঁওখনক অধিক পৰিষ্কাৰ আৰু আটক ধুনীয়া কৰি ৰাখিবলৈ উঠি-পৰি লাগিছে। চাফাই কামত ব্যস্ত হৈ থকা ৪-৫ জনীয়া সৰু ল'ৰাৰ এটা দল নিজেও দেখা পাইছিলোঁ। দাৰ্জিলিঙৰ Batasialoop উদ্যানৰ ফুলনিৰ মাজে মাজে থকা এক কি. মি. বহল ৰাস্তা আৰু মাওলিননঙৰ ৰাস্তাৰ মাজত একো পাৰ্থক্য নাই। ৰাস্তাৰ কাষে কাষে ১০-১৫ মি. আঁতৰে আঁতৰে পৰ্যটকৰ সুবিধাৰ্থে সাজি থোৱা আছে Bamboo Dustbin। পেলনীয়া বস্তুবোৰ Bamboo Dustbinত পেলোৱাটো কটকটীয়া নিয়ম। জানিব পাৰিছিলোঁ যে প্ৰত্যেক দেওবাৰে গাঁওখনৰ চাফ-চিকুণতাৰ সন্দৰ্ভত আলোচনাত মিলিত হয়। ইয়াত থকা একমাত্ৰ ৰেষ্টোৰাঁখন অতি মনোগ্ৰাহী। দীৰ্ঘদিন মনত থাকি যোৱাকৈ আলহীক জুতি লগা তৰকাৰী-আঞ্জাৰে এসাঁজ

আপ্যায়ন কৰিবলৈ ৰেষ্টোৰাঁ কৰ্তৃপক্ষ সদায় বদ্ধপৰিকৰ। 'মাওলিননং' বিশ্ববাসীৰ বাবে এক উদাহৰণ। আমিবোৰ সেই গাঁওখনৰপৰা কিছু শিকিব লগীয়া আছে। গোলকীয় উষ্ণতাই কোবাই যোবা সকলো উন্নত-অনুন্নত দেশৰ জনসাধাৰণে নিজৰ গাঁও আৰু ঘৰখনৰ পৰাই পৰিৱেশৰ ভাৰসাম্যক স্থিতি ৰক্ষা কৰণৰ অভিযান আৰম্ভ কৰিব লাগিব। পুৰণিকলীয়া ৰীতি-নীতি অন্ধবিশ্বাস, কু-সংস্কাৰ, ধৰ্মান্ধতা আদি আঁতৰাই নতুন মনোভাব, মূল্যবোধ, ধ্যান-ধাৰণা-দৃষ্টিভঙ্গী আদি সলনি কৰাৰ সময় আহি পৰিছে। স্বভাৱগত আৰু প্ৰকৃতিগতভাৱে কৰি ভালপোৱা কামবোৰ পৰিহাৰ কৰি পৰিৱেশৰ অনুমোদন যোগ্য আচৰণ প্ৰদৰ্শন কৰিবলৈ শিকিব লাগিব। কেৱল পৰিৱেশ সম্পৰ্কীয় আলোচনা, বৈঠকত সিদ্ধান্ত গ্ৰহণ আদি কেতবোৰ পদক্ষেপেৰে দ্ৰুতগতিত অৱনমিত হোৱা পৰিৱেশীয় অৱস্থা পুনৰুদ্ধাৰ কৰাটো তেনেই সহজ কাৰ্য নহয়। ১৯৭২ চনৰ ৫ জুনৰ চুইডেনৰ ষ্টোকহোমত পৰিৱেশ সম্পৰ্কীয় আন্তৰাষ্ট্ৰীয় আলোচনাৰপৰা আৰম্ভ কৰি ২০১৬ চনৰ মৰক্কোৰ মাৰক'ছৰ (Morocco Marrakesh) পৰিৱেশ সম্বন্ধীয় সন্মিলনলৈকে বিশ্বৰ শীৰ্ষ নেতাই, বিভিন্ন সময়ত বহুতো ঠাইত আলোচনাত মিলিত হৈছে কিন্তু প্ৰায়বোৰ আলোচনাই জনসাধাৰণৰ কাৰণে সৌহাদ্যপূৰ্ণ হোৱাৰ পৰিৱৰ্তে দেশীয় মুৰব্বীসকলৰ সৌজন্যমূলক যেনহে আমাৰ অনুভৱ হয়। প্ৰতিটো সন্মিলনতেই পৰিৱেশ সংৰক্ষণ সম্বন্ধীয় নীতি গ্ৰহণ আৰু ইয়াৰ কাৰ্যকৰীকৰণৰ মাজত আকাশ-পাতাল বিভেদ পৰিলক্ষিত হৈছে। ডেনমাৰ্কৰ কোপেনহেগেনত বিশ্ব পৰিৱেশ সম্পৰ্কীয় সন্মিলনে বিশ্ববাসীলৈ এক হতাশা আৰু ব্যৰ্থতাৰ ছবিহে দাঙি ধৰিছিল। আলোচনাৰ উদ্দেশ্য আছিল যে



গোলকীয় উষ্ণতা হ্ৰাস কৰিবলৈ আমাৰ মাজৰপৰা অতিৰিক্ত কাৰ্বন গেছখিনি নাইকিয়া কৰা। কাৰ্বন গেছৰ হ্ৰাস কৰিব বিচাৰিলে ৰাষ্ট্ৰসমূহত সদ্যব্যৱহৃত হৈ থকা বৃহৎ বৃহৎ উদ্যোগ-কাৰখানাৰ সংখ্যা কমাব লাগিব। কিন্তু এয়া কাম কৰিবলৈ কোনো এখন দেশ আগ্ৰহী আৰু উদ্যত নহয়। উল্লেখযোগ্য যে আমেৰিকাৰ নিচিনা বিশ্বৰ শক্তিমান ৰাষ্ট্ৰই তুচ্চ-তাচ্চিল্যৰ সুৰত কয় বোলে— পৰিৱেশৰ ভাৰসাম্যহীনতাৰ কাৰণে জগৰীয়া এচিয়ান দেশসমূহ। গতিকে সেয়া কাম নীতিগতভাৱে এওঁলোকে কৰিব লাগিব। ভাৰতৰ নিচিনা উন্নয়নশীল ৰাষ্ট্ৰই প্ৰতিৰক্ষামূলকভাৱে যুক্তি দাঙি ধৰে যে এতিয়াও আমাৰ দেশত এটা পাওৰুটিৰ বাবে জনতাই বহুদিন মাংস খোৱাৰপৰা বঞ্চিত সিংহৰ নিচিনাকৈ তৰ্জন-গৰ্জন কৰে। গতিকে উদ্যোগ-কাৰখানা উচ্ছেদ কৰাটো ভাৰতীয়ৰ কাৰণে মহাকাব্যিক আদৰ্শৰ বহিৰ্ভূত যেন অনুভৱ হ'ব।

আন্তৰাষ্ট্ৰীয় আলোচনা, বৈঠক, সন্মিলন আদিয়ে পৰিৱেশীয় সমস্যা সমাধানৰ কাৰণে কিমান প্ৰণিধানযোগ্য ই আমাৰ বাবে এক সাঁথৰ। এনে প্ৰেক্ষাপটত আমিবোৰ নিজাববীয়াকৈ এনে সংগ্ৰামত হাত উজান দিয়াটো উচিত হ'ব। আমি প্ৰত্যেকেই যোৱাকালিৰ মানুহটোৰপৰা সলনি হৈ মাওলিননঙৰ গাঁও সমাজৰ দায়িত্বশীল পৰিৱেশীয় আচৰণৰ অংশীদাৰ হ'ব লাগিব। আমি প্ৰত্যেকেই নাগৰিকৰপৰা সু-নাগৰিকলৈ পৰিণত হ'ব লাগিব যাৰ মনোভংগী আৰু দৃষ্টিভঙ্গী সৃষ্টিৰ তাড়না আৰু ধ্বংসৰ বেদনাৰ প্ৰতি সদা সংবেদনশীল।




# সাম্প্ৰতিক অসমীয়া কবিতাৰ গতিধাৰা



ড° পুণ্যলতা গোহাঁই
অধ্যাপিকা, অসমীয়া বিভাগ



প্ৰত্যেক সাহিত্যৰেই নিৰ্দিষ্ট কিছুমান লক্ষণ বা বৈশিষ্ট্য থাকে আৰু উক্ত বৈশিষ্ট্য বা লক্ষণৰ ওপৰত ভিত্তি কৰিয়েই আমি সেই বিষয়ৰ সাহিত্যসমূহক কিছুমান নিৰ্দিষ্ট ভাগত বিভক্ত কৰি লওঁ। ঠিক সেইদৰে অসমীয়া কাব্য সাহিত্যৰ ক্ষেত্ৰতো সাম্প্ৰতিক কবিতাৰ বাট মুকলি হৈছে ৰোমাণ্টিক কবিতাৰ পিছৰ স্তৰত। কাৰণ দ্বিতীয় মহাযুদ্ধৰ শেষত ভাৰতবৰ্ষই দ্বি-খণ্ডিত অৱস্থাৰে স্বাধীনতা লাভ কৰিলে ঠিকেই। কিন্তু যুদ্ধৰ ফলস্বৰূপে স্বাধীনতাৰ আগত আৰু পিছত সংঘটিত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষত হাজাৰ হাজাৰ নিৰ্দোষী লোকে প্ৰাণ হেৰুৱালে। বহু লোক স্থানচ্যুত হ'ল— দেশৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থালৈ পৰিৱৰ্তন আনিলে। আনহাতে, সমাজত উচ্চ আৰু মধ্যবিত্ত শ্ৰেণীৰ চৰিত্ৰৰ অৱনতি ঘটায়। বিজ্ঞানৰ নতুন নতুন আৱিষ্কাৰে এসময়ত বিশাল পৃথিৱীখন ক্ৰমান্বয়ে সৰু হৈ আহিবলৈ ধৰিছে। ফলস্বৰূপে দ্ৰুতগামী জগতখনে সাহিত্যিকসকলক প্ৰভাৱান্বিত কৰিলে। লগতে বিভিন্ন উদ্যোগ আদিৰ প্ৰতিষ্ঠা, শিক্ষাৰ ক্ষেত্ৰত অভূতপূৰ্ব বিস্তাৰৰ লগে লগে সমাজত শিক্ষিত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিলে। আনহাতে, সামাজিক শিক্ষা, ৰেডিঅ', চিনেমা, দূৰদৰ্শন আদিবোৰে মানুহৰ মনত সুকুমাৰ কলাৰ প্ৰতি ধাউতি বঢ়ালে। এনেদৰে দ্বিতীয় বিশ্বযুদ্ধই আনি দিয়া আন্তৰ্জাতিক ৰাজনৈতিক শীতল যুদ্ধ, বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ দেশে দেশে অৰিয়া-অৰি নগৰকেন্দ্ৰিক সভ্যতাৰ প্ৰতি মানুহৰ আগ্ৰহ বস্তুবাদী আদৰ্শ নৈতিক আদৰ্শৰ স্খলন আদিবোৰে সেই সময়তে ভয়াৱহ অৱস্থাৰ সৃষ্টি কৰিছে সিয়েই সাম্প্ৰতিক কবিসকলৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন ঘটাইছে।

উক্ত কাৰণবশতেই সাম্প্ৰতিক কবিসকলৰ কবিতাত ৰোমাণ্টিক ভাবাবেশৰ পৰিৱৰ্তন দেখা পোৱা যায় এক নতুন আদৰ্শ দৃষ্টিভঙ্গী আৰু প্ৰকাশৰ নতুন কৌশল। সেয়েহে সাম্প্ৰতিক কবিতাত বাস্তৱবাদ, মাৰ্ক্সবাদ আৰু ফ্ৰয়েডবাদ আদিয়ে স্থান অধিকাৰ কৰা দেখা যায়। যুদ্ধোত্তৰ যুগত দুটা ধাৰা দেখা যায়। এটা হ'ল দুই দশকলৈকে প্ৰৱাহিত হৈ থকা চুৰ-চুৰীয়া ৰোমাণ্টিকধৰ্মী কবিতা আৰু আনখিনি নতুন কবিতা। এই কবিতাৰ ধাৰাটো অধিক বাটকটীয়া হৈ ধৰা দিয়ে-পঞ্চাছৰ দশকতহে। সেয়েহে এই ধাৰাটোক বৰ্তমান যুগৰ কাব্যপ্ৰৱাহৰ প্ৰধান সুঁতি হিচাপে ধৰিব পাৰি। যুদ্ধজনিত তিক্ততা আৰু বিয়াল্লিছৰ গণ আন্দোলনৰ বিফলতা আদিবোৰৰ পটভূমিতেই এই নতুন কবিতা বা সাম্প্ৰতিক কবিতাৰ ধাৰাটো সূচনা হয়। কাৰণ যুদ্ধৰ বীভৎস ধ্বংসলীলা, কৰুণ মৃত্যু, ঈশ্বৰীয় বিশ্বাস ভংগ হোৱাৰ ফলস্বৰূপে সেই সময়ৰ সমাজ জীৱনলৈ নামি আহিল ভাঙিব নোৱৰা জটিলতা। লাহে লাহে এইবোৰ দেখি-শুনি নতুন ভাবধাৰাৰে কবিসকলে কবিতা ৰচনা কৰিলে।



যুদ্ধোত্তৰ যুগৰ কবিতা বা সাম্প্ৰতিক কবিতা সম্পূৰ্ণৰূপে ৰোমাণ্টিক কবিতাৰ নিয়ম-শৃঙ্খলাৰপৰা আঁতৰি আহিল। এই কবিতাসমূহত প্ৰকাশ পালে ব্যক্তি স্বাৰ্থতকৈ সামাজিক স্বাৰ্থৰ গুৰুত্ব। মন কৰিলে দেখা যায় যে সাম্প্ৰতিক যুগৰ বহু কবি ইংৰাজী শিক্ষাৰে আপ্লুত। সেয়েহে তেওঁলোকে নিজৰ কবিতাৰ আদৰ্শ হিচাপে ইলিয়ট, ওডেন, স্পেণ্ডাৰ, হুইটমেন আদি প্ৰতীকবাদী, লুই আঁৰাগ প্ৰভৃতি অতি বাস্তৱবাদী আৰু জ্যাঁপল ছাত্ৰেৰ দৰে অস্তিত্ববাদী আদৰ্শ গ্ৰহণ কৰিলে। তদুপৰি বঙ্গদেশৰ কবি জীৱনানন্দ, বিষ্ণু দে, বুদ্ধদেৱ বসু আদি কবিতায়ো তেওঁলোকৰ প্ৰেৰণাত ইন্ধন যোগালে। এনে কিছুমান কাৰকে অনুসন্ধিৎসু কবিসকলক পুৰণি ৰীতি পৰিহাৰ কৰি নতুন ৰূপত অসমীয়া কবিতা লিখিবলৈ অনুপ্ৰেৰণা দিলে।

যদি উক্ত কাৰণসমূহ লক্ষ্য কৰি নতুন কবিতা বা সাম্প্ৰতিক কবিতাৰ গতিধাৰা বিচাৰ কৰোঁ তেনেহ'লে আমি দেখিবলৈ পাওঁ যে অৰুনোদই কালৰেপৰা অসমীয়া সাহিত্য আলোচনী নিৰ্ভৰ। কাৰণ আলোচনীৰ বুকুতে ভৰ দি অসমীয়া কবিতাই প্ৰথম আধুনিকতাৰ সংবাদ দিছিল। চল্লিছৰ দৰ্শকত পুনৰ আলোচনীৰ পাততে ৰমন্যাসিক সুৰ আঁতৰাই অসমীয়া কবিতাই বাস্তৱমুখী ৰূপ পৰিগ্ৰহ কৰিছে। এই শ্ৰেণী কবিতাৰ জন্মৰ ক্ষেত্ৰত বিশিষ্ট ভূমিকা পালন কৰা আলোচনীখনেই হ'ল 'জয়ন্তী' (১৯৩৫)। অৰ্থাৎ প্ৰথম সাম্প্ৰতিক অসমীয়া কবিতাৰ জন্ম হয় 'জয়ন্তী যুগ'ত। কাৰণ দ্বিতীয় বিশ্বযুদ্ধই মানুহৰ মানৱীয় মূল্যবোধৰ অৱক্ষয় ঘটায়। যাৰ ফলস্বৰূপে নতুনচাম কবিৰ হাতত এই ভাবধাৰাই ৰূপ ল'বলৈ আৰম্ভ কৰে।

মন কৰিবলগীয়া কথা যে প্ৰথম অৱস্থাত সাম্প্ৰতিক কবিতাই এক কঠিন আৰু জটিল ৰূপ লৈ দেখা দিছিল। কিন্তু এই ক্ষেত্ৰত অৰ্থাৎ আশীৰ দশকৰপৰা তাৰ ৰূপ সৰল হ'বলৈ ধৰে। সেয়েহে সাম্প্ৰতিক কালৰ কবিসকলক দুটা দলত ভগাব পাৰি। প্ৰথম দলটোৱে পংগু ধনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন ঘটাই তাৰ পৰিৱৰ্তে নতুন সুস্থ সবল, শ্ৰেণীহীন সমাজৰ গঢ়িবলৈ চেষ্টা কৰে। এওঁলোক হ'ল আশাবাদী। এই দল জনতাৰ কবি, মাৰ্ক্সবাদৰ সমৰ্থক। ইয়াৰ ভিতৰত পৰে হেম বৰুৱা, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, বীৰেন্দ্ৰনাথ দত্ত, কেশৱ মহন্ত, হেমাংগ বিশ্বাস, চৈয়দ আব্দুল মালিক, অমলেন্দু গুহ, ৰবীন্দ্ৰ সৰকাৰ, ৰাম গগৈ আদি।

দ্বিতীয় দল হ'ল নিৰ্জনতাৰ কবি। এওঁলোকৰ ভিতৰত নৱকান্ত বৰুৱা, হৰি বৰকাকতি, অজিতমল্ল বৰুৱা, মহেন্দ্ৰ বৰা, বীৰেশ্বৰ বৰুৱা, নিৰ্মলপ্ৰভা বৰদলৈ, হোমেন বৰগোহাঞি, দিলীপ বৰুৱা, নলিনীধৰ ভট্টাচাৰ্য, দিনেশ গোস্বামী, মহিম বৰা, নীলমনি ফুকন, সুশীল শৰ্মা, ভবেন বৰুৱা, হীৰেন দত্ত আদি কবিসকল।

সাম্প্ৰতিক কবিসকলৰ ভিতৰত প্ৰথম দলৰ ভিতৰত প্ৰথমেই নাম ল'ব লাগিব হেম বৰুৱা। কাৰণ এওঁৰ কবিতাতেই প্ৰথম দেখা গ'ল প্ৰতীক আৰু চিত্ৰকল্পৰ আধুনিক প্ৰয়োগ। তেওঁৰ 'বালিচন্দা' (১৯৫৯) আৰু 'মন-ময়ূৰী (১৯৫৫) দুখন কবিতা পুথি। পিছত প্ৰকাশ পাইছিল হেম বৰুৱাৰ কবিতা। বালিচন্দাত জিলিকি উঠিছে সমাজ চেতনাৰ তীক্ষ্ণ ৰূপ আৰু ৰাজনৈতিক চিন্তাৰ প্ৰতিশ্ৰুতি আনহাতে 'মন-ময়ূৰী'ৰ কবিতাসমূহত আনুভূতিক জীৱনৰ স্পন্দন আৰু স্মৃতি ৰোমন্থনে কবিৰ কাব্যিক চিন্তাক আৱৰি আছে। তেওঁৰ কবিতাত লোক জীৱনৰ সুৰ বিয়পি আছে আৰু জন জীৱনৰ দুখ-বেদনা হুমুনিয়াহ প্ৰকাশ পাইছে। বৰুৱাৰ কবিতাৰ বিষয়বস্তু আছিল মানুহৰ জীৱন সংগ্ৰাম আৰু তাৰ সুৰঙাৱেদি উজলি উঠা আশাৰ ৰেঙনি। হেম বৰুৱাৰ কবিতাত ৰাজনৈতিক চেতনাস্ৰোত অতি প্ৰখৰ সেয়েহে বালিচন্দা কবিতাটিত কবিয়ে কৈছে—

> বুৰঞ্জীৰ মাৰলঘৰত তেজৰ নিচান
> আগন্তুক শ্বহীদৰ মৃত্যু কিম্বা নতুন
> পৃথিৱীৰ পণ। পুৰণিৰ কামিহাড়ত
> মামৰৰ ছটা। মেজিৰ নৃত্যৰতা
> জুই/জুইত হেনো তীখা জ্বলে ৰঙা হয়।

আনহাতে তেওঁৰ কবিতাত জল্‌জল্‌-পট্‌পট্‌কৈ পৰিস্ফুট হৈ আছে চিত্ৰকল্পৰ সমাহাৰ। তেওঁ কবিতাত প্ৰয়োগ হোৱা



চিত্ৰকল্পৰ সুন্দৰ প্ৰমাণ—

'প্ৰথম নিশাৰ অপৰিচিতা পত্নীৰ দৰে থৰে
থৰে পৃথিৱী কঁপিছে।'

এই দলৰ আন এজন কবি হ'ল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। ভট্টাচাৰ্যৰ কবিতাত থকা ছন্দৰ অনুৰণন মন কৰিবলগীয়া। তেওঁৰ কবিতাত সৰল আন্তৰিকতাৰ সুৰ এটিও প্ৰতিধ্বনিত হোৱা পৰিলক্ষিত হয়। কোলাহলপূৰ্ণ সমাজ জীৱনৰ প্ৰতি এক শুভ-চিন্তা-চেতনা জাগ্ৰত হোৱা দেখা যায় তেওঁৰ কবিতাত। এওঁৰ কাব্য সংকলখন হ'ল 'সান্ধ্যস্বৰ' (১৯৯০)। তেওঁৰ কবিতাসমূহৰ ভিতৰত সকলো জনতাৰেই প্ৰাণ চুই যাব পৰা প্ৰতিবাদী চিন্তাৰে উন্মুক্ত এটি কবিতা হ'ল 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি।' ভট্টাচাৰ্যৰ কবিতাত অন্তৰঙ্গ সুৰৰ দৰে বিয়পি আছে অশান্ত পৃথিৱীৰ নিদ্ৰাবিহীন জনতাৰ মনত আশা প্ৰদীপ জ্বলোৱাৰ দুৰ্বাৰ বাসনা।

'পৃথিৱীৰ এই মাটিৰ বুকুত যত কেৰেলুৱা আছে
সিহঁতৰ হ'ক পদলেহনৰ
শেষ'। (ক্ৰুছৰ বন্ধুলৈ)



ভট্টাচাৰ্যৰ কবিতাৰ প্ৰতি পাঠক মনত উদ্ভৱ হোৱা আকৰ্ষণৰ আন এটি কাৰণ হ'ল বলিষ্ঠ শব্দ আৰু সুস্পষ্ট উপস্থাপন শৈলী।

সাম্প্ৰতিক কবিতাৰ অগ্ৰগতিৰ পথত অৰিহণা যোগোৱা আন এজন কবি হ'ল হীৰেন্দ্ৰনাথ দত্ত। এওঁ কবিতা পুথি হ'ল 'সোমধিৰিৰ সোঁৱৰণি আৰু অন্যান্য কবিতা' (১৯৬২) আৰু 'মানুহ অনুকূলে' (২০০২)। তেওঁৰ কবিতাত বিশেষকৈ জীৱনৰ সোণালী সময়ৰ ৰোমন্থন আৰু তাৰ বিপৰীতে মূৰ তুলি থকা উচ্ছৃঙ্খল পৃথিৱীৰ প্ৰতি সচেতন মনোভাব দেখা যায়। আনহাতে বৌদ্ধিক চিন্তা-চেতনায়ো তেওঁৰ কবিতা অত্যন্ত উজ্জ্বল।

এই যুগৰ এজন গীতিকবি হ'ল কেশৱ মহন্ত। এওঁৰ কবিতা পুথিসমূহ হ'ল— 'পৃথিৱী', (১৯৪৬), 'আগন্তুক' (১৯৬৩), 'তোমাৰ তেজ' (১৯৮৪) আৰু 'মোৰ শুকান কলিজাৰ কুঁহিপাত' ২০০০)। তেওঁৰ কবিতাৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল ইংগিতময়তা, তীৰ্যক প্ৰকাশ কথিত ভাষাৰ ব্যৱহাৰ লোক কলা-কৃষ্টিসম্পন্ন বিষয়বস্তু গুণানুতীত চিত্ৰকল্পৰ সু-প্ৰয়োগ। এওঁৰ কবিতাৰ প্ৰধান সুৰ হৈছে সংগ্ৰামী শ্ৰমিক জীৱনৰ আৰ্তনাদ আৰু আৰ্থ-সামাজিক বৈষম্যৰ বিপৰীতে বলিষ্ঠ প্ৰতিবাদৰ ভাষা। তেওঁৰ এটি উল্লেখযোগ্য কবিতা 'আঘোণৰ কুঁৱলী'ত সাম্প্ৰতিক কবিতাৰ এটি বিশেষ লক্ষণ পৰিস্ফুট হোৱা দেখা গৈছে। কাৰণ গাঁৱলীয়া ডেকা-গাভৰুৰ প্ৰাণৰ নিৰ্মল বতৰা অতি সহজ-সৰল ভাষাত প্ৰকাশ কৰিছে। ইয়াকে কৰিবলৈ যাওঁতে কবিতাটিত কোৱা কথাতকৈ নোকোৱা কথাৰ স্পন্দনেহে বেছিকৈ অনুভূতিৰ সঞ্চাৰ কৰিছে। তেওঁৰ কবিতাৰ প্ৰকাশ পোৱা শ্ৰেণী বৈষম্যৰ জীয়া জুইকুৰা 'সোণজিৰা মাহীৰ নাড়ী' কবিতাটিত অতি মনোৰমভাৱে প্ৰকাশ পাইছে। 'আয়োজন শেষ' কবিতাটিৰ মাজেৰে কবিয়ে শুভ সমাজ গঢ়াৰ বাবে এটি আশা প্ৰকাশ কৰিছে। আনহাতে কবি মহন্তৰ কবিতাত দেখিবলৈ পাঁও জীৱন আৰু সময়ৰ মাজত এক নিঃসঙ্গ, নিৰাশ মুহূৰ্তক উপলব্ধি কৰাৰ তীব্ৰ চেতনা। য'ত তেওঁ অশান্ত অস্থিৰ সময়ৰ পৰা ফালৰি কাটি আহি শান্তি আৰু পোহৰ পথত অগ্ৰসৰ হ'ব বিচাৰিছে।

নতুন কবিতাৰ অগ্ৰগতিৰ পথত বাট বোলা আন এজন বিশিষ্ট কবি হ'ল হেমাংগ বিশ্বাস। এওঁৰ কবিতা পুথিখন হ'ল 'কুল খুৰাৰ চোতাল' (১৯৭০)। এওঁৰ কবিতাত মহাজন শ্ৰেণীৰ প্ৰতি ঘৃণা আৰু শ্ৰমজীৱী লোকৰ জীৱনৰ প্ৰতি গভীৰ শ্ৰদ্ধাশীল মনোভাব প্ৰকাশিত হোৱা লক্ষ্য কৰা যায়। সেয়েহে তেওঁ শোষণ-শাসনৰ বলি হোৱা সৰু মানুহৰ হৃদয়ৰ গভীৰ বেদনা অনুভৱ কৰি কয়—



'মই দেখি অহা অন্য এক যুগৰ বিস্ময়
গ্ৰেণাইট শিলৰ বুকু ফালি
শাল গছ জোপা।' (নাম তাৰ কমৰেড ৰত্নেশ্বৰ ৰাভা)

হেমাংগ বিশ্বাসৰ দৰে কৃষক শ্ৰমিকৰ প্ৰতি সহানুভূতি প্ৰদান আৰু অন্যায়ৰ প্ৰতি বিদ্ৰোহ আৰু ক্ষোভ প্ৰকাশে তেওঁৰ কবিতাক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। তেওঁৰ এনে অমোঘ মন্ত্ৰৰে উজ্জীৱিত কাব্যগ্ৰন্থ হ'ল 'অভিযান' (১৯৩৩)। এই কাব্যসংকলন তেওঁৰ প্ৰগতিশীল কাব্য সাহিত্যলৈ অনবদ্য অৱদান। তেওঁৰ 'কাঠমিস্ত্ৰীৰ ঘৰ' নামৰ কবিতাটিত প্ৰকাশ পাইছে শোষিত জনতাৰ প্ৰতি কৰুণ সঁহাৰিৰ আহ্বান—

'উঠা মিস্ত্ৰী, কঁহাৰ কমাৰ
আন্ধাৰৰ শেষ আহিল
তোমাৰ লোৱা অধিকাৰ নিজ বলে
নিজে কৰা কৰ্মৰ
কাঠ মিস্ত্ৰীৰ ঘৰ।'

সাম্প্ৰতিক কবিসকলৰ লগত খুউব কম কবিতা ৰচনাৰে যোগ দিয়া এজন কবি হ'ল চৈয়দ আব্দুল মালিক। তেওঁ যি

অলপ কবিতা ৰচনা কৰিছে তাৰ মাজতেই বিচাৰি পোৱা যায় মন-মুহিব পৰা শক্তি। এওঁৰ কবিতাত বিশেষকৈ মধ্যবিত্ত লোকজীৱনৰ ছবি পৰিস্ফুট হোৱা দেখা যায়।

আনহাতে বামপন্থী চিন্তাধাৰাৰে কবিতা লিখা আন এজন কবি হ'ল অমলেন্দু গুহ। এওঁৰ কবিতাত পোৱা যায় শ্ৰমিক শ্ৰেণীৰ দুখ-সুখৰ সমভাগী হোৱা মানসিকতা। গুহ ডাঙৰীয়াৰ কবিতাত অতীত স্পৃহা, প্ৰকৃতি প্ৰীতি, স্বদেশৰ প্ৰতি মমতাৰ ভাবো প্ৰকট হৈ উঠিছে। 'বাগিচাত দেওবাৰ' তেওঁৰ এটি উল্লেখযোগ্য কবিতা। এওঁৰ কবিতাই শ্ৰেণী বৈষম্যই ব্যতিব্যস্ত কৰাজনক উদ্দেশ্যে কবি কৈ উঠে—



'বিৰাট এই দুনীয়াখনে
নিদিলে হায় অকণি ঠাই।
কলা পিছৰ মৰম গলে
পাষাণ হিয়া ৰাজআলিত,
তথাপি এই মুক্ত দেশত আমাৰ বাবে হৃদয় নাই।
(ভগনীয়াৰ প্ৰাৰ্থনা)

সাম্প্ৰতিক বা নতুন কবিতাৰ প্ৰগতিৰ পথত অনবদ্য সংযোগ স্থাপন কৰা কবিজন হ'ল ৰাম গগৈ। এওঁ কবিতা পুথিসমূহ হ'ল— 'মাটিৰ স্বপ্ন' (১৯৬৩), 'হে পৃথিৱী অন্তৰত্মা' (১৯৮৬) আৰু 'কোমল গান্ধাৰ' (১৯৯৪)। এওঁ আছিল জনতাৰ কবি। কবি ৰাম গগৈৰ কবিতাত সামাজিক চেতনাবোধ আৰু বাস্তৱবোধৰ সংযোগ অতি সুন্দৰ। তদুপৰি সৰু মানুহৰ জীৱনৰ প্ৰতি আছে অকৃত্ৰিম সহানুভূতি। সামাজিক বৈষম্যৰ প্ৰতি ঘৃণা আৰু নগৰীয়া সভ্যতাৰ তথা ধনতান্ত্ৰিক ব্যৱস্থাৰ ৰুষ্ট মানসিকতা। এওঁ এনে প্ৰতিবাদী দুটা উত্তম কবিতা হ'ল 'এটম বোমা' আৰু 'পথাৰ'। ইয়াৰোপৰি তেওঁৰ মাজত এজন ৰোমাণ্টিক ভাবাপন্ন নিঃসঙ্গ মানুহৰ পৰিচয় পোৱা যায়। 'মই পৃথিৱীৰ কবি', 'মোৰ অনুভৱৰ মাজত' আদি কবিতাবোৰৰ মাজত তেওঁৰ এই মানুহজনৰ পৰিচয় জল্‌জল্-পট্‌পট্ —

'মোৰ অনুভৱৰ মাজত
তুমি
এগছি সান্ধ্য প্ৰদীপ
জ্বলি আছা মোৰ
মনৰ গহনত
আলোকিত কৰি মোৰ হৃদয়
কি মধুৰ সেই দুখৰ জ্বালা
কি আশ্চৰ্য উত্তাপ।' (মোৰ অনুভৱৰ মাজত)

নতুন কবিতা বা সাম্প্ৰতিক কবিতাৰ বিকাশৰ পথত অৰিহণা যোগোৱা দ্বিতীয় দল কবি হ'ল নিৰ্জনতাৰ কবি। এওঁলোকে জনসাধাৰণৰ ভাৱ-অনুভূতিক অৱহেলা নকৰে কিন্তু এওঁলোকে ব্যক্তিসত্তাৰ গভীৰ দিশটোৰ ওপৰত বেছিকৈ গুৰুত্ব আৰোপ কৰে। কাৰণ সামাজিক সত্তাৰে জীপাল হৈয়ো এই চাম কবিয়ে সমাজৰপৰা নিলগত থকা নিৰ্জনতাক ভাল পায় আৰু একান্ত প্ৰেমানুভূতিৰে অন্তৰ সিক্ত কৰি ভাল পায়। সেয়েহে এই সকল কবিৰ কবিতাত নতুন নতুন প্ৰতীক, চিত্ৰকল্প, কাব্যিক সুষমা, উপমা, সুৰৰ লালিত্য ভিন্ন ৰূপত প্ৰকাশ পোৱা দেখা যায়।



পৰিৱৰ্তন আৰু পৰিবৰ্ধনেই নতুনত্ব প্ৰদান কৰে। সম্প্ৰতিক কবিতাৰ গতিপথ অতি তীব্ৰতৰ কৰি তোলা দ্বিতীয় চাম কবিৰ ভিতৰত প্ৰথমেই নাম ল'ব লাগিব। নৱকান্ত বৰুৱাৰ। সাম্প্ৰতিক বা নতুন কবিসকলৰ ভিতৰত আটাইতকৈ সফল কবিগৰাকীয়েই হ'ল নৱকান্ত বৰুৱা। এওঁ চল্লিশৰ দশকত নিজৰ কবিতা সম্পৰ্কে 'ময়োতো লিখিছোঁ অসুস্থ অস্তিত্বৰ অনুভূতি সানিছোঁ জীৱনত যাৰ কোনো পৰিচয়েই নাই' এই বুলি দ্বিধাবোধ কৰা এই কবিগৰাকীয়ে কৈছিল 'জীৱন কৰিব খুজি কবিতাৰ দৰে প্ৰহসন কৰি মই কবিতা লেখিছোঁ' অৰ্থাৎ জীৱনক কবিতাৰ দৰে কৰিব খোজা কবি নৱকান্ত বৰুৱাই বয়সৰ বিভিন্ন স্তৰত কবিতাক বিভিন্ন ধৰণে অনুভৱ কৰিছিল। জীৱনক আদৰি লোৱাৰ দৰ্শনেই হ'ল বৰুৱাৰ কবিতাৰ ঘাই বিষয়বস্তু। জীৱনক কবিতা কৰিব খোজা এইগৰাকী কবিৰ কবিতা পুথিসমূহ হ'ল 'হে অৰণ্য, হে মহানগৰ' (১৯৫১), 'এটি দুটি এঘাৰটি তৰা' (১৯৫৭), 'যতি আৰু কেইটামান স্কেচ্‌ছ' (১৯৬০), 'এখন স্বচ্ছ মুখাৰে' (১৯৬০), 'সম্ৰাট' (১৯৬২), 'ৰাৱণ' (১৯৬৩), 'মোৰ আৰু পৃথিৱীৰ' (১৯৭৩), 'ৰত্নাকৰ' (১৯৮৬), 'দলঙৰ তামীঘৰ (১৯৯১) বৰুৱাই একেধাৰে বাঁহী, জয়ন্তী, ৰামধেনু, মনিদীপা, গৰীয়সী আদি আলোচনীত কবিতা প্ৰকাশ কৰিছিল। এনে অধ্যৱসায় কাব্য-সাধনাৰ ফলস্বৰূপেই তেওঁ 'মোৰ আৰু পৃথিৱীৰ' কাব্যগ্ৰন্থৰ বাবে অসম প্ৰকাশন পৰিষদ বঁটা (১৯৭৪) লাভ কৰিছিল। তেওঁৰ কবিতাত পোৱা যায়, চিৰন্তন মানৱীয় অনুভূতিৰ সত্যতা, সমকালীন চিন্তাৰ বিশালতা। তদুপৰি নগৰীয়া জীৱনৰ ক্লান্তি, নিঃসংগতা জীৱনৰ সৌন্দৰ্যবোধ, ভিন্ন







প্ৰেমৰ স্বৰূপ, মৃত্যুৰ যন্ত্ৰণা, আৰু প্ৰতীক চিত্ৰকল্পৰ প্ৰয়োগ তেওঁৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। কবি বৰুৱাৰ ১১৩টা কবিতাৰ সমষ্টি হ'ল 'মোৰ আৰু পৃথিৱী'। এই কাব্য সংকলনখনিৰ কবিতাসমূহত কবিৰ আধুনিক মন আৰু সমকালৰ সচেতন চিন্তা, অতীতৰ প্ৰতি শ্ৰদ্ধাৰ মনোভাব পৰিলক্ষিত হয়। বৰুৱাৰ প্ৰথম কবিতা পুথি 'হে অৰণ্য হে মহানগৰ' কবিতাসমূহ কবিৰ তীব্ৰ সম-সাময়িক সামাজিক চেতনাৰে পুষ্ট। তেওঁ সম্ৰাট কবিতাত প্ৰাচীনতাৰ ভিত্তিত অতীত বৰ্তমানৰ সংযোগ স্থাপন কৰিছে। কাৰণ মহাভাৰতৰ চৰিত্ৰ ধৃতৰাষ্ট্ৰক তেওঁ আধুনিক ৰাষ্ট্ৰৰ প্ৰতীক হিচাপে দাঙি ধৰিছে। 'ৰাৱণ' কবিতাত কবিয়ে শক্তিশালী ৰাৱণৰ। যোগেদি প্ৰেমৰ মহত্ত্ব প্ৰকাশ কৰাৰ লগতে ৰামায়ণৰ নাৰী ধৰ্মক উজলাই তুলিছে। আনহাতে তেওঁৰ 'ইয়াত নদী আছিল' কবিতাটিৰ মাজেৰে প্ৰাণ চঞ্চল অথচ সুস্থ সভ্যতাৰ প্ৰতীক স্বৰূপে নদীক অংকন কৰিছে। কবি বৰুৱাই বিংশ শতিকাৰ কৃত্ৰিম জীৱনক অৱহেলা কৰিছে আনহাতে টি এছ. এলিয়টৰ দ্বাৰা প্ৰভাৱপুষ্ট হৈ তেওঁ মৰুভূমিৰ শূন্যতাক আঁকোৱালি লোৱা নাই। 'পলস' কবিতাটিৰ মাজেৰে উজলি উঠিছে ভৱিষ্যৎ প্ৰজন্মৰ বাবে আশাৰ ৰেঙনি। কাৰণ হেৰাই যাবলৈ ধৰা মোহময়ী প্ৰাকৃতিক শক্তি আৰু গভীৰ দুখবোধৰ মাজতো জিলিকি উঠিছে আশাৰ বন্তি। কবি বৰুৱাৰ কাব্যত অন্যান্য দিশবোৰে যি দৰে আধুনিক কবিতাৰ লক্ষণ বহন কৰিছে। ঠিক সেইদৰে আধুনিক বা সাম্প্ৰতিক প্ৰেমৰ স্বৰূপ প্ৰকাশ কৰিবলৈ বিচাৰি কবিয়ে 'ৰাৱণ' নামৰ কবিতাটিত লিখিছে—

'প্ৰেমতো নহয় দেহ, নহয় আত্মাৰ নিচুকনি,
দেহৰ সীমাৰে পোৱা অবাধ আকাশ চেতনাৰ
অনন্ত আকাশ আহি কোঁচ খাই ধৰা এটি দেহ।'

তেওঁৰ কবিতাত প্ৰকাশ পোৱা প্ৰতীকধৰ্মিতাৰ এটি উদাহৰণ হ'ল—

'লাইলাক আৰু জিনিয়াৰ পাহিবোৰ
এচকিমো ছোৱালীৰ কোমল বুকুৰ
নোমাল কাঁচলিৰ দৰে।

এনেদৰে বৰুৱাই নব্য ধ্যান-ধাৰণাৰে লিখা কবিতাসমূহৰ মূলতে আছিল এফালে ৰবীন্দ্ৰনাথ, এলিয়ট, হুইটমেন, মায়াভস্কি; আনফালে তেওঁৰ আৱেগৰ জগতত জীৱনানন্দ আৰু খলিল জিব্ৰানৰ অনুপ্ৰেৰণা। কিন্তু এই দুই প্ৰভাৱৰ দ্বাৰা তেওঁ মন-মগজুসিক্ত হ'লেও সেইবোৰৰ মাজত আছিল নিজস্ব মহিমা।

সাম্প্ৰতিক কালৰ এজন অতি আগশাৰী কবি হ'ল হৰি বৰকাকতি। এওঁৰ সাম্প্ৰতিক কবিতালৈ উল্লেখনীয় সংযোজন হ'ল 'কোনোবা শীতৰ এটি .... সন্ধিয়াত' (১৯৭০), 'হৰি বৰকাকতিৰ কবিতা' (১৯৭৮), 'সাগৰ তলিৰ খোজ' (১৯৮১), 'মন কাগজৰ নাও', (১৯৮২, 'চিনাকি চিনাকি গোন্ধ' (১৯৯৪), 'ছিলেকটেড পয়েমছ' (১৯৯৪)। এওঁৰ কবিতাৰ অন্যতম বৈশিষ্ট্য হ'ল ঐন্দ্ৰজালিক আৱৰণ। অৰ্থাৎ কবিৰ নিৰ্জনতাৰ প্ৰতি থকা কোমল অনুভূতি, আপোন-মনৰ বাস্তৱ হেঁপাহ আৰু প্ৰাণৰ আকৃতি আৰু ভাৰতীয় পৰম্পৰাৰ ওপৰত আস্থা আদিবোৰে তেওঁৰ কবিতাত এক কুঁৱলীময় পৰিৱেশৰ সৃষ্টি কৰিছে। এইগৰাকী কবিৰ কবিতাটো লক্ষ্য কৰা যায় আধুনিক চিত্ৰকল্পৰ প্ৰয়োগ। তেওঁৰ তেনে এটি কবিতা হ'ল 'প্ৰিয়াৰ চিঠি'। কবিতাটিত কবিয়ে কৈছে—

'জীৱন সাঁকোতে কেৱেনো নাৰিকে মুকুতা বিচাৰি পাই। চমকি থমকি ৰ'ল/কোনো নাই নাই/সাৰে আছে মাথোঁ/হেজাৰ প্ৰিয়াৰ চকুৰ লোতক গোট মাৰি হোৱা আকাশৰ চেঁচা জোন।... কত বাটৰুৱা এই বাটে গ'ল/কতবোৰ আহি পঁজা সাজি ৰ'ল, তোমাৰ মৰমী ছাঁত/সীমা জানো আছে তাৰ?/চাকিৰ শিখাত জানো চগাৰ হিচাপ লিখা থাকে?'

এই দলৰ আন এজন বিশিষ্ট কবি হ'ল অজিৎ বৰুৱা। সুৰভি, জয়ন্তী, ৰামধেনু আদি কাকতৰ পাতত কাব্য সাহিত্যৰ চৰ্চাৰ যোগেদি সাম্প্ৰতিক অসমীয়া কবিতাৰ ধাৰাটিত অৰিহণা যোগায়। বৰুৱা আছিল মননশীল কবি। তেওঁৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য হৈছে ইংগিতময়তা। এওঁ কবিতাৰ ঐতিহ্য, প্ৰভাৱ আৰু বহু বিদেশী কবিৰ কাব্যসমূহ অনুবাদৰ জৰিয়তে অসমীয়া কবিতালৈ নতুন প্ৰবাহ বোৱাই আনে। তেওঁৰ কবিতা পুথিসমূহ হ'ল 'কিছুমান পদ্য আৰু গান' (১৯৮২), 'ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য' (১৯৮৯)। এওঁৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য হ'ল প্ৰতীকী ভাষাৰ ব্যঞ্জনা, অৰ্থঘনত্ব আৰু ইংগিতময় বাক্যৰীতি। এওঁৰ কবিতাত জটিল চিন্তা আৰু অনুভৱ বিদ্যমান। তেওঁৰ দুটি উল্লেখযোগ্য কবিতা হ'ল 'মন কুঁৱলী সময়' আৰু 'জেংৰাই'।

এই যুগৰ আন এজন কবি হ'ল মহেন্দ্ৰ বৰা। সাম্প্ৰতিক কবিতাক প্ৰতিষ্ঠা কৰোঁতাসকলৰ ভিতৰত এওঁ আছিল অগ্ৰণী।

এওঁৰ কবিতা পুথিসমূহ হ'ল 'জাতিস্মৰ' (১৯৬১), 'এই নদীয়েদি' (১৯৭০), 'ৰূপৰ টিলিঙাৰ মাত' (১৯৮১), 'আলি দোমোজাৰ ক্ৰুছৰ পৰা' (১৯৮৭), 'নীলা ধুতুৰাৰ ফুল' (১৯৮৭) আৰু 'জীৱন এক আস্তাবল' (১৯৯৫)। মহেন্দ্ৰ বৰা আছিল এজন সংবেদনাশীল কবি। সাম্প্ৰতিক অসমীয়া কবিতাৰ যিকেইটা লক্ষণ দেখা যায় তাৰ ভিতৰত অন্যতম ভাৰতীয় পৰম্পৰাবাদী দৰ্শনত আস্থাই আছিল তেওঁ কবিতাৰ অন্যতম উদ্দেশ্য। তেওঁৰ আধুনিক কবিতালৈ অনন্য বৰঙণি হ'ল 'কেৰাণী শ্যেলীৰ চিঠি' আৰু 'কপৌ আৰু শগুণ' শীৰ্ষক কবিতা দুটি।

আনহাতে এই যুগতে বীৰেশ্বৰ বৰুৱা, হোমেন বৰগোহাঞি, প্ৰফুল্ল ভূঞা, দিনেশ গোস্বামী আদি ভালেকেইবাগৰাকী প্ৰতিভাসম্পন্ন কবিয়ে কাব্য ৰচনা কৰি আধুনিক বা সাম্প্ৰতিক কবিতাৰ ধাৰাটো অধিক সুদৃঢ় কৰি তোলে। বীৰেশ্বৰ বৰুৱাৰ 'লিলিৰ আবেলি' এটি উল্লেখযোগ্য কবিতা। আনহাতে ফৰাচী কবি বদলেয়াৰৰ কাব্য দৰ্শনৰ দ্বাৰা প্ৰভাৱান্বিত কবি হোমেন বৰগোহাঞিৰ একমাত্ৰ কাব্য সংকলন 'হেমন্তী' আধুনিক বা নতুন কবিতাৰ জগতত লেখত ল'বলগীয়া কথা। তেওঁৰ সাপ আদি কবিতাত প্ৰতিধ্বনিত হৈছে মানুহৰ মনৰ গভীৰ কোণত অদমনীয় কামনা-বাসনা। কবি দিনেশ গোস্বামী আছিল চিত্ৰকল্পবাদী কবি। যাৰ সমস্ত জীৱন জিজ্ঞাসাত বদলেয়াৰ চিত্ৰকল্পৰ জগতখন সোমাই আছে। তেওঁৰ 'সময় সেতু পথ' কাব্যগ্ৰন্থখনিৰ কবিতাসমূহত পোৱা গৈছে বুদ্ধিনিষ্ঠ প্ৰতীকধৰ্মী মনোভাব মানস চিত্ৰবাদৰ অভিব্যঞ্জনা। সেয়েহে তেওঁৰ কবিতাৰ মাজত দেখা গৈছে এই ত্ৰিভাৱৰ সমাৱেশ—

'তুমি মোৰ আকাশত জ্বলি আছা
আন্ধাৰত লেম্প পষ্টটোৰ দৰে।'







আনহাতে নিৰ্মলপ্ৰভা বৰদলৈ, নলিনীধৰ ভট্টাচাৰ্য, মহিম বৰা, নীলমনি ফুকন আদিয়েও সাম্প্ৰতিক কবিতাৰ পথ প্ৰশস্ত কৰিছে। নিৰ্মলপ্ৰভা বৰদলৈৰ 'বন ফৰিঙৰ ৰং' (১৯৬৭), 'দিনৰ পিছত দিন' (১৯৭৭), 'সমীপেষু' (১৯৭৭), 'অন্তৰঙ্গ' (১৯৭৮), আৰু 'সুদীৰ্ঘ দিন আৰু ঋতু' (১৯৮৩), আদি কাব্যগ্ৰন্থই নতুন কবিতাৰ বিকাশৰ ধাৰাটো অব্যাহত ৰাখিছে। আনফালে নলিনীধৰ ভট্টাচাৰ্যৰ 'এই কুঁৱলীতে' (১৯৭৯), 'চেৰাশালিৰ মালিতা' (১৯৮২), 'আহত সপোন' (১৯৮৩) আৰু 'ননী আছানে ঘৰত' উল্লেখযোগ্য কাব্যগ্ৰন্থ। তেওঁৰ কবিতাত লক্ষ্য কৰা যায় জীৱনৰ প্ৰতি গভীৰ প্ৰীতি আৰু তাৰ ধীৰ-স্থিৰ সুৰ। মহিম বৰাৰ একমাত্ৰ কাব্যসংকলন 'ৰঙাজিঁয়া' (১৯৭৮)। এই কবিতাসমূহত আছে প্ৰকৃতিৰ সৰল ৰূপৰ বৰ্ণনা, জন্ম-মৃত্যুৰ ৰহস্য আৰু সংশয়ৰ দোমোজাৰ পৰিস্থিতি কৌতূহলপূৰ্ণ মাদকতা।

আধুনিক কালৰ এজন জনপ্ৰিয় কবি হ'ল নীলমনি ফুকন। তেওঁ প্ৰকাশ ভংগীৰ বিচিত্ৰতা, আনুভূতিক উপলব্ধি নিজা বৈশিষ্ট্যৰে ভাৱ-ভাষাৰ মাধ্যমেৰে নতুন কবিতাৰ এক উন্নত মাধ্যমৰ অৱতাৰণা কৰিলে। এওঁ জাপানী হাইকু কবিতাৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। এওঁৰ কবিতা পুথিসমূহ হ'ল— 'সূৰ্য হেনো নামি আহে এই নদীয়েদি' (১৯৬৩), 'নিৰ্জনতাৰ শব্দ' (১৯৬৫), 'আৰু কি নৈ শব্দ' (১৯৬৮), 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে' (১৯৭১), 'কঁইট, গোলাপ আৰু কঁইট' (১৯৭৫), 'গোলাপী জামুৰ লগ্ন' (১৯৭৫), 'কবিতা' (১৯৭৮), 'নৃত্যৰতা পৃথিৱী' (১৯৮৫) আৰু 'সাগৰ তলিৰ শঙ্খ' (১৯৯৪)। তেওঁৰ কবিতাসমূহৰ মাজত দেখা যায় বুদ্ধিদীপ্ত প্ৰকাশভঙ্গী, প্ৰতীকী শব্দৰ সঘন প্ৰয়োগ, নিঃসঙ্গ কিন্তু ৰোমাণ্টিক ব্যাকুলতা, ইতিহাস, চেতনা, সমাজ চেতনা আৰু আদৰ্শৰ বীজ। ক'ব পাৰি কবি নীলিমনি ফুকনে আধুনিক বা সাম্প্ৰতিক কবিতাৰ জগতলৈ এক বহুমূলীয়া অৱদান দি থৈছে।

এই সময়ৰ আন কেইজনমান উল্লেখযোগ্য কবি হ'ল হীৰেন ভট্টাচাৰ্য, হৰেকৃষ্ণ ডেকা, অমূল্য বৰুৱা, হীৰেন দত্ত, ভবেন বৰুৱা, সুশীল শৰ্মা, সমীৰ তাঁতী, কবীন ফুকন, নীলিম কুমাৰ আদি।

সাম্প্ৰতিক কবিতাৰ অগ্ৰগতিৰ পথত যুগমীয়া অৰিহণা আগবঢ়োৱা কবিসকলৰ কবিতাত লক্ষ্য কৰা যায় প্ৰতীকৰ প্ৰতিধ্বনি মানস চিত্ৰৰ বৈচিত্ৰ্য, ছন্দৰ কুশলতা, আংগিকৰ অভিনৱত্ব নতুন শব্দচয়ন আদি। উক্ত বৈশিষ্ট্যসমূহেৰে উদীপ্ত হৈ উঠি কবিতাই পুৰণি ৰোমাণ্টিক কবিতাৰ ধাৰাটো পৰিহাৰ কৰিছে। অৱশ্যে বৰ্তমানেও সাম্প্ৰতিক কবিতাই অগ্ৰগতিৰ পথতেই বাট বুলি আছে। এই ক্ষেত্ৰত উল্লেখযোগ্যভাৱে অৰিহণা আগবঢ়োৱা কবিসকল আৰু

তেওঁলোকৰ সম্প্ৰতি প্ৰকাশ পোৱা কবিতা সংকলনসমূহ হ'ল— আব্দুছ ছাত্তাৰৰ 'হিয়াৰ বীণ' (১৯৪২), 'কবৰ' (১৯৪২), 'সৰগ' (১৯৪৩), 'নতুন সুৰ' (১৯৪৫); অভিৰাম ভুঞাৰ 'কলিয়াবৰ' (১৯২৯), 'অঞ্জলি' (১৯৬৯); কুমাৰ কিশোৰৰ 'স্মৃতিৰ দান' (১৯৪৫); অৱনীন্দ্ৰ বৰাৰ 'ধূলি' (১৯৫৪); বীৰেন বৰকটকীৰ 'মন্বন্তৰ' (১৯৫৯); আৰু 'চিনাকি পৃথিৱী' (১৯৮৬); হীৰেন ভট্টাচাৰ্যৰ 'ৰৌদ্ৰ কামনা' (১৯৬৪); 'মোৰ প্ৰেমৰ কবিতা' (১৯৬৯), 'তোমাৰ বস্তি' (১৯৭০), 'কবিতাৰ ৰ'দ' (১৯৭৬), 'তোমাৰ গান' (১৯৭৬), 'মোৰ দেশ মোৰ প্ৰেমৰ কবিতা' (১৯৭২), 'বিভিন্ন দিনৰ কবিতা' (১৯৭৪), 'সুগন্ধি পখিলা' (১৯৮৪); ভবেন বৰুৱাৰ 'সোণালী জাহাজ' (১৯৭৭); হৰেকৃষ্ণ ডেকাৰ 'স্বৰবোৰ' (১৯৭৩); মহেশ্বৰ নেওগৰ 'মুছাফিৰ খানা' (১৯৭৪), 'সঞ্চাৰিণী দীপশিখা' (১৯৭৮), 'ৰক্তকমল' (১৯৮৩) আৰু 'লাজৱন্তী' (১৯৮৮); ভবানন্দ দত্তৰ 'ৰাজপথ'; অমূল্য বৰুৱাৰ 'অচিনা' (বেশ্যা, কুকুৰ, কয়লা কবিতা); জ্ঞানানন্দ শৰ্মা পাঠকৰ 'প্ৰিয়ংবদা (১৯৯০), 'বসন্তসেনা' (১৯৯২), 'বসুন্ধৰা' (১৯৯৩), 'দেৱযানী (১৯৯৪), 'অনামিকা' (১৯৯৫), 'মোক লাগে তোমাক হেৰা বসুন্ধৰা' (১৯৯৬), 'মোৰ প্ৰেমৰ কবিতা আৰু' (২০০৩); মনিক গগৈৰ 'আকাশৰ চিঠি' (১৯৫৮); কবীন ফুকনৰ 'এনেকৈয়ে দিন এনেকৈয়ে ৰাতি (১৯৯১), 'কোনে কয় নুপুৰায় আঁউসীৰ ৰাতি' (১৯৯২), আৰু 'তোক দেখি ন জোনে' (১৯৯৩); সনন্ত তাঁতীৰ 'উজ্জ্বল নক্ষত্ৰৰ সন্ধানত' (১৯৮০), 'মই মানুহৰ অমল উৎসৱ' (১৯৮৫), 'নিজৰ বিৰুদ্ধে শেষ প্ৰস্তাৱ' (১৯৯০), 'মৃত্যুৰ আগৰ ষ্টপেজত' (১৯৯৬), 'টোপনিতে কেতিয়াবা বাৰিষা আহে' (১৯৯৭); কৰবী ডেকা হাজৰিকাৰ 'সুবাসিত যি যন্ত্ৰণা' (১৯৮০), 'মাটিৰপৰা মেঘলৈ' (১৯৯২) 'চুলি নাবান্ধিবা যাজ্ঞসেনী' (২০০০); ৰফিকুল হুছেইনৰ 'শৰবিদ্ধ আকাশ' (১৯৮৪); সমীৰ তাঁতীৰ 'যুদ্ধভূমিৰ কবিতা' (১৯৮৫), 'শোকাকুল উপত্যকা' (১৯৯০), 'সেউজীয়া উৎসৱ' (১৯৯৪); কৌস্তভমণি শইকীয়াৰ 'অন্তৰংগ স্তৱক, বদনামী চহৰত এভুমুকি' (১৯৯৫); অনুভৱ তুলসীৰ 'নাজ্‌মা' (১৯৮৫) 'দোৰণ ফুল' (১৯৯৫), 'জলমগ্ন দৃশ্যাৱলী' (১৯৯৬), 'কাব্যপাঠ' (১৯৯৮) আদি। অনুপমা বসুমতাৰীৰ 'ৰূপালী ৰাতিৰ ঘাট' (১৯৯৪), 'অনুভূতিৰ বিষণ্ণ প্ৰান্তৰ' (১৯৯৯) 'দুখ আৰু প্ৰেমৰ মোহনাত' (২০০১), আৰু 'জাকাৰান্দা সৰা এক ৰাতি' (২০০৩); নীলিম কুমাৰৰ 'আচিনাৰ অসুখ' (১৯৮৫), 'বাৰী কোঁৱৰ' (১৯৮৮), 'পানীত ঢৌ ঢউবোৰ মাছ' (১৯৯৬), 'স্বপ্নৰ ৰে'লগাড়ী' (১৯৯২), 'শেলুবৈ গধূলি' (১৯৯৩), 'টোপনিৰ বাগিচা' (১৯৯৬), 'ধুনীয়া তিৰোতাবোৰ' (২০০০), 'কাইলৈৰ পৰা আপোনাক ভাল পাম' (২০০১), 'নীলিম কুমাৰৰ প্ৰেমৰ কবিতা' (২০০১) আৰু 'মই তোমালোকৰ কবি' (২০০১); অৰ্চনা পূজাৰীৰ 'উপলব্ধিৰ অভিধান' (১৯৯০), 'জোনাকত জিলীৰ মাত' (১৯৯৬), 'পানীপতাৰ পানীত কাগজৰ নাও' (১৯৯৬), 'পিৰালী কুঁৱৰী' (২০০২); লুট্‌ফা হানুম চেলিমা বেগমৰ 'অথন্তৰ ঘটিছে' (১৯৮৪), 'সেউজীয়া বাট এটা বিচাৰিছে সৰাপাতবোৰে' (১৯৯৩) আৰু 'হে বিৰ্‌কমাই বুকু ফালি চোৱাহি মোৰ' (২০০৩) আদি এই কবিতা পুথিসমূহে সাম্প্ৰতিক কালৰ অসমীয়া কবিতাৰ গতিধাৰাত বিশেষভাৱে সহায় কৰিছে। সেয়েহে এইসমূহ কবিতা পুথিৰ আলোচনা বাদ দিলে সাম্প্ৰতিক অসমীয়া কবিতাৰ গতিধাৰাই অসম্পূৰ্ণ হৈ ৰ'ব। অৱশ্যে এটা সুখৰ কথা যে উক্ত কবিসকলৰ বহুকেইজন নিজৰ কবিতাৰ উপৰি ৰুছ, জাৰ্মান, চীন, পাৰস্যা আদি দেশৰ কবিতা অসমীয়ালৈ ৰূপান্তৰ কৰি বিদেশী কাব্য সাহিত্যৰ লগত অসমীয়া পাঠকসকলক চিনাকি কৰাই দিবলৈ সক্ষম হৈছে। কিন্তু সেয়ে হ'লেও সাম্প্ৰতিক কবিতাই এতিয়া জটিলতাৰ মেৰপাকৰ পৰা মুক্ত হৈ সম্পূৰ্ণভাৱে স্বকীয়তা লাভ কৰিব পৰা নাই। তৎসত্ত্বেও সাম্প্ৰতিক কবিতাই বৰ্তমানে অসমীয়া কাব্য সাহিত্যত বিশেষভাৱে পাঠক সমাজক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

**সহায়ক গ্ৰন্থপঞ্জী**


শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, সৌমাৰ প্ৰকাশ, ৰিহাবাৰী, গুৱাহাটী, নৱম সংস্কৰণ, ২০০৬, জুন

পূজাৰী, ড° অৰ্চনা (সম্পা.), *অসমীয়া কবিতাৰ বিচাৰ বিশ্লেষণ*, জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ২০০০

বৰা, মহেন্দ্ৰ (সম্পা.), *নতুন কবিতা*, বনলতা, গুৱাহাটী, ডিচেম্বৰ, ১৯৯৭

বৰুৱা, ড° লোপা, *আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প*, পূৰ্বাঞ্চল প্ৰকাশ, গোপীনাথ বৰদলৈ পথ, আমবাৰী-১

ডেকা হাজৰিকা, কৰবী, *অসমীয়া কবি আৰু কবিতা*, বনলতা, গুৱাহাটী, ২০০৪

শৰ্মা, হেমন্ত কুমাৰ, *অসমীয়া সাহিত্যত দৃষ্টিপাত*, বীণা লাইব্ৰেৰী, গুৱাহাটী, একাদশ সংস্কৰণ, আগষ্ট ২০০৭

ফুকন, তীৰ্থ (সম্পা.), *নৰকান্ত বৰুৱাৰ কবিতাৱলী*, শ্ৰীজ্যোতিপদ দেৱচৌধুৰী, নতুন অসম, বামুণীমৈদাম, গুৱাহাটী, ১৯৯৮

# নাৰী সবলীকৰণ

**মনস্বিতা গগৈ**
*অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ*



নাৰী সবলীকৰণ— বৰ্তমান সমাজত বহুলভাৱে চৰ্চিত এটি বিষয়। পুৰুষ-নাৰীৰ সম অধিকাৰ, নাৰীক শোষণমুক্ত কৰা, শিক্ষাৰ পোহৰেৰে নাৰীক আলোকিত কৰা তথা আৰ্থিকভাৱে নাৰীক স্বাৱলম্বী কৰাৰ দাবী তথা প্ৰচেষ্টাসমূহে বৰ্তমানৰ ৰাজনীতি আৰু সমাজনীতিত গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে।

সৃষ্টিৰ মূলতে আছে পুৰুষ আৰু প্ৰকৃতি। লোকবিশ্বাস অনুসৰি আদিপুৰুষ আদম আৰু আদিনাৰী ইভৰ মিলনৰ ফলতেই মানৱ সমাজৰ জন্ম হৈছে। প্ৰথমাৱস্থাত মানুহে অঘৰী জীৱন-যাপন কৰিছিল। ক্ষুধা নিবাৰণৰ বাবে চিকাৰ কৰিছিল, ফল-মূল, গছৰ পাত আদি খাইছিল। স্বভাৱগতভাৱে মানুহ সমাজপ্ৰিয়। সেয়ে তেওঁলোক সৰু সৰু গোটত বিভক্ত হৈ খাদ্যৰ সন্ধানত ঘূৰি ফুৰিছিল। নাৰীতকৈ পুৰুষৰ বল-শক্তি বেছি থকাৰ বাবে তেওঁলোকে নাৰীৰ ৰক্ষকৰ ভূমিকা গ্ৰহণ কৰিছিল। লাহে লাহে মানুহে খেতি কৰিবলৈ, গাঁও পাতি বাস কৰিবলৈ ধৰিলে। পুৰুষ-নাৰী আৰু তেওঁলোকৰ সন্তানসকলক লৈ একোখন ঘৰ পাতিলে। নাৰীয়ে সন্তানৰ লালন-পালন তথা ঘৰৰ যাৱতীয় কাম-বনত নিজকে জড়িত কৰাৰ বিপৰীতে পুৰুষে খেতি কৰা, চিকাৰ কৰা আদি কামত নিজকে নিযুক্ত কৰিলে। এই কৰ্ম বিভাজন হৈছিল ঘৰ এখন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে দৈহিক শক্তিৰ ওপৰত ভিত্তি কৰি।

লাহে লাহে মানৱ সমাজ সভ্যতাৰ দিশত অগ্ৰসৰ হ'ল। শিক্ষাৰ পোহৰ, ধৰ্মীয় বিশ্বাসে সমাজৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলে। তাৰ লগে লগে নাৰী-পুৰুষৰ মাজৰ পাৰ্থক্যও যেন বেছি স্পষ্ট হৈ দেখা দিলে। শাৰীৰিক শক্তিৰ ফালৰপৰা পুৰুষতকৈ দুৰ্বল হোৱাৰ বাবেই নাৰী পুৰুষৰ শোষণৰ বলি হ'ল। ঘৰৰ চাৰি বেৰৰ মাজত আৱদ্ধ হৈ পুৰুষৰ দাসী

হিচাপে জীৱন-যাপন কৰিবলৈ নাৰীক বাধ্য কৰা হ'ল। শিক্ষা লাভৰ অধিকাৰ পুৰুষৰ একচেতিয়া অধিকাৰ হিচাপে গণ্য কৰা হ'ল। শিক্ষা লাভৰপৰা বঞ্চিত নাৰীয়ে কোনো বিষয়ত নিজৰ মত প্ৰকাশ কৰিব নোৱাৰিছিল। পুৰুষৰ সেৱাই নাৰীৰ ধৰ্ম— এনে ধাৰণাৰ চিকাৰ হৈ নাৰীয়ে অবলা জীৱন-যাৱন কৰিবলৈ বাধ্য হৈছিল। ভাৰতীয় সমাজত ধৰ্মৰ নামত প্ৰচলিত পৰ্দা প্ৰথা, বাল্য-বিবাহ, সতীদাহ প্ৰথা, যৌতুক প্ৰথা আদিয়ে নাৰীৰ জীৱন দুৰ্বিষহ কৰি তুলিলে।

কিন্তু পৰিৱৰ্তনশীল সমাজৰ গতিৰ লগে লগে আজি নাৰীৰ স্থানৰো পৰিৱৰ্তন হৈছে। বহুতো সমাজ সংস্কাৰকে গ্ৰহণ কৰা পদক্ষেপৰ ফলত নাৰীয়ে শিক্ষাৰ পোহৰ লাভ কৰিলে। জ্ঞানৰ আলোকেৰে আলোকিত নাৰীয়ে নিজৰ অধিকাৰ সম্পৰ্কে সচেতন হ'ল। স্বামী বিবেকানন্দই পুৰুষ আৰু নাৰীক এজনী চৰাইৰ দুখন পাখিৰ লগত তুলনা কৰিছে। চৰাইজনী উৰিবৰ বাবে যিদৰে পাখি দুখনৰ আৱশ্যক, সেইদৰে আমাৰ সমাজখন আগবাঢ়ি যাবৰ বাবেও পুৰুষ আৰু নাৰী উভয়ৰে প্ৰয়োজন। অৰ্থাৎ এখন সমাজত নাৰী আৰু পুৰুষৰ গুৰুত্ব সমান। সেয়ে নাৰী আৰু পুৰুষে যাতে সম অধিকাৰ লাভ কৰিব পাৰে তাৰ বাবে সমাজে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা উচিত।

ব্ৰিটিছৰ শাসনৰ দিনত স্বামী বিবেকানন্দ, স্বামী দয়ানন্দ সৰস্বতী আদিৰ দৰে ভাৰতীয় সমাজ-সংস্কাৰক তথা মিছনেৰীসকলৰ প্ৰচেষ্টাত পৰ্দা প্ৰথা, বাল্য বিবাহ, সতীদাহ প্ৰথা আদিৰ বিৰুদ্ধে জাগৰণ গঢ়ি তোলা হৈছিল। বৰ্তমান ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় সকলো প্ৰেক্ষাপটত নাৰী সবলীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ প্ৰস্তাৱনাত উল্লেখ কৰা হৈছে যে পুৰুষ আৰু মহিলাই সম অধিকাৰ লাভ কৰিব লাগে আৰু ৰাষ্ট্ৰসংঘৰ বিভিন্ন কাম-কাজত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলা কোনো ধৰণৰ বৈষম্যৰ সন্মুখীন হ'ব নালাগে। ১৯৫২ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই মহিলাৰ ৰাজনৈতিক অধিকাৰ সম্পৰ্কে এক প্ৰস্তাৱ গ্ৰহণ কৰিলে। মহিলাৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত এইখনেই প্ৰথম আন্তৰ্জাতিক ঘোষণাপত্ৰ। এই ঘোষণাপত্ৰত উল্লেখ কৰা হৈছে যে মহিলাই কোনো বৈষম্য নোহোৱাকৈ ৰাজনৈতিক ক্ষেত্ৰত পুৰুষৰ সমানে সমানে অংশগ্ৰহণ কৰিব পাৰিব। মহিলাই ভোট দিব পাৰিব আৰু ৰাজনৈতিক ক্ষেত্ৰত যিকোনো পদত অধিষ্ঠিত হ'ব পাৰিব। ১৯৫৭ চনত গ্ৰহণ কৰা এক প্ৰস্তাৱ অনুসৰি বিবাহিতা মহিলাৰ নাগৰিকত্ব তেওঁৰ স্বামীৰ নাগৰিকত্ব সলনি হোৱাৰ লগে লগে সলনি নহয়। ১৯৬২ চনত বিবাহৰ সন্মতি, বিবাহৰ নিম্নতম বয়স আৰু বিবাহৰ পঞ্জীয়নৰ বিষয়ে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল আৰু ১৯৬৫ চনত এই বিষয়কেইটা কাৰ্যকৰী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। বাল্য বিবাহ বন্ধ কৰাই এই প্ৰস্তাৱৰ লক্ষ্য আছিল। ১৯৬৭ চনত সাধাৰণ সভাই মহিলাৰ বিৰুদ্ধে বৈষম্য দূৰ কৰিবৰ বাবে এক নিৰ্দেশ জাৰি কৰে। এই নিৰ্দেশ অনুসৰি মহিলাই সামাজিক আৰু ঘৰুৱা সকলো ক্ষেত্ৰতে সমান অধিকাৰ লাভ কৰিব। সাধাৰণ সভাই ১৯৭৫ চনটো আন্তৰ্জাতিক মহিলা দিৱস হিচাপে ঘোষণা কৰিছে। এই বছৰটোৰ লক্ষ্য আছিল পুৰুষ-মহিলাৰ মাজত সম অধিকাৰ স্থাপন কৰা আৰু উন্নয়নৰ কামত মহিলাৰ যোগদান নিশ্চিত কৰা তথা আন্তৰ্জাতিক ক্ষেত্ৰত বন্ধুত্বসুলভ সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত মহিলাৰ অৱদান নিশ্চিত কৰা।

মহিলাৰ অধিকাৰ সংৰক্ষণৰ প্ৰতি দৃষ্টি ৰাখি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বহুতো আইন প্ৰণয়ন কৰা হৈছে। ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ৰ অন্তৰ্গত দফা ১৫(III) অনুসৰি ৰাষ্ট্ৰই মহিলা আৰু শিশু কল্যাণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। ১৯৯২ চনৰ সংবিধানৰ ৭৩ আৰু ৭৪ তম সংশোধনী আইন অনুসৰি স্বায়ত্ত শাসনৰ ১/৩ অংশ আসন মহিলাৰ বাবে সংৰক্ষণ কৰা হ'ব।

নাৰী সবলীকৰণৰ প্ৰতি বাঢ়ি অহা সচেতনতাৰ ফলত বৰ্তমান সমাজত নাৰীৰ স্থান বহুত উন্নত হৈছে। শিক্ষাৰ আলোকেৰে আলোকিত আজিৰ নাৰীয়ে সাহিত্য-সংস্কৃতি-ক্ৰীড়া, বিজ্ঞান, ৰাজনীতি-সমাজনীতি সকলো দিশতে অৱদান আগবঢ়াই নিজৰ স্থান সুদৃঢ় কৰিছে। কিন্তু অতি দুৰ্ভাগ্যজনক কথা এই যে যিটো সময়ত নাৰীয়ে মহাকাশত খোজ কাঢ়িছে, দেশৰ প্ৰথম নাগৰিক হিচাপে স্বীকৃত হৈছে, সেই একে সময়তে যৌতুকৰ বাবে বোৱাৰী হত্যা, ৰাজপথত নাৰীক অপদস্থ কৰা, বলাৎকাৰ আদিৰ দৰে ঘৃণনীয় কাৰ্যও সংঘটিত হৈ আহিছে।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অৱদানেৰে সমৃদ্ধ আজিৰ মানৱৰ জীৱন-প্ৰণালী যথেষ্ট উন্নত হৈছে। কিন্তু মূল্যবোধৰ গুৰুত্ব যেন কমি আহিছে। প্ৰতিযোগিতাই মানুহক স্বাৰ্থপৰ কৰি তুলিছে। সম অধিকাৰৰ দৌৰত প্ৰেম-ভালপোৱা, সহনশীলতা আদিৰ অস্তিত্ব নোহোৱা হৈছে। যাৰ ফলত বৃদ্ধি পাইছে বিবাহ-বিচ্ছেদ, ভাতৃঘাতী সংঘৰ্ষ ইত্যাদি। কিন্তু এয়া জানো নাৰী সবলীকৰণৰ উদ্দেশ্যে আছিল? নহয়, নাৰী সবলীকৰণৰ উদ্দেশ্য আছিল নাৰীক শোষণমুক্ত কৰি প্ৰাপ্য অধিকাৰ দান কৰা। পুৰুষ নাৰীৰ শত্ৰু নহয়। নাৰী-পুৰুষৰ সহযোগিতাইহে এখন সুন্দৰ সমাজ গঢ়াত সহায় কৰিব।



# কথা-বতৰাৰ পদ্ধতি

**বিপুল কুমাৰ মজিন্দাৰ**
*প্ৰাক্তন ছাত্ৰ*

শিৰোনামটো দেখি হয়তো আপোনাৰ অনুভৱ হৈছে কথা-বতৰাৰ জানো কিবা পদ্ধতি বা ধৰণ থাকেনে? থাকে। আমি সকলোৱে পাইছোঁ 'মানুহে এজনৰ মনৰ ভাব আন এজনৰ আগত প্ৰকাশ কৰাকে ভাষা বোলে।' এই ভাব প্ৰকাশৰ বাবে কথা পতাৰ প্ৰয়োজন হয়। মানুহ মাত্ৰেই জন্ম হৈ অলপ বুজন হৈ আহিলেই কথা পাতিবলৈ আৰম্ভ কৰে; জন্মৰ দুবছৰ-তিনি বছৰৰপৰা আমি দেখোন কথা পাতিয়েই আছোঁ তেনেস্থলত আকৌ কথা-বতৰাৰ বিষয়ে নতুনকৈ শিকাৰ বা আলোচনা কৰাৰ কি প্ৰয়োজন? আমি কথা-বতৰা পাতিবলৈ জানো সঁচা কিন্তু আমাৰ কথা-বতৰা কেনেধৰণৰ হোৱা উচিত; সেই বিষয়ে শিকিবলগীয়া বহুত কথা আছে। আমাৰ অসমীয়াত এষাৰ প্ৰবাদ আছে বোলে— 'কথাতেই বঁটা পায় কথাতেই গতা খায়।' ধৰি লোৱা হওক, অচিনাকি এজন মানুহৰ লগত আপোনাৰ প্ৰথম চিনাকি হ'ল। সেই মানুহজন কেনেকুৱা সেই বিষয়ে আপোনাৰ প্ৰথম অনুমান হ'ব তেওঁৰ কথা-বতৰাৰ পৰাহে। সেইদৰে আপোনাৰ কথা-বতৰাৰ পৰাহে তেৰোঁ আপোনাক হয়তো পৰীক্ষা কৰিব, আপুনি কি ধৰণৰ। আপোনাৰ কথা-বতৰাৰ দ্বাৰা যদি মানুহজনক সন্তুষ্ট কৰিব নোৱাৰে, বা আপোনাৰ কথা-বতৰাত যদি ভদ্ৰতা, কোমলতা, বিনয় ভাব আদিৰ পৰিচয় নেপায় তেন্তে আপোনাৰ প্ৰতি তেওঁৰ বেয়া ভাব উপজিব। কিন্তু আপুনি যদি কথা-বতৰাৰে তেওঁক সন্তুষ্ট কৰিব পাৰে, তেন্তে তেওঁ আপোনাৰ প্ৰতি বৰ ভাল ধাৰণা পোষণ কৰিব, আৰু আপোনাক এজন ভাল মানুহ বুলি ধৰি ল'ব। তেন্তে দেখা গ'ল আমাৰ কথা-বতৰাত বিশেষ গুৰুত্ব দিয়া উচিত। এতিয়া আমি আহোঁ কথা-বতৰা কেনে ধৰণৰ হ'ব লাগে। কথা-বতৰা পাতোঁতেই প্ৰথমে লক্ষ্য ৰাখিব আপোনাৰ মুখত যেন হাঁহি বিৰিঙে। যাৰ লগত কথা পাতে তেওঁক প্ৰথমে হাঁহি মুখে অভিবাদন জনাই ল'ব। তেতিয়া দেখিব তেওঁ আপোনাক হাঁহি মুখে অভিবাদন জনাই আনন্দ প্ৰকাশ কৰিছে। হাঁহি মুখে কথা পাতিলে সকলোৱে মনত আনন্দ পায়। মনত ৰাখিব, এটা মিচিকিয়া হাঁহিত আপোনাৰ একো খৰচ নহয়। লোকৰ প্ৰিয় পাত্ৰ হ'ব খুজিলে অন্তৰৰপৰা মিচিকিয়া হাঁহিটো মাৰিবলৈ সদায় মনত ৰাখিব। কথা-বতৰা পাতোঁতেও আন্তৰিকতাৰ বিশেষ প্ৰয়োজন। আপোনাৰ কথা-বতৰাত আন্তৰিকতাৰ আভাস পালেহে শুনোতা জনে ভাল পাব। যাৰ লগত কথা পাতে তেওঁৰ কথাবোৰ শুনি যে আপুনি বৰ ভাল পাইছে এইটো যেন তেওঁ বুজিব পাৰে। কিন্তু তাকে নকৰি যদি আপুনি অন্যমনস্ক দেখুৱায় বা তেওঁৰ কথা শুনিবলৈ আপোনাৰ সময় নাই এনে ভাব দেখুৱায়, তেন্তে তেওঁ মনত বেজাৰ পাব বা অপমান বোধ কৰিব। আনৰ লগত কথা পাতোঁতে সদায় নিজৰ কথা কমকৈ ক'বলৈ চেষ্টা কৰিব, আৰু

তেওঁকহে বেছিকৈ কথা পাতিবলৈ সুযোগ দিব। যাৰ লগত কথা পাতে, তেওঁ জনা, ভাল পোৱা আৰু তেওঁৰ আগ্ৰহ থকা বিষয় যাতে আপোনালোকৰ আলোচনাৰ বিষয় হয়— তাৰ প্ৰতি লক্ষ্য ৰাখিব। আপুনি নিজে ভাল পোৱা বিষয় নহয়। আমেৰিকাৰ বিখ্যাত প্ৰেচিডেণ্ট থিয়দৰ ৰুচভেল্টে কাৰ লগত কি কথা পাতিব লাগে ভালকৈ জানিছিল। যেতিয়াই ৰুচভেল্টে তেওঁৰ ঘৰলৈ কোনো আলহী আশা কৰিছিল তেতিয়াই, তেওঁ আলহীজনৰ যি বিষয়ত আগ্ৰহ বেছি সেই বিষয়ে তেওঁ নিজে ভালকৈ জানিবৰ উদ্দেশ্যে বহুত ৰাতিলৈ পঢ়ি, শিকি লৈহে পিছদিনা আলহীৰ লগত কথা পাতিছিল। যাতে আলহীজনে তেওঁৰ কথা-বতৰাত সন্তুষ্ট হয়।

যাৰ লগত কথা পাতে, তেওঁ যিবোৰ মতামতত আপোনাৰে সৈতে মিল নাই, তেনে বিষয়লৈ কথা আৰম্ভ নকৰাই ভাল। যি কথাত আপোনাৰ মতৰ লগত তেওঁৰ মত মিলে তেনে কথাৰেহে পাতনি মেলিব। আৰু তেওঁৰ মতামতততহে বেছি মূল্য দিবলৈ চেষ্টা কৰিব। প্ৰত্যেক মানুহে নিজৰ নিজৰ মতামতক ভুল হ'লেও যে বেছি মূল্যবান বুলি ভাবে, সেই কথা কেতিয়াও নেপাহৰিব। গতিকে যি কথাত লোকৰ মতামতৰ লগত আপোনাৰ মতামত নিমিলে তেনে কথা আলোচনা নকৰাই ভাল; বিশেষকৈ ধৰ্ম আৰু ৰাজনৈতিক বিষয়ে যাৰ লগত আপোনাৰ মতামত নিমিলে তেনে লোকৰ লগত সেই বিষয়ে আলোচনা নকৰিব। এইবোৰ তৰ্কৰপৰা বন্ধুত্ব ভঙ্গ হয়, কাৰণ যি সকললোকৰ এইবোৰ বিষয়ত আগ্ৰহ বেছি, তেওঁলোকে এই বিষয়ে অতি গুৰুতৰভাৱে অনুভৱ কৰে। তেওঁৰ যদি কিবা ভুল হয়, তেন্তে তেওঁৰ কথাখিনি শেষ নোহোৱাকৈয়ে 'নহয় নহয় আপোনাৰ ভুল হৈছে এই বুলি যদি কৈ দিয়ে, তেন্তে তেওঁ অপ্ৰস্তুত হৈ পৰিব। তেনেকৈ আনক কথা কোৱাত বাধা দিয়াতকৈ তেওঁৰ কথাখিনি শেষ হ'বলৈ দি এনেদৰে ক'লে ভাল হয় যে মোৰ মনেৰে এইটো বোধকৰো এনেকুৱাহে।' পোনপতীয়াকৈ কৈ নিদি ভুলটো এনেভাৱে দেখুৱাব যাতে তেওঁ বেয়া নেপায়। লোকৰ ভুল কি ধৰণৰে আঙুলিয়াব লাগে তাৰে এটা উদাহৰণ দাঙি ধৰিলোঁ। এজন খ্যাতনামা আমেৰিকান শিল্পপতিয়ে এদিন তেওঁৰ এটা কাৰখানা চাবলৈ গৈ বনুৱাবিলাকক চিগাৰেট খোৱা দেখিলে। বনুৱাবিলাকৰ মূৰৰ ওপৰতে লিখা আছিল 'No Smoking' আমেৰিকান শিল্পপতিজনে অনায়াসে সেই Sign board খনলৈ দেখুৱাই ক'ব পাৰিলেহেঁতেন— 'পঢ়িব নোৱাৰানে'? কিন্তু তেওঁ তেনে নকৰি বনুৱাসকলৰ ওচৰলৈ আহি প্ৰত্যেককে এটা এটা চিগাৰেট দি ক'লে— তোমালোকক মই প্ৰশংসা কৰিম, যদি তোমালোকে এই চিগাৰেট বাহিৰত খোৱা' তেতিয়াই বনুৱাসকলে গম পালে যে, তেওঁলোকে নিয়ম ভঙ্গ কৰিছে, কিন্তু তেওঁলোকে মালিকৰ ব্যৱহাৰত বৰ সন্তুষ্ট হ'ল। এনে মানুহক আপুনি ভাল নেপায় থাকিব পাৰে জানো?

আপোনাৰ ঘৰলৈ কোনোবা আলহী আহিলে তেওঁৰ লগত এনেভাৱে কথা পাতিব যেন আলহীয়ে আপোনাৰ ঘৰলৈ আহি কোনো ৰকম অসুবিধা অনুভৱ নকৰে আৰু তেওঁ অহাত যে আপুনি বৰ ৰং পাইছে সেই কথা গম পায়। লোকৰ সামান্য কথাতো যে আপুনি বৰ মূল্য দিয়ে সেইটো দেখুৱাবলৈ সদায় চেষ্টা কৰিব। উদাহৰণস্বৰূপে ধৰক, আপোনাৰ ল'ৰা-ছোৱালীকেইটা বছৰেকীয়া পৰীক্ষাত উত্তীৰ্ণ হৈছে বুলি খবৰ পাইছে। সেইখিনি সময়তে আপোনাৰ ল'ৰা-ছোৱালীকেইজন পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ বাবে ওচৰৰে চিনাকি মানুহ আহিছে। সেইখিনি সময়ত আঁতৰৰ মানুহখিনিক গুৰুত্ব দিয়া ধৰণে ওচৰৰ কেইজনকো সমানে গুৰুত্ব দিব। আৰু এইটোও ক'ব যে মযো আপোনাৰ ল'ৰা-ছোৱালীকেইটাৰ পৰীক্ষাৰত ভাল ফলাফল দেখুৱাত সন্তোষ পালোঁ।

আমি বহুত সময়ত আপোন মানুহৰ লগত সাধাৰণ ভদ্ৰতাসমূহ ৰক্ষা কৰিয়েই কথা নকওঁ। অৰ্থাৎ ইংৰাজীত যাক Formality বোলে। কিন্তু তাৰ পৰাও বহু সময়ত বিবাদৰ সৃষ্টি হোৱা দেখা যায়। স্বামী-স্ত্ৰীৰ মাজত কথা-বতৰাৰ যদি ভদ্ৰতা নেথাকে, তেন্তে তাৰ পৰা ঘৰুৱা কন্দল লাগিবৰ ভয় থাকে। স্বামীয়ে স্ত্ৰী, স্ত্ৰীয়ে স্বামীক অবাবত সন্দেহৰ চকুৰে কেতিয়াও চাব নেপায়। ইয়াৰ ফলত ঘৰ-সংসাৰ অকালতে থান-বান হৈ পৰে। স্বামী স্ত্ৰীয়ে এজনে আন জনৰ লগত এনে ভাৱে কথা-বতৰা পাতিব লাগে যাতে কোনেও কাকো ভুল বুজিব নোৱাৰে। এনে ক্ষেত্ৰত তৃতীয় ব্যক্তিৰ কথা কয় তাৰ সত্যাসত্য গমি-পিতি চাই ল'ব। কোনো সময়ত দেখা যায়, ভাৰ্যাই স্বামীক উপলুঙা কৰি কথা কয়; তাতে স্বামী অসন্তুষ্ট হৈ খং উঠে আৰু তাৰ পৰাই কাজিয়াৰ সৃষ্টি হয়। কথা ক'ব নজনাৰ ফলত অনেক সময়ত আমি বহু বিপদত পৰোঁ।

আপোনাৰ ল'ৰা-ছোৱালীৰ লগত কথা পাতোঁতেও ভদ্ৰভাৱে কথা পাতিবলৈ অভ্যাস কৰিব। অনবৰত ল'ৰা-ছোৱালীক টান কথা ক'লে, ডাবি দি খং-ৰাগ কৰিলে, তেওঁলোকেও সেইদৰে কৰিবলৈ শিকে। ল'ৰা-ছোৱালী লগত সৰুৰে পৰাই মিঠামুখে কথা-বতৰা পাতিব লাগে। কিবা ভুল কৰিলে বা দুষ্টামি কৰিলে মৰম কৰি বুজাই দিব লাগে। অকল নিজৰ ল'ৰা-ছোৱালীৰ লগতেই নহয়, অন্যৰ ল'ৰা-ছোৱালীৰ লগতো ভদ্ৰভাৱে কথা কোৱা উচিত। সমাজৰ লগত নিজকে খাপ খুৱাই চলিবলৈ হ'লে নিজৰ মনৰ ভাব কথা-বতৰাত কি ভাব প্ৰকাশ পায় তালৈ চকু ৰাখিব লাগিব আৰু আপোনালোকৰ আগত এই মাত্ৰ উল্লেখ কৰা কথাখিনিৰ বাহিৰেও নিজৰ অভিজ্ঞতাৰ দ্বাৰা কেনেকৈ চলিব লাগে সেই বিষয়ে বুজিব পাৰিব লাগিব।




# বড়ো কছাৰীৰ সাজ-পাৰ আৰু অলংকাৰ

**ৰাধা খাখলাৰী**
*স্নাতক প্ৰথম ষাণ্মাসিক*

**যেনেদৰে** অসমীয়া ডেকা-গাভৰুৱে ব'হাগ বিহুত পখিলা উৰাদি বিহু নাচি গাব তৎ হেৰুৱায়, ঠিক তেনেদৰে ৰংজাই বৈসাগু (ৰঙালী বিহু) বড়ো-কছাৰী চিখলাৰ চিফুং বাঁহীৰ সুৰে সুৰে, মাদল (খাম)ৰ ছেৱে ছেৱে নাচোনৰ লয়লাস ভংগিমাৰে যেন মন উথলি উঠে। বড়ো মহিলাসকলে নিজৰ কাপোৰ ঘৰতে সূতা কাটি কাপোৰ বৈ পিন্ধে। বড়ো মহিলা শিপিনীৰ লাহি আঙুলিৰ পৰশত প্ৰাণ পাই উঠা নানা ধৰণৰ আৰু নানা বৰণৰ কাপোৰ বৈ লোৱাটো তাৎপৰ্যপূৰ্ণ।

বড়ো-কছাৰী মহিলাসকলে কাপোৰ বোৱা, ভুঁই ৰোৱা, ধান কটা, কঠীয়া তোলা, ল'ৰা-ছোৱালীক তদাৰক কৰাৰ উপৰি ঘৰত উৎপাদিত সামগ্ৰী বজাৰত বিক্ৰী কৰি নিজৰ জীৱনচৰ্যা অতি সুন্দৰভাৱে পৰিচালিত কৰে।

**অলংকাৰ ঃ** দখনা, থাউছি (তেলকাপোৰ), চন্দ্ৰহাৰ, সোণ ৰূপৰ হাৰ (লৌ), নাকফুল (গলমণি), কাণত পিন্ধা সোণ ৰূপৰ (খীমা) আদি পিন্ধে। আচাম চাংখা (খাৰু), আখ তাম (আঙঠি) পিন্ধে।

বড়ো-কছাৰীসকলে বিবাহৰ কইনাক তেওঁলোকৰ জাতীয় সাজ-পাৰ দখনা পিন্ধায়। বিয়াত মাটিৰ ভাৰ আৰু তেলৰ ভাৰ (বিখান) আনে। ভাৰ দুখন। প্ৰধান ভাৰ অনা মানুহ এজন আৰু দুগৰাকী মহিলা আহে। আয়তীক বড়োসকলে ধাইৰাখী কয়। তদুপৰি বিভিন্ন দৈৰ্ঘ্যৰ কম পুতলৰ দুই আঁচুৰ উপৰি পাৰিটো ৰুচিসন্মত চানেকিৰ ফুলবছা আৰনাইক বড়োসকলৰ কৃষ্টি-সংস্কৃতিৰ বাহক বা ধাৰক বুলি কোৱা হয়। বিয়া-সবাহ, সভা-সমিতিৰ সন্মান জনোৱা কাপোৰখনেই হৈছে বড়োসকলৰ 'আৰনাই'। বড়ো কছাৰীৰ লোকনৃত্য বাগৰুম্বা নাচিনা গীনাউ দীৰ্ঘ নাচিনা নৃত্য গাভৰু খাখৃপালত একেলগে লগ হৈ নিজৰ বৈশিষ্ট্যপূৰ্ণ জাতীয় পোছাক পৰিধান কৰি বড়ো চিখলাই দুহাত মেলি আৰনাই লৈ পখিলাৰ দৰে ছেও দি দি নাচে। কি অপূৰ্ব সেই দৃশ্য। বিভিন্ন সভা-সমিতি, উৎসৱ-পাৰ্বণ আদিত খাম, চিফুং, চেৰজা, জঠাৰৰ তালে তালে বড়ো চিখলাই বৈশাগু বাগৰুম্বা খেৰাই নৃত্য পৰিৱেশন কৰা দৃশ্যই মানুহৰ মন মোহিত কৰি তোলে। এই বৃহৎ বড়ো-কছাৰী লোকসকলে ভাষা-কৃষ্টি-সংস্কৃতিৰ আদিৰ উপৰি আৰ্থিক-সামাজিক বিকাশ সাধন কৰি নিজ জাতিৰ উন্নয়ন সাধন হওক তাকে কামনা কৰিলোঁ।



# ভাৰতৰ ৰাষ্ট্ৰপতি ভৱন

**ৰশ্মিৰেখা গগৈ**

*স্নাতক প্ৰথম ষাণ্মাসিক*

ৰাষ্ট্ৰপতি ভৱন হ'ল ভাৰতৰ ৰাষ্ট্ৰপতিৰ বাসভৱন আৰু কাৰ্যালয়। ই এটা অতি আচৰিত বস্তু। ইং ১৯১১ চনতে ব্ৰিটিছৰ শাসনকালত এই আচৰিত ভৱনটোৰ নিৰ্মাণ কাৰ্য হাতত লোৱা হৈছিল যদিও প্ৰথম বিশ্বযুদ্ধৰ বাবে কামটো সম্পূৰ্ণ হোৱা নাছিল। যুদ্ধ অৱসান হোৱাৰ পিছত ইং ১৯২১ চনত পুনৰ নিৰ্মাণ কাৰ্য আৰম্ভ হয় আৰু ৫০০০ বনুৱাৰ পৰিশ্ৰমৰ ফলত ইং ১৯২৯ চনত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হয়। তেতিয়া দিনতে ইয়াৰ নিৰ্মাণ কাৰ্যত এককোটিৰো অধিক টকা ব্যয় হোৱা বুলি জনা যায়। ৰাষ্ট্ৰপতি ভৱনৰ মুঠ মাটিকালি হ'ল পাঁচশ একৰ।

ভাৰতৰ ৰাষ্ট্ৰপতি ভৱনটোৰ আকৃতি ইংৰাজী H ৰ দৰে। ইয়াৰ আয়তন বা পৰিসীমা হ'ল দীঘলে ২০০ গজ আৰু বহলে ১৮০ গজ। ভৱনটোত মুঠতে ৩৪০ টা কোঠালি আছে। ইয়াৰ ৬৩ টা কোঠালি বসবাসৰ কাৰণে কৰা হয়। ৰাষ্ট্ৰপতি ভৱনত প্ৰায় ডেৰমাইল জোৰা কৰিড'ৰ, ২২৭ টা স্তম্ভ, ৩৭ টা ফোৰৰা, ১৮ খন ছিৰি আৰু ১০খন লিফট আছে।

ভাৰতৰ ৰাষ্ট্ৰপতি ভৱনটোৰ নক্সা এডৱাৰ্ড লুটেঞ্চ আৰু ছাৰ হেনৰি বেকাৰে অংকন কৰিছিল। ভৱনটোৰ স্তম্ভকেইটা ৰোমান আৰু গ্ৰীক স্থাপত্য শিল্পৰ আৰ্হিত নিৰ্মিত। মোগল শিল্পকলাৰ ই এক গৌৰৱপূৰ্ণ আধুনিক নিদৰ্শন।



লেডী ৱেলিংটনে সজোৱা কাঠৰ মজিয়াযুক্ত বিতোপন 'বল ৰুম'টোৰ বৰ্তমান নাম হ'ল অশোক হল। স্প্ৰীঙৰ ওপৰত অৱস্থিত কোঠালিটোত ৰাষ্ট্ৰপতিয়ে ভালেমান অনুষ্ঠান আয়োজন কৰে।

ৰাষ্ট্ৰপতি ভৱনৰ এটা গুৰুত্বপূৰ্ণ কোঠালি হ'ল 'দৰবাৰ হল'। অতি বিতোপন এই দৰবাৰ হলতে ইং ১৯৪৭ চনৰ ১৪/১৫ আগষ্টৰ মাজনিশা ইংৰাজে ভাৰতক স্বাধীনতা প্ৰদানৰ কথা ঘোষণা কৰিছিল। ইয়াত ভাৰতৰ ৰাষ্ট্ৰপতিসকলৰ শপত গ্ৰহণৰ অনুষ্ঠানৰ উপৰি কিছুমান গুৰুত্বপূৰ্ণ বৈঠক আয়োজন কৰা হয়। এই কোঠাটোৰ কাপেটসমূহ ১৮ শতিকাৰ পাৰস্যৰ ৰাজকীয় আৰ্হিত প্ৰস্তুত কৰা আৰু কোঠাটোৰ দেৱালকেইখন বগা মাৰ্বল পাথৰেৰে সজোৱা।

ৰাষ্ট্ৰপতি ভৱনত অতিথি আপ্যায়নৰ বাবেও সুন্দৰ ব্যৱস্থা আছে। ৩৭ টা বৈঠকখানা থকা ৰাষ্ট্ৰপতি ভৱনৰ 'নালান্দা হল', 'টেগৰ হল', 'মহীশূৰ হল', আদি

আলহী ঘৰ। ৰাষ্ট্ৰপতি ভৱনত 'দ্বাৰকা চ্যুট'ত ৰাষ্ট্ৰপ্ৰধানসকলক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ ভোজনালয়ত ৰাষ্ট্ৰপতি ভোনজৰ সময়ত বিদেশী আলহীক ভাৰতীয় আহাৰ পৰিৱেশন কৰা হয়। ইয়াত সুৰাপান আটাইৰে বাবে নিষিদ্ধ।

গল্‌ফ ক'ৰ্ট, টেনিচ ক'ৰ্ট, চেলুন আৰু পাঁচশমান মানুহে একেলগে উপভোগ কৰিব পৰা চিনেমা হলো আছে। মাৰ্চিডিজ, ছেভ্ৰলেট, বুইক, লিমু-জিল, ৰলচ ৰচয় আদি দেশী-বিদেশী পঞ্চল্লিশখন গাড়ী থকা ৰাষ্ট্ৰপতি ভৱনত গাড়ীচালক, চহিচ,



পিয়ন, ৰান্ধনি, ইলেক্ট্ৰিচিয়ান, মটৰ মেকানিক, ধুবী, নাপিত, মুচী আদি কামৰ বাবে ভালেমান লোকে নিযুক্তি লাভ কৰিছে। ৮০০০ টাকৈ কাপোৰ ধোৱা-মেলা কৰা এটা আধুনিক যন্ত্ৰ থকা ৰাষ্ট্ৰপতি ভৱনটো এখন ক্ষুদ্ৰ নগৰহে।

বৰ্তমান ভাৰতৰ ৰাষ্ট্ৰপতিৰ বাসস্থান আৰু কাৰ্যালয় হিচাপে ব্যৱহৃত এই ঐতিহাসিক তথা প্ৰসিদ্ধ ৰাষ্ট্ৰপতি ভৱনটো ব্ৰিটিছ আমোলত 'ভাইচৰয় হাউচ' নামেৰে জনাজাত আছিল। আৰু ভাইচৰয়সকলেহে ইয়াত বসবাস কৰিছিল।

ৰাষ্ট্ৰপতি ভৱনৰ ৰান্ধনিশালটো আধুনিক সা-সৰঞ্জামেৰে সুসজ্জিত। ৰান্ধনিশালত জীৱানুনাশক যন্ত্ৰৰে আহাৰ পৰীক্ষা কৰা হয়। এই ৰান্ধনিশালত ১২ জন পাকৈত ৰান্ধনিয়ে কাম কৰে।

ৰাষ্ট্ৰপতি ভৱনৰ বিশেষ আকৰ্ষণ হ'ল 'মোগল গাৰ্ডেন'। এই বাগিচাখন ব্ৰিটিছ আমোলত ভাইচৰয় লৰ্ড হাৰ্ডিঞ্জৰ পত্নীয়ে নিজৰ তত্বাৱধানত সজাইছিল। কেইবাবিঘা মাটি জুৰি থকা বিবিধ ফুলেৰে সুশোভিত বাগিচাখন সজাওঁতে হেনো চাৰি বছৰ সময় লাগিছিল। বাগিচাৰ মাজেৰে বৈ যোৱা কৃত্ৰিম নিজৰাবোৰে ইয়াৰ সৌন্দৰ্যত সোণত সুৰগা চৰোৱাৰ দৰে কৰিছে। ওচৰতে থকা ঘেঁহু আৰু মাকৈ খেতিৰ বাবে মকৰল কৰা হৈছে ডেৰ শতাধিক মালী।

ৰাষ্ট্ৰপতি ভৱনটো এজন সামৰিক সচিবে পৰিলচনা কৰে। ভৱনৰ বাজেট প্ৰস্তুত কৰা, অতিথি শুশ্ৰূষা আদি কাৰ্য চোৱা-চিতাৰ বাবে এজন কণ্ট্ৰ'লাৰো আছে।

ৰাষ্ট্ৰপতি ভৱনত প্ৰায় দহ হেজাৰ লোকে বসবাস কৰে। ইয়াত নিৰাপত্তা বাহিনীৰ লোক আছে প্ৰায় এহেজাৰজন। ইয়াত ৰাষ্ট্ৰপতিৰ নিজা সামৰিক দপ্তৰ আৰু অসামৰিক সচিবালয় আছে। এই সচিবালয়ে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু ৰাষ্ট্ৰপতিৰ মাজত কামৰ আদান-প্ৰদান তথা সমন্বয় সাধন কৰে। প্ৰতিদিনে প্ৰায় দুই কুইণ্টল ওজনৰ চিঠি-পত্ৰ ৰাষ্ট্ৰপতি ভৱনত আদান-প্ৰদান হয়। এই ভৱনত ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ বাবে পঢ়াশালিও আছে। ইয়াত ঘোঁৰাশাল, খেলপথাৰ, চুইমিংপুল,





# পৃথিৱীৰ বিষয়ে কিছু কথা

**চিমি হাটীমতা**

*স্নাতক পঞ্চম ষাণ্মাসিক*

**পৃথিৱীৰ উৎপত্তি** ঃ পৃথিৱী এটা গ্ৰহ। পৃথিৱীৰ বিষয়ে এতিয়ালৈকে যিখিনি তথ্য আহৰণ কৰিব পৰা হৈছে তাৰ ভিতৰত উল্লেখযোগ্য তথ্যটো হ'ল যে সৌৰজগতৰ ভিতৰত একমাত্ৰ পৃথিৱীতেই জীৱৰ বসতি আছে।

বৰ্তমান আমি বাস কৰা পৃথিৱীখন অতীজতে এনে নাছিল। বহু বিজ্ঞানীৰ মতে সূৰ্যৰপৰা উৎক্ষিপ্ত আৰু অনন্ত মহাকাশত ঘূৰ্ণীয়মান এটা প্ৰকাণ্ড অগ্নিপিণ্ড ক্ৰমে চেঁচা হৈ গোট মাৰি পৃথিৱীখনৰ সৃষ্টি কৰিছে। বৰ্তমানৰ অৱস্থালৈ আহোঁতে অৱশ্যে পৃথিৱীক কেইবা কোটিও বছৰ লাগিছে।

ফৰাচী বিজ্ঞানী লেপ্লাছৰ মতে এটা ঘূৰ্ণীয়মান নীহাৰিকাৰ এটা অংশই হ'ল সূৰ্য। নীহাৰিকাটো প্ৰচণ্ড বেগত ঘূৰোঁতে ঘূৰোঁতে তাৰ একো অংশ খহি গৈ তাৰ পৰাই পৃথিৱী আৰু অন্যান্য গ্ৰহ-উপগ্ৰহৰ সৃষ্টি হৈছে।

লেপ্লাছৰ বহু বছৰৰ পিছত ইংৰাজ বিজ্ঞানী জেমছ জীন্‌ছ আৰু হেৰল্ড জেফ্ৰিসছে এটা মতবাদ আগবঢ়াই ক'লে যে আমাৰ সূৰ্যতকৈ কেইবা কোটি গুণ ডাঙৰ এটা প্ৰকাণ্ড নক্ষত্ৰ মহাশূন্যতা হঠাৎ সূৰ্যৰ নিচেই ওচৰলৈ আহে। সেইটো সূৰ্যৰ কাষেদি প্ৰচণ্ড বেগত পাৰ হৈ যাওঁতে তাৰ আকৰ্ষণত সূৰ্যপৃষ্ঠত প্ৰচণ্ড জোৱাৰৰ সৃষ্টি হৈছিল। ইয়াৰ ফলত সূৰ্যৰপৰা কিছু অংশ গেছীয় ৰূপত বাহিৰলৈ ওলাই আহে। এই বিচ্ছিন্ন অংশখিনিয়েই ক্ৰমে সংকুচিত আৰু শীতল হৈ গ্ৰহ-উপগ্ৰহ হ'ল আৰু সূৰ্যৰ চাৰিওফালে পৰিভ্ৰমণ কৰিবলৈ ধৰিলে। তেনে এটি অংশৰপৰাই আমাৰ পৃথিৱীখনৰো সৃষ্টি হৈছে। কিন্তু বিজ্ঞানীসকলে এই মতবাদো ত্ৰুটিহীন বুলি ক'ব নোখোজে। বিজ্ঞানীসকলৰ মতে জীন্‌ছ-জেফ্ৰিছৰ মতবাদ যদি শুদ্ধ হয়, তেনেহ'লে গ্ৰহবোৰ সূৰ্যৰ ওচৰে ওচৰে থাকিব লাগিছিল। কিন্তু সেয়া হোৱা নাই, সূৰ্যৰ গ্ৰহবোৰৰ পাৰস্পৰিক দূৰত্ব যথেষ্ট বেছি।

ইয়াৰ পিছত বিজ্ঞানী হয়েলে আন এটা মতবাদ আগবঢ়ায়। তেওঁ ক'লে যে মহাশূন্যৰ পিনে চালে বহু যুগ্ম নক্ষত্ৰ (একেলগে থকা দুটা তৰা) দেখা যায়। পূৰ্বতে সূৰ্য আৰু আন

এটা নক্ষত্র এনেদৰে যুগ্ম অৱস্থাত আছিল। কল্পনাতীত প্ৰচণ্ড বেগেৰে আৱৰ্তনৰ ফলত কোটি বছৰৰ পূৰ্বে নক্ষত্ৰটোত বিস্ফোৰণ ঘটে। ফলত নক্ষত্ৰটোৰ কিছু অংশ থাকি যায় আৰু বাকী অংশ বহু শতকোটি কিলোমিটাৰ দূৰৈত পৰেগৈ। সূৰ্যৰ আৰু সেই নক্ষত্ৰটোৰ অংশৰপৰাই আমাৰ সৌৰজগতৰ গ্ৰহ আৰু উপগ্ৰহবোৰৰ সৃষ্টি হৈছে। হয়েলৰ এই মতবাদৰ নাম। 'যুগ্মতাৰকাবাদ' বিজ্ঞানীসকলৰ বহুতেই হয়েলৰ এই মতবাদটো সমৰ্থন কৰে যদিও পৃথিৱীৰ সৃষ্টিতত্ত্ব এতিয়াও ৰহস্যাবৃত।

**পৃথিৱীৰ বয়স ঃ** পৃথিৱীৰ বয়স কিমান সেই বিষয়ে বিজ্ঞানীসকলৰ মাজত মতভেদ আছে। কোনো কোনোৰ মতে জ্বলন্ত বাষ্পপিণ্ডৰ পৰা চেঁচা হৈ বৰ্তমান অৱস্থালৈ আহোঁতে পৃথিৱীক ২৫০ কোটি বছৰৰ পৰা ৩০০ কোটি বছৰ সময় লাগিছে। আন এচাম বিজ্ঞানীৰ মতে এই সময় ২৭৫ কোটি বছৰ। সেইদৰে বিভিন্ন বিজ্ঞানীসকলৰ কোনোবাই পৃথিৱীৰ বয়স ৪৮০ কোটি বছৰ, কোনোবাই পাঁচ লাখ কোটি বছৰ বুলি ক'লে। যি কি নহওক সম্প্ৰতি ভূমিক্ষয়ৰ বেগ আৰু সাগৰৰ লোণৰ হিচাপ কৰি পৃথিৱীৰ থূল-মূল বয়স এটা উলিওৱা হৈছে। পৃথিৱীৰ বয়স উলিওৱা একেবাৰে আধুনিক উপায় হ'ল শিলৰ মাজত থকা তেজস্ক্ৰিয় পদাৰ্থৰ ক্ষয় প্ৰাপ্তিৰ হিচাপ উলিওৱা। তেজস্ক্ৰিয় পদাৰ্থ হ'ল কেতবোৰ মৌলিক পদাৰ্থ যাৰ অন্তৰ্ভাগৰপৰা অনবৰতে ৰশ্মি নিৰ্গত হয় আৰু ক্ৰমে সেইবোৰ ভাগি কোটি কোটি বছৰত আন এক মৌলিক পদাৰ্থত পৰিণত হয়। তেনে এক মৌলিক পদাৰ্থ ইউৰেনিয়াম ক্ৰমশঃ সীহত পৰিণত হয়। হিচাপ কৰি দেখা গৈছে যে ১০০ গ্ৰাম ইউৰেনিয়াম এক গ্ৰাম সীহত পৰিণত হ'বলৈ সময় লাগে ৯ কোটি বছৰ। ইয়াৰ পৰাই হিচাপ কৰি পৃথিৱীৰ বয়স প্ৰায় ৪৬০ কোটি বুলি ঠাৱৰ কৰা হৈছে।

**পৃথিৱীৰ উপৰিভাগ ঃ** বায়ু, পানী আৰু শিল— ইয়াকে লৈ পৃথিৱীৰ উপৰিভাগ গঠিত। ইয়াৰ ভিতৰত বায়ু আটাইতকৈ পাতল, সেয়ে বায়ু সকলোতকৈ ওপৰত আছে। এই বায়ুৱে এখন ডাঠ অদৃশ্য চাদৰৰ দৰে পৃথিৱীক আৱৰি আছে। এই বায়ু পৃথিৱীৰেই অংশ। বিজ্ঞানীসকলৰ ভাষাত ইয়াৰ নামেই বায়ুমণ্ডল (atmosphere) বহুবিধ গেছৰ সংমিশ্ৰণত বায়ুমণ্ডলৰ আৱৰণটো গঠিত হৈছে। এই আৱৰণটোত উদ্ভিদ আৰু প্ৰাণীৰ বাবে অপৰিহাৰ্য উপাদান থাকে। পৃথিৱীৰ মধ্যাকৰ্ষণ শক্তিয়ে এই বায়ুমণ্ডলক পৃথিৱীৰ কেন্দ্ৰৰ ফালে টানি থাকে। সেয়ে ই সদায় পৃথিৱীৰ গাতে লাগি থাকে। বায়ুমণ্ডলৰ এই সীমা ধৰাপৃষ্ঠৰ প্ৰায় ১০,০০০ কিলোমিটাৰ উচ্চতালৈকে আছে বুলি বিজ্ঞানীসকলে ঠাৱৰ কৰিছে। অৱশ্যে বায়ুৰ ঘনত্ব ২৯ কিলোমিটাৰ ওপৰলৈ একেবাৰে কম। পৃথিৱীৰ বায়ুমণ্ডলক পাঁচটা ভাগত ভাগ কৰা হৈছে— ১) ট্ৰপ'স্ফিয়েৰ (Troposphere), ২) ষ্টেট'স্ফিয়েৰ (Stratosphere), ৩) মেছ'স্ফিয়েৰ (Mesosphere), ৪) আয়ন মণ্ডল (Ionosphere) আৰু ৫) বহিঃ মণ্ডল (Exosphere)।




বায়ুমণ্ডলৰ ঠিক তলতেই জলৰাশি অৱস্থিত। এই জলৰাশিৰ এটা গভীৰ স্তৰে পৃথিৱীৰ উপৰিভাগ বা ভূতত্বক আৱৰি ৰাখিছে। পৃথিৱীৰ সকলো ঠাইতে এই জলৰাশিৰ গভীৰতা সমান নহয়। পৃথিৱীৰ দুই তৃতীয়াংশই হৈছে পানী ইয়াৰ নাম দিয়া হৈছে জলমণ্ডল বা বাৰিমণ্ডল। পৃথিৱীৰ সাগৰ, মহাসাগৰ ইয়াৰেই অংশ।

পৃথিৱীৰ জলভাগৰ তলতেই অৱস্থিত শিলৰ তৰপ। ইয়াৰ নাম শিলামণ্ডল বা অশ্মমণ্ডল (Lithosphere) ভূপৃষ্ঠৰ পৰা ই প্ৰায় ১০০ কিলোমিটাৰলৈকে বিস্তৃত।

# উদাৰতা আৰু শান্তিৰ প্ৰতীক মালালা

**মালবিকা খাখলাৰী**
*স্নাতক তৃতীয় ষাণ্মাসিক*



২০১২ চনৰ ৯ অক্টোবৰ— ই আছিল এক অভিশপ্ত দিন মালালা ইউচুফজাইৰ জীৱনৰ। এই দিনটোৱে মালালাৰ জীৱনলৈ নমাই আনিছিল এক ডাঙৰ পৰিৱৰ্তন। সময় আছিল দুপৰীয়া, মালালা স্কুলৰপৰা অতি আনন্দ মনেৰে ওলাই আহিছিল। কাৰণ সেই দিনাখন তাই 'পাকিস্তান অধ্যয়ন' বিষয়ৰ পৰীক্ষাত সকলোবোৰ প্ৰশ্নৰ উত্তৰ শুদ্ধকৈ লিখিবলৈ সক্ষম হৈছিল। তাই বান্ধৱী মনিবা, কায়নাট, শ্বাজিয়াৰ সৈতে হাঁহি-ধেমালি কৰি 'কুশল ছোৱালী স্কুল'ৰ বাছেৰে ঘৰলৈ উভতি আহোঁতে, হঠাৎ বাছখন কোনো নিৰ্জন ঠাইত ৰৈ গ'ল, তেনেতে দুই যুৱক বাছৰ ভিতৰলৈ প্ৰৱেশ কৰে, তাৰে এজনে চালক ওচমান ভাইজানক সুধিছিল, 'ইয়াত মালালা নামৰ ছোৱালীজনী আছে নে?' ওচমান ভাইজানে কৈছিল যে এনেদৰে স্কুলৰ কোনো ছাত্ৰীৰ তথ্য দিয়া নহ'ব, তেতিয়া আনজন যুৱকে ছোৱালীবোৰৰ ওচৰলৈ গৈ মালালাৰ কথা সোধাত সকলোৱে নিৰৱ হৈ কেৱল চাইছিল মালালাৰ মুখলৈ, মালালাৰ বাহিৰে বাছখনৰ ভিতৰত থকা আটাইকেইজনীৰ মুখ ঢকা আছিল, সেয়ে যুৱকজনৰ বুজিবলৈ বাকী নাথাকিল যে সেই মুখ নঢকা কোমল বয়সৰ ছোৱালীজনীয়ে হ'ল মালাল। যুৱকজনে লগে লগে পিষ্টল উলিয়াই মালালাক উদ্দেশ্য কৰি গুলীৰ বৰ্ষণ কৰি গৈছিল। মালালা মূৰত আঘাতপ্ৰাপ্ত হোৱাৰ পিছ মুহূৰ্তত ঢলি পৰিছিল বান্ধৱী মনিবাৰ কোলাত, এই গুলী বৰ্ষণত অকল মালালাই নহয়, তাইৰ কাষত বহি থকা কায়নাট আৰু শ্বাজিয়াও আহত হৈছিল। এনে অমানৱীয়তাৰ পৰিচয় দি যুৱক দুজনে তাৰ পৰা পলায়ন কৰাৰ পাছত ভিতৰত শুনা গৈছিল এক কান্দোনৰ ৰোল। ততাতৈয়াকৈ বাছখন ৰাওনা হ'ল 'চুৰাট চেণ্ট্ৰেল হস্পিতাল'ৰ অভিমুখে। এনেদৰে সম্পূৰ্ণ এসপ্তাহ মূৰ্ছিত অৱস্থাত থাকি মৃত্যুৰ সৈতে যুঁজ কৰিছিল তাই।

প্ৰকৃততে মালালাৰ দোষ ক'ত? কি অপৰাধ আছিল তাইৰ, যাৰ ফলত তাই সেই তালিবান যুৱকৰ গুলীৰ চিকাৰ হ'ব লগা হৈছিল। আটাইতকৈ ডাঙৰ প্ৰশ্নটো হ'ল— মালালা কোন?

মালালা আছিল এসময়ত পাকিস্তানৰ চুৰাট উপত্যকাৰ, কুশল ছোৱালী স্কুলৰ আটাইতকৈ মেধাৱী ছাত্ৰী আৰু জিয়াউদ্দিন ইউচুফজাইৰ অতি মৰমৰ জীয়ৰী। পিতৃ জিয়াউদ্দিন আছিল নাৰী শিক্ষাৰ সমৰ্থনকাৰী, যাৰ বাবে তেখেতে কেইবাখনো ছোৱালী স্কুল তথা কলেজ স্থাপন কৰি সেইবোৰৰ কামসমূহ নিজে পৰিচালনা কৰিছিল। লগতে তেখেত আছিল তালিবান বিৰোধী। একে আদৰ্শ গঢ় লৈ উঠিছিল মালালাৰ মনতো। তাইৰ সপোন আছিল পাকিস্তানৰ সকলো মহিলাই পুৰুষৰ দৰে শিক্ষিত হৈ আত্মনিৰ্ভৰশীল হওক। ছাত্ৰী হিচাপে মালালা আছিল অতি মেধাৱী, অকল এয়াই নহয়, স্কুলৰ সকলোবোৰ কাৰ্যকলাপ যেনে নৃত্য, সংগীত, চিত্ৰকলা, নাটক আদি সকলোতে সমানে অংশগ্ৰহণ কৰি নিজৰ পাৰদৰ্শিতা দেখুৱাইছিল।

আনহাতে, তালিবানসকলে স্ত্ৰী শিক্ষাৰ বিৰোধিতা কৰি আহিছিল, তেওঁলোকৰ মতে নাৰী কেতিয়াও পুৰুষৰ সমপৰ্যায়ৰ হ'ব নোৱাৰে, ঘৰৰ চাৰিবেৰৰ বাহিৰত ভৰি থ'ব নোৱাৰে, তেনেস্থলত মালালা আৰু তাইৰ দৰে অসংখ্য ছোৱালীয়ে মুক্তভাৱে বোৰ্খা পৰিধান নকৰাকৈ শিক্ষা আহৰণ কৰাটো আছিল তালিবানসকলৰ মতে এক পাপৰ কৰ্ম। পিতৃ জিয়াউদ্দিন আৰু মালালাই কেইবাবাৰো তালিবানসকলৰ পৰা মৃত্যুৰ ভাবুকি পাইছিল যদিও নিজৰ কৰ্ম কৰি যাবলৈ সংকোচ কৰা নাছিল। মালালাৰ পিতৃৰ মতে ৰাতিপুৱাৰ আটাইতকৈ ভাল লগা দৃশ্যটো

হৈছে— ছোৱালীবোৰে হাতত কিতাপ লৈ স্কুললৈ যোৱাটো। কিন্তু ছোৱালীবোৰে বাটত কোনো অচিন মানুহ দেখিলে হাতত থকা স্কুলৰ বেগসমূহ লুকুৱাব লগা হৈছিল। কিন্তু কিয়? বৰ্তমান বিশ্বখনে মহাকাশত বিচৰণ কৰাৰ যুগত এতিয়াও পাকিস্তান তথা বিশ্বৰ আন কোনো ৰাষ্ট্ৰৰ ছোৱালীবোৰৰ শিক্ষা আহৰণ কৰাৰ অধিকাৰ নাই নেকি? মালালাই প্ৰায় ভাবিছিল যে কেতিয়াবা হয়তো তাই স্কুললৈ যাওঁতে কোনো তালিবানৰ হাতত নিজৰ প্ৰাণ হেৰুৱাব লগা হ'ব পাৰে, তাই অনবৰতে মনতে এক আশংকা লৈ ফুৰিছিল।

এনেদৰে এদিন নহয়, দুদিন নহয় সম্পূৰ্ণ এসপ্তাহ মালালা মূৰ্ছিত অৱস্থাত আছিল, মৃত্যুৰ সৈতে যুঁজ কৰিছিল। অৱশেষত মৃত্যুক পৰাস্ত কৰি ১৬ অক্টোবৰ তাৰিখে যেতিয়া তাইৰ চেতনা ঘূৰি আহিছিল, তেতিয়া তাই নিজকে আৱিষ্কাৰ কৰিছিল গৃহভূমিৰপৰা কেইবা হাজাৰ মাইল দূৰত্ব, এক অচিনাকি পৰিৱেশত। মালালাৰ মনত বহুতো প্ৰশ্নৰ ঢৌ উঠিছিল, তাই ক'ত আছিল? তাইক ইয়ালৈ কোনো আনিছিল? তাইৰ পিতৃ-মাতৃ ক'ত আছিল? তাইৰ দেউতাকো তালিবানসকলৰ গুলীৰ চিকাৰ হ'ল নেকি? ইত্যাদি। তাই গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাৰ বাবে কথা ক'ব পৰা নাছিল। এগৰাকী নাৰ্চৰ সহায়ত তাই জানিব পাৰিছিল যে তাইক ইংলেণ্ডৰ বিৰমিংহামৰ 'Queen Eeizabeth Hospital' ত ৰখা হৈছিল। ডাঃ ফিঅ'নাই দিয়া ডায়েৰীত মালালায়ে লিখা বাক্যবোৰ আছিল এনেদৰে— 'Who did this to me? When will my father come? We don't have enough money? Who will pay for my treatment?' মালালাই মনত পেলাব পৰা নাছিল কি হৈছিল তাইৰ, ইয়ালৈ তাই কেনেকৈ আহিছিল। ডাঃ ফিঅ'নাই তাইক কৈছিল, যে তাইক স্কুল বাছত গুলী কৰা হৈছিল, লগতে তাইৰ দুজনী বান্ধৱীও আঘাতপ্ৰাপ্ত হৈছিল। মালালাই বহু যত্ন কৰিও ছোৱালী দুজনীৰ নাম মনত পেলাব পৰা নাছিল। মস্তিষ্কত গুলী লগাৰ সত্ত্বেও ডাঃ ফিঅ'না, ডাঃ জাৱিডৰ দৰে অভিজ্ঞ চিকিৎসকৰ প্ৰচেষ্টাত মালালাৰ প্ৰাণ ৰক্ষা পৰাটো কোনো চমৎকাৰতকৈ কম নাছিল। মালালাৰ মনত প্ৰতিশোধ লোৱাৰ কোনো ভাব নাছিল, তাই কেৱল ঘৰলৈ উভতি যাব বিচাৰিছিল। মালালাই উপলব্ধি কৰিছিল যে তাই লাভ কৰা পুনৰ জন্মৰ উদ্দেশ্য হৈছে মানৱ জাতিক সহায় কৰা, প্ৰত্যেক শিশুকে শিক্ষিত কৰি তোলাত সহায় কৰা।

অৱশেষত ১৬ দিনৰ অন্তত তাই লাভ কৰিছিল পিতৃ-মাতৃৰ সান্নিধ্য। বৰ্তমান মালালা পিতৃ-মাতৃ আৰু ভাতৃৰ লগত বাস কৰি আছে যুক্তৰাষ্ট্ৰত, তথাপিও তাইক মাতৃভূমিৰ স্মৃতিয়ে মাজে মাজে আমনি কৰে। মালালা আল্লাৰ প্ৰতি কৃতজ্ঞ, তাইক পুনৰ জন্ম দান কৰাৰ বাবে, যাৰ দ্বাৰা তাই নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিব। প্ৰত্যেক ঘৰ, প্ৰত্যেক গাঁও, প্ৰত্যেক দেশ আদিত শান্তি বিৰাজ কৰক এয়াই মালালাৰ সপোন, প্ৰত্যেক ল'ৰা-ছোৱালীয়ে শিক্ষিত হওক, প্ৰত্যেক মানুহৰ মুখত হাঁহি বিৰিঙাব পৰাটো তাইৰ লক্ষ্য।

তাইৰ জীৱন সলনি হৈছে, কিন্তু তাই সলনি হোৱা নাই, এয়ে হ'ল মালালাৰ কাহিনী।

---

# মোৰ মা

**আব্দুল মুবিন হাজৰিকা**
*স্নাতক প্ৰথম ষাণ্মাসিক*

মা হৈছে আমাৰ সপোনৰ ৰং। 'মা'য়ে আমাক জন্ম দি মৰম-চেনেহ কৰি অতি আদৰেৰে ডাঙৰ-দীঘল কৰে। মাৰ সেই অত্যন্ত মৰমতে আমি অতি নিম্নৰপৰা উচ্চ শাৰীলৈ থিয় হওঁ। মানুহ সদায় মাকৰ মৰমতে ডাঙৰ হয়।

'মা' আমাৰ অতি আদৰৰ। আমি মা-দেউতাক সন্মান কৰোঁ। 'মা'ৰ আদেশ আমি মানি চলোঁ। তেতিয়াহে আমি জীৱনৰ প্ৰতিটো স্তৰতে সুফল লাভ কৰিব পাৰোঁ আৰু অতি উচ্চ শাৰীলৈ যাব পাৰোঁ। 'মা' আমাৰ জীৱনৰ প্ৰতিটো সময়তে লগত থাকে। আমি যদি ক'ৰবাত খেলি-ধূলি দুখ পাওঁ তেতিয়া 'মা'ৰ মনতহে দুখ হয়। যেনিবা আমি বেছিকৈহে দুখ পাইছোঁ। আৰু তেতিয়া 'মা'ৰ মৰম-ভালপোৱাই আমাক সুস্থ কৰি তোলে। 'মা'ৰ মৰম, ভালপোৱা আমি বুজিব লাগে আৰু আমি কেতিয়াও 'মা'ক অৱহেলা কৰিব নালাগে। 'মা'ৰ প্ৰত্যেকটো কথাই অতি মন দি শুনিব লাগে। তেতিয়াহে আমাক ভগৱানেও আশীৰ্বাদ দিব আৰু 'মা'য়েও আশীৰ্বাদ দিব। মই 'মা'ক বহুত সন্মান কৰোঁ 'মা'ৰ অবিহনে মোৰ জীৱন অনৰ্থক 'মা'ক মই কেতিয়াও অৱহেলা নকৰোঁ আৰু প্ৰতিটো কথাই মন দি শুনো। 'মা'য়ে মোক বহুত ভাল পায় আৰু 'মা'কো মই বহুত শ্ৰদ্ধা কৰোঁ। আৰু বহুত বহুত ভাল পাওঁ।





# গুৰুৰ প্ৰভাৱ

**মাধুৰী কুমাৰী**
*স্নাতক পঞ্চম ষাণ্মাসিক*

জীৱনৰ পৰিপূৰ্ণ বিকাশৰ বাবে গুৰুৰ প্ৰয়োজন সৰ্বাধিক। জীৱনত গুৰু অবিহনে যিকোনো ব্যক্তিৰ বিকাশ সাধন অসম্ভৱ। যি কোনো ব্যক্তিয়ে নহওক কিয় জীৱনৰ কোনোবা নহয় কোনোৱা মুহূৰ্তত গুৰু সান্নিধ্য লাভ কৰিবই লাগে। এজন ব্যক্তিৰ সৃজন ক্ষমতাৰ বিকাশ সাধনত গুৰুৰ অৱদান সৰ্বাধিক। গুৰু বুলি কওঁতে যি কোনো জ্ঞান প্ৰদানকাৰীক বুজায়। সেই জ্ঞান প্ৰদানকাৰী তেওঁৰ মাতৃ, পিতৃ, সমাজৰ আন ব্যক্তি আদিও হ'ব পাৰে। প্ৰাচীন কালৰ পৰাই শিক্ষাগুৰুসকলক মহান ব্যক্তি হিচাপে অভিহিত কৰা হয় আৰু শিক্ষকক ভগৱানৰ লগত তুলনা কৰা হয়। অধ্যাপক হুমায়ুন কবীৰৰ ভাষাত শিক্ষাগুৰুসকল হৈছে প্ৰকৃত অৰ্থত দেশৰ ভৱিষ্যৎ গঢ়োঁতা (Teachers are literally the architect of a nations destiny) গুৰুৰ প্ৰভাৱ চিৰ বিদ্যমান তেওঁলোকে যিকোনো এখন দেশৰ ভৱিষ্যৎ গঢ়ি তুলিব পাৰে। প্ৰকৃতাৰ্থত শিক্ষকসকলে মানৱ সম্পদৰ বিকাশ সাধন কৰোঁতা যাৰ বাবে শিক্ষকক Man Maker Engineer বুলি কোৱা হয়। শিক্ষকসকলে নিজৰ ভূমিকা আৰু দায়িত্ব ভালদৰে সম্পন্ন কৰিবলৈ হ'লে তেওঁলোকক প্ৰশিক্ষণৰ প্ৰয়োজন। শিক্ষকসকলে বৃত্তিগত প্ৰশিক্ষণৰ সহায়তহে পৰিৱৰ্তিত সমাজ ব্যৱস্থাৰ লগত নিজকে ভালদৰে সমযোজিত কৰিব পাৰিব।

গুৰু ব্ৰহ্মা গুৰু বিষ্ণু গুৰু দেৱ মহেশ্বৰ
গুৰু সাক্ষাত পৰম ব্ৰহ্মা তচমৈ শ্ৰীগুৰুৱে নমঃ

গীতাৰ এই শ্লোকত গুৰুৰ মহাত্ম্য প্ৰকাশ পায়। গুৰুৱে কোৱা কথা সদায় সত্য আৰু শুদ্ধ। শিক্ষাৰ্থীয়ে কেৱল ইয়াক অনুকৰণ বা পালন কৰিব লাগে। কিন্তু বৰ্তমানত এই ধাৰণা কিছু পৰিৱৰ্তন হয়। য'ত শিক্ষক সত্য আৰু শুদ্ধ হ'বৰ বাবে প্ৰশিক্ষণৰ প্ৰয়োজন। বৰ্তমান শিশুৰ ৰুচিৰ ওপৰত ভিত্তি কৰি সমগ্ৰ শিক্ষা ব্যৱস্থা গঢ়ি তোলা হয়।

প্ৰকৃত শিক্ষক বা গুৰু সেইজন যিজন জাতি-ধৰ্মৰ ভেদাভেদৰ ঊৰ্ধ্বত জ্ঞানৰ ভাণ্ডাৰ শিশুক বুজি পায় শিক্ষাদান কৰে, নিজৰ বৃত্তিৰ প্ৰতি সদায় শ্ৰদ্ধাশীল নিজৰ দায়িত্ব বুজি পায়।

বৰ্তমান সময়ত শিক্ষকৰ কিছু ত্ৰুটি পৰিলক্ষিত হয়। কিন্তু কিছু সংখ্যক শিক্ষকৰ স্বেচ্ছাচাৰীৰ বাবে আমি সমগ্ৰ শিক্ষক সমাজক স্বেচ্ছাচাৰী বুলিব নোৱাৰে। প্ৰাচীন কালৰ শিক্ষকৰ ধাৰণা বা সংজ্ঞা যাতে সলনি নহয় তাৰ প্ৰতি সকলোৱে গুৰুত্ব দিয়া উচিত।





এই কঁহুৱা ফুলাৰ বতৰত, নিয়ৰ সনা শৰতত। বিছনাখনৰপৰা উঠি হিয়াই তাইৰ কমৰ খিৰিকীখন খুলি দিলে। পূৰ্ণিমাৰ জোনটোৰ পোহৰে তাইৰ গালে-মুখে ৰূপালী আভা সানি কমটোৰ মজিয়ালৈকে জোনাক সিঁচি দিলে তৰাৰ দেশৰপৰা। মনিয়ে কৈছিল, The brightest stars are those who shine for the benefit of others. হিয়াৰ দুধাৰি তপত চকুলো বৈ গ'ল— মনিক নিজৰ লগত পোৱাৰ অনুভৱত।

# কঁহুৱা ফুলাৰ বতৰত... নিয়ৰ সনা শৰতত...

**খিজুমণি শইকীয়া**
অধ্যাপিকা, ভূগোল বিভাগ

হিয়া, ঐ হিয়া... উধাতু খাই চিঞৰি অহা মনিদ্বীপৰ মাতত হিয়া ৰিডিংৰূমৰপৰা ওলাই আহিল। মনিদ্বীপে হাতত থকা I-Card খন আগবঢ়াই দি ক'লে—

'বন্ধু এয়া চোৱা মোৰ advocateৰ লাইচেন্স। এতিয়াৰপৰা তোমাৰ বন্ধু মনিদ্বীপ কাশ্যপ অধিবক্তা হ'ল'।

'Congratulation my dear friend বহানা', মনিক বহিবলৈ দি হিয়াই লাইচেন্সখন হাতপাতি লৈ ভালকৈ চাই তাক ঘূৰাই দিলে।

'দেখিলা তোমাৰ বন্ধু এই মনিদ্বীপ এতিয়া অধিবক্তা হ'ল'— হাতপাতি লাইচেন্সখন লৈ মনিদ্বীপে সগৰ্বে ক'লে।

'হ'ব, হ'ব অধিবক্তা ডাঙৰীয়া আপুনি এই ডাঃ প্ৰেৰণা চৌধুৰী ওৰফে আপোনাৰ বন্ধু হিয়াৰ আগত বেছি অহংকাৰ কৰি দেখুৱাব নালাগে। তোমালোক উকীলবোৰেই কেইটামান টকাৰ বিনিময়ত সঁচাক মিছা কৰা আৰু মিছাক সঁচা কৰা, যাৰ বাবে প্ৰকৃত দোষীবোৰে সমস্ত আইন ব্যৱস্থাটোক বৃদ্ধাংগুষ্ঠ দেখুৱাই ঘূৰি ফুৰিছে।'

'এই wait, wait ডাঃ প্ৰেৰণা। আৰে তুমিতো মোৰ কৰ্মৰ প্ৰেৰণা, মোৰ জীৱনৰ

তাড়না। তোমাৰ দৰে বন্ধু মোৰ লগত আছা, চাবাচোন মই সদায় সত্যৰ হকে নিঃস্বাৰ্থভাৱে কাম কৰি যাম। তোমাৰ শপত হিয়া।'

'হ'ব হ'ব ইমান Seriousহৈ দেখুৱাব নালাগে। ইমান emotional হৈছা যে কিয়?'

'নাই অ', সৰুতেই মা-দেউতাই এৰি গ'ল। খুড়াই যি আৱৰি আছিল খুড়ায়ো চিৰদিনলৈ মোক অনাথ কৰি গুচি গ'ল।'

'মনি আহিলা, ভাল খবৰটো ভিতৰৰপৰা শুনিয়েই একেবাৰ চাহ-মিঠাই লৈ আহিছোঁ, খোৱাচোন, হিয়াৰ মাকে মনিক মাত দি চাহ খাবলৈ যতনাই দিলে।'

'অ' খুড়ী ভাল খবৰটো দিবলৈনো মোৰ আৰু আছে কোন?'

'কিয় আমিবোৰ কোনো নহয়?' হিয়াৰ মাকে কৃত্ৰিম খঙেৰে সুধিলে।

'নহয় খুড়ী আপোনালোকৰ বাহিৰেনো মোৰ আৰু কোন আছে আপোন বুলিবলৈ। তথাপি মা-দেউতা আৰু খুড়ালৈ আজি বৰকৈ মনত পৰিছে। মোক পঢ়ুৱাই আজিৰ এই পৰ্যায়লৈ মোক সংস্থাপিত কৰা খুড়া থকাহেঁতেন।'

'বুজিছোঁ মনি, তথাপি তুমি দুখ নকৰিবা, তেওঁলোক য'তে আছে তাৰপৰাই সকলো দেখি আছে— হিয়াৰ মাকে মনিক সান্ত্বনা দিবলৈ চেষ্টা কৰিলে।'

'অ' মা, চোৱাচোন ই আজি ইমান ভালদিনটোত কেনেকুৱাখন কৰি আছে।'

'হেই গেদী chance পাই কিয় মোক এনেকৈ attack কৰিছা? চাও, আঁতৰ হোৱা, মোৰ ভোক লাগিছে, চাহ খাব দিয়া— মনিয়ে যেন নিজকে লুকুৱাব খুজিলে। খোৱা খোৱা লাগিলে মই আৰু দিম'— হিয়াৰ মাকে মনিক তেনেকৈ কৈ হিয়াকো চাহ একাপ দি ভিতৰলৈ যাবলৈ ওলাল।

'অ' খুড়ী, আপুনি কিন্তু মোক সদায় এনেকৈয়ে মৰম কৰি থাকিব দেই'— চাহ খাই খাই মনিয়ে ক'লে।

'অতোন আকৌ, মইতো তোমাক সদায়েই নিজৰ বুলি মৰম কৰি আহিছোঁ' বুলি কৈ হিয়াৰ মাক পাকঘৰলৈ গ'ল।

হঠাৎ মনিয়ে চাহ খাবলৈ এৰি হিয়াৰ ওচৰলৈ উঠি আহি হিয়াৰ হাত এখনত ধৰি নিজে মজিয়াত আঁঠু কাঢ়ি সুধিলে— 'হিয়া, মই যদি তোমাক গোটেই জীৱনটোৰ বাবে বিচাৰোঁ, মোৰ হ'বানে', মনিৰ চকুত যেন অযুত আশাই তিৰ্‌বিৰ্ কৰিছে।

'বাহ, মোৰেই ঘৰত বহি মোকেই propose কৰিছা, ইমান সাহ। পাহৰিলা নেকি মোৰ যে ডাঃ অম্লান গোস্বামীৰ লগত বিয়া ঠিক হৈ আছে। নে মোক propose কৰাৰ চলেৰে আন কাৰোবাক proposal দিয়াৰ reharsal কৰিছা?'

'আৰে তুমিতো জানাই A woman with a vision needs a man with ambition' মনিৰ কথাত হাঁহিত ফাটি পৰিল দুয়ো। কিন্তু হঠাৎ যেন মনিয়ে উশাহ লোৱাত কষ্ট পালে। বুকুত এক বিষে খুন্দা মাৰি ধৰি উশাহবোৰ চুটি চুটি হ'বলৈ ধৰিলে।

'মনি কি হৈছে তোমাৰ'— হিয়াই ব্যস্ত হৈ মনিৰ ওচৰ চাপি আহি তাৰ বুকু-পিঠি মোহাৰি দিয়াত সি যেন অকণ সকাহ পালে।

'এই ইমান মৰম নকৰিবা, নহ'লে তোমাৰ কলিজাত PRCনোহোৱাকৈ বেদখল কৰি বহি যাম।'

'চুপ, ইমান কথা কয়, তোমাৰ আগতেও কেতিয়াবা এনেকুৱা হৈছে নেকি? ECgএটা কৰাব লাগিছিল। Heartৰ কিবা হ'ব পাৰে— হ'ব হ'ব ডাক্তৰণী বাইদেউ, মোঝে বক্স ড'। মই যাওঁ এতিয়া।'

ওলাই যোৱা মনিৰ ফালে চাই হিয়া যেন অলপ চিন্তিত হ'ল। কিয় সি এনেকৈ হঠাৎ অসুস্থ হ'ল আৰু সি কোৱা কথাবোৰ? এটা মুহূৰ্তৰ বাবে তাৰ দুচকুত দেখা আৱেগবোৰ? কিন্তু সি দেখোন জানেই তাইৰ অম্লানৰ লগত ঘৰৰ ফালৰপৰা বিয়া ঠিক হৈ আছে। মনি, যাৰ লগত তাইৰ শৈশৱৰ চিনাকি। সেয়া প্ৰায় চৈধ্য বছৰ আগৰ কথা—

'মা, মা'— হিয়াৰ কাণফলা চিঞৰত মাক উধাতু খাই ভিতৰৰপৰা দৌৰি বাহিৰলৈ ওলাই আহিল। দেউতাকৰ বন্ধু, চহৰখনৰ খ্যাতিমান শিক্ষক কমল খুড়াই হিয়াৰ লগতে অচিনাকি ল'ৰা এটাক লগত লৈ তেওঁলোকৰ দুৱাৰমুখ পাইছিলহি—সেয়াই আছিল আৰম্ভণি। খুড়াই চিনাকি কৰাই দিছিল, 'এয়া মনিদ্বীপ, মোৰ ভতিজা'। কমল খুড়াই হিয়াৰ মাকক কৈছিল হিয়াহঁতৰ ঘৰৰ গাড়ীৰ ড্ৰাইভাৰে হিয়াক স্কুলৰপৰা আনোতে গাড়ীৰ ভিতৰতে নিজৰ কু-অভিসন্ধি চৰিতাৰ্থ কৰিব বিচাৰোঁতেই ফুটপাথেৰে যোৱা মনিদ্বীপে দেখা পাই বিশেষ একো বুজি নাপালেও কিন্তু এজনী ছোৱালীয়ে নিবিচৰা কিবা এটা হৈছে বুলিয়ে নেকি ৰাস্তাৰ কাষত পৰি থকা ডাঙৰ শিলগুটি এটা তুলি লৈ গাড়ীৰ গ্লাছ ভাঙি ড্ৰাইভাৰৰ মূৰত শিলটোৰে কোবাব ধৰিলে। লগে লগে মানুহ আহি গোট খায় আৰু পুলিচ আহি চহৰখনৰ সকলোৰে পৰিচিত ড° অৰবিন্দ চৌধুৰীৰ গাড়ী আৰু ড্ৰাইভাৰক থানালৈ লৈ যায়। হিয়াক খ্যাতিমান শিক্ষক তথা হিয়াৰ দেউতাকৰ বন্ধু কমল খুড়াই চমজি লৈ হিয়াহঁতৰ ঘৰলৈ আহে। সেই দিনটোৰপৰা আজিলৈকে মনিয়ে কেৱল নিঃস্বাৰ্থভাৱে বন্ধুত্বৰ উমাল কৰণিৰ আবদাৰ আৰু নিৰাপত্তাৰে হিয়াক আৱৰি ৰাখিছে।

হঠাৎ ভিতৰৰপৰা ফোনৰ ৰিংটোন এটা বাজি উঠিল— 'হম তেৰে মেহফিল মে ৰহে য়া না ৰহে কই গম নেহি...' আৰে এই মনিটোৱে মোৰ ম'বাইলৰ ৰিংটোনটো সলাই থৈ

গ'ল তাৰমানে। হিয়াই ফোনটো ল'ৰালৰিকৈ ৰিচিভ কৰিলে—

'হেল্ল' অম্লান, কোৱা।'

'প্ৰেৰণা এটা critical surgery আহিছে, please come soon.'

ok, গৈ আছো বুলি ফোনটো কাটি হিয়াই লৰালৰিকৈ গাড়ীখন গেৰেজৰপৰা উলিয়াই ওলাই গ'ল। গাড়ীখন লৈ ওলাই যোৱা হিয়াৰ মূৰত যেন তেতিয়াও মনিৰ কথাবোৰে আউল লগাই আছিল। মনিয়ে ধেমালিৰ চলেৰে কোৱা কথাবোৰৰ কোনোবাখিনিত বাৰু সত্যতা লুকাই আছে নেকি? হিয়াই এই সংক্ৰান্তত মনিক এদিন স্পষ্টকৈ সোধাৰ সিদ্ধান্ত ল'লে।

এটা breaking news, প্ৰতিটো news channel ত... 'চহৰখনৰ একমাত্ৰ চৰকাৰী হস্পিতালৰ যুৱ চিকিৎসক ড° অম্লান গোস্বামীক কৰ্মৰত নাৰ্চৰ সৈতে অসংযত অৱস্থাত উদ্ধাৰ'। খবৰটোৱে গোটেই চহৰখনকে জোকাৰি যোৱাৰ সমান্তৰালভাৱে বিধ্বস্ত কৰিলে হিয়াৰ মন-মগজুক। দুখত ভাগি পৰা হিয়া সন্ধিয়া পৰত বিছনাখনতে পৰি উচুপি আছিল।

'হিয়া'— মনিৰ মাতত বাৰিষাৰ বান্ধ ভঙা নৈৰ দৰেই উথলি উঠা হিয়া বাউলী হৈ আহি মনিৰ বুকুত সোমাই অবুজন হৈ কান্দি কান্দি 'সি কিয় এনেকুৱা কৰিলে' বুলি কৈ বেছিকৈ কান্দিবলৈ ধৰিলে।

'হিয়া, শুনাচোন, তুমি চিন্তা নকৰিবা। সকলো ঠিক হৈ যাব। আমিবোৰ তোমাৰ লগত আছোঁ নহয়।' মনিৰ কথাত হিয়াই আৰু বেছিকৈহে কান্দিব ধৰিলে।

'হিয়া plase নাকান্দিবা, যি হ'ল হৈ গ'ল। সি তোমাৰ যোগ্যই নাছিল। নিজক এনেকৈ আৰু কষ্ট দি নাথাকিবা। মা-দেউতাৰ কথা ভাবাচোন, তেওঁলোকৰ বাবেই নিজক চম্ভলাচোন। আমি চব্ সদায় আছোঁ তোমাৰ লগত, নাকান্দিবা হিয়া।' মনিৰ বুকুত সোমাই তেতিয়াও কান্দি থকা হিয়াক মৰমেৰে সাবটি লৈ মূৰত হাত ফুৰাই মনিয়ে সান্ত্বনা দিলে। এক নিষ্পাপ আবেগত মনিয়ে হিয়াৰ কপালত নিজৰ দুয়ো ওঁঠেৰে এক তপত স্পৰ্শ আঁকি দিলে। খিৰিকীৰে ছিটিকি অহা জোনাকৰ পোহৰে উমান দিলে পূৰ্ণিমাৰ জোনটো এই মুহূৰ্তৰ সাক্ষী হৈ ৰোৱাৰ।

আকৌ এবাৰ মনিৰ বন্ধুত্বৰ কৰণিৰে নিগৰা আশ্বাস আৰু ভৰসাত হিয়াৰ চকুপানীবোৰ ব'বলৈ ক্ৰমাৎ বন্ধ হৈছিল। কোনোবাই ঠিকেই কৈছিল। 'True friendship shows their love in times of trouble, not in happiness' নিজক চম্ভালিবলৈ চেষ্টা কৰি বিছনাখনত বহা হিয়াই সুধিলে—

'মনি, পৃথিৱীত দেখোন কোনেও কাকো নুবুজে অ'। কলিজাটোত এক ভীষণ বিষে খুন্দা মাৰি ধৰে জানানে। বহুত দুখ পাইছোঁ। কিয়, কিয় ইমান নীচ কাম কৰিলে সি? জীয়াই থকা দিনকেইটাত পোৱা-নোপোৱাৰ নামত কিয় ইমান যোগ-বিয়োগৰ অংক কৰিলে সি মোক লৈ?'

হিয়াৰ প্ৰশ্নবোৰৰ উত্তৰ মনিৰ ওচৰত একো নাছিল। মনিৰ সেমেকা দুচকুত চকু থৈ হিয়াই আকৌ সুধিলে, 'তুমি মোৰ দুখবোৰ অনুভৱ কৰিব পাৰিছানে? তোমাৰ কিবা দুখ আছে জানো?'

'অ'ই মোৰ আক' কি দুখ থাকিব? মইতো হীৰুদাৰ ভাষাৰেই 'তোমাৰ সুখত সুখী, তোমাৰ দুখত দুখী....' অপ্ৰস্তুত হ'লেও নিজক সংযত কৰি কথাখিনি কোৱা মনি যে ভিতৰি ভিতৰি ক্ৰমাৎ নিঃশেষ হৈ গৈছে। কেনেকৈ কয় 'হিয়া মই কেৱল তোমাক, কেৱল তোমাক ভাল পাইছোঁ শৈশৱৰপৰাই'। কেনেকৈ কয় হিয়াহঁতৰ ঘৰত এদিন হঠাৎ হোৱা বুকুৰ বিষয়টোৰপৰা ক্ৰমাৎ ওজন কমি উশাহ চুটি চুটি হৈ পৰাৰ পিছত কাহত তেজ ওলাই সি গম পোৱালৈ তাৰ Lung cencer ৰ last stage হৈছেহি।

'অ' মনি, তুমি কিন্তু মোক নঠগাবা দেই। মোক এৰি আঁতৰি নাযাবা কেতিয়াও'— হিয়াৰ আকুল মিনতি।

'নাযাওঁ বাৰু, সদায় তোমাৰ লগতে থাকিম' বুলি ক'লে যদিও মনিয়ে কেনেকৈ কয় সি যে নিজেই ঠগ খাই গ'ল। জীৱনে খুব বেয়াকৈয়ে ঠগালে তাক। মনিয়ে লাহেকৈ ক'লে— হিয়া, এতিয়া মই ঘৰলৈ যাওঁ।

'ঠিক আছে, যোৱা বাৰু'— হিয়া যেন অলপ শান্ত হ'ল, নিজক চম্ভালিবৰ সামৰ্থ্যৰে।

বাজি উঠা ফোনৰ ৰিংটোনৰ শব্দত মনিয়ে সাৰ পালে। ফোনটো receive কৰাৰ আগতেই বাজি বাজি কাটি গ'ল। ফোনটো হাতত লৈ সি ভাবিলে যোৱাকালি হিয়াহঁতৰ ঘৰৰপৰা আহি বিছনাত পৰি থাকিও বহু ৰাতিলৈকে তাৰ টোপনি যোৱা নাছিল। নিশা দুই মান বজাৰ পিছতহে তাৰ টোপনি আহিছিল। এতিয়া আঠ বাজিল। হাতত লৈ থকা ফোনটো আকৌ বাজি উঠাত মনিয়ে লৰালৰিকৈ ফোনটো receive কৰিলে—good moning হিয়া, কোৱা।

'Good morning তুমি কি এতিয়ালৈকে শুইয়েই আছা। আৰে মোক যে আজি তুমি ইয়াৰপৰা চল্লিশ কিলোমিটাৰ দূৰৰ সেউজপুৰ নামৰ গাঁওখনত বিনামূলীয়া চিকিৎসা শিবিৰৰ বাবে তাত থৈ অহাৰ কথা আছিল, পাহৰিলা? ১০ বজাত গৈ পাবগৈ লাগিব।' হিয়াৰ কথাত মনিৰ মনত পৰিল ভিতৰুৱা গাঁওখনলৈ হিয়াক লৈ যোৱা আৰু লৈ অনাৰ promise কৰিছিল সি।

'Sorry, Sorry আধাঘণ্টাত তোমাৰ ঘৰ পাই আছোঁ। Dont worry হিয়া, ১০টাত পাই যামগৈ দিয়া। Bye' মনিয়ে ফোনটো কাটি দিলে যদিও বিছনাৰপৰা উঠিবলৈকে তাৰ মন

নগ'ল। গাটো বৰ দুৰ্বল যেন অনুভৱ কৰিছে, যোৱাকালি ঔষধ খাবলৈও পাহৰিলে। তথাপি অলসভাৱেই বিছনাখনৰপৰা উঠি সি গা ধোৱা ঘৰত সোমাল। প্ৰায় পয়ত্ৰিশ মিনিট মানৰ মূৰত মনিয়ে চলাই যোৱা গাড়ীখন ৰাস্তাৰ কাষলৈ চপাই, আহি থকা ফোন কলটো receive কৰি ক'লে, 'হিয়া মই তোমালোকৰ ঘৰৰ ওচৰ পাইছোঁহিয়েই তুমি ওলাই আহা'।

ইতিমধ্যে পদূলিত ৰৈ থকা হিয়াই ফোনটো কাটি মনিয়ে ৰখোৱা গাড়ীখনত উঠি বহিল।

'হিয়া, ৰাস্তাত ক'ৰবাত মোক চাহ খুৱাবা দেই।'— মনিয়ে ক'লে।

'ও, তাৰমানে তোমাৰ কিবা এটা খাবলৈও সময় নহ'ল। মনি, please তোমাক জোৰকৈ লৈ অনা বাবে মোক বেয়া নাপাবা। আচলতে ইমান ভিতৰুৱা গাঁওখনলৈ unitৰ আৰু মানুহ যাব যদিও মই কিবা সহজ হ'ব পৰা নাই। জানা তাত হাতীও ওলায়।'

'অ' এতিয়াহে বুজিছোঁ, মোক বলি কা বকৰা বনাইছা। হাতীয়ে খেদালে তাৰ মানে তোমাৰ সলনি মোকেই আগবঢ়াই দি ক'বা 'হে গজৰাজ, মোৰ ঠাইত মোৰ পৰম মিত্ৰক তুমি তোমাৰ শুঁৰডালেৰে উঠাই লৈ পিঠিত উঠোৱা কিম্বা আচাৰি দিয়া সেয়া সম্পূৰ্ণ তোমাৰ ইচ্ছা, কেৱল মোক এৰি দিয়া।' মনিৰ কথাত দুয়ো হাঁহিলে যদিও হিয়াই হাঁহিৰ আঁৰত লুকুৱাই ৰখা দুখখিনি উপলব্ধি কৰিয়ে মনিয়ে গাড়ীৰ গতিবেগ অলপ কমাই দি ক'লে— 'হিয়া, Longfellowৰ এষাৰি বাক্য সদায় মনত ৰাখিবা, In the world's broad field of battle in the bevok of life, be not like dumb driven cattle, be a hero in the strief.'

'জানা মনি, ভগৱানক মই ধন্যবাদ দিওঁ যে তেওঁ মোক তোমাৰ দৰে বন্ধু দিছে।'

'হয় নেকি আৰু যদি কোনোবা দিনা ভগৱান ক' মে প্যাৰা হ' গয়া ত'?'

'চুপ, কথা ক'ব আহিছে।' হিয়াই মনিক ধমক দি যেন নিজেই গহীন হৈ গ'ল।

'নহয় হিয়া, এটা কথা জানিবা মই যদি মৰিও যাওঁ তথাপি মই সদায় থাকিম তোমাৰ লগত, তুমি কেতিয়াও অকলশৰীয়া নহয়। মোক যদি তেনেকুৱা দিনত মিচ্ কৰা আকাশলৈ চাবা, তৰাৰ দেশত মোক বিচাৰি পাবা। দুচকু মুদি দুহাতেৰে জাপ খোৱা চকুৰ পতাত মোক চুই চাবা, বিচাৰি পাবা। জানাইতো শাৰদী সন্ধ্যাৰ জোনাকী মেল, নিৰলা জীৱনৰ ক্ষণিক খেল।'

'গাড়ী ৰখোৱা, চাহ খাওঁ'— হিয়াই খঙেৰে ক'লে। তাই যেন মনিক হেৰুৱাব নোখোজে তাইৰ আমৃত্যু। শুনিব খোজা নাই সি কোৱা কথাবোৰ।

'যি আজ্ঞা।'— মনিয়ে গাড়ী ৰখাই দুয়ো চাহ খাবলৈ সোমাল ৰাস্তাৰ কাষৰ সৰু হোটেলখনত।

'তুমি বাৰু দিনটো ব'ৰ হ'বা নেকি?' হিয়াই সুধিলে।

'নহওঁ, মই মোৰ কেমেৰা আৰু ডায়েৰী লৈ আনিছোঁ'— মনিয়ে ক'লে। হিয়াই সহজভাৱেই হাঁহিলে মনিৰ অভ্যাসগত কাৰ্যত।

দিনটোৰ ব্যস্ততাৰ অন্তত হিয়াই সূৰ্যাস্তাচলত বহি ডায়েৰীৰ পাতত কিবা লিখি থকা মনিক দূৰৰপৰাই চিঞৰি মাতিলে, মনি আহা আকৌ, বেছি দেৰি হ'লে হাতী ওলাব'!

হাঁহি হাঁহি ওচৰলৈ অহা মনিয়ে ডায়েৰীখন হিয়ালৈ আগবঢ়াই দি ক'লে, 'জানা হিয়া, আজি দিনটো তুমি মানুহৰ মাজত মানুহৰ বাবে ব্যস্ত থাকোঁতে তোমাক নিৰীক্ষণ কৰি তোমাক ক'ব বিচৰা কিছুমান কথা ইয়াত লিখিছোঁ, মোৰ কথাও আছে। কাৰণ তোমাক মই কেতিয়াও ফাকি দিয়া নাছিলোঁ আৰু কেতিয়াও ফাকি দিব নোৱাৰোঁ। লোৱা এইখন পঢ়িবা পিছত। এতিয়া যাওঁ বলা, মোৰ গাটোও বেয়া লাগিছে।

ডায়েৰীখন বেগত ভৰাই কিয় গা বেয়া লাগিছে বুলি ব্যস্ত হোৱা হিয়াক বেছি কথা ক'বলৈ সুবিধা নিদি গাড়ীত বহিবলৈ কৈ মনিয়ে গাড়ী ষ্টাৰ্ট দিলে।

হিয়ায়ো লৰালৰিকৈ বহি লৈ ক'লে rest ল'বাগৈ ঘৰত, ভাত আমাৰ ঘৰতে খাই যাবা, ব'লা।'

মনিয়ে গাড়ীয়ে গতি লোৱাৰ আগতেই audio player টো অন কৰি দিলে। বাজি উঠিল 'হম তেৰে মেহফিল মে ৰহে য়া না ৰ'হে...' হিয়াই দুচকু জপাই টোপনি নগ'লেও আৰামেৰে বহি আহিছে। মনিয়ে তাৰ গাটো বেয়া যেন অনুভৱ কৰিলেও smoothly drive কৰি আছে। কিন্তু... হঠাৎ পথৰ চাৰিআলিটোত সোঁকাষৰপৰা প্ৰচণ্ড গতিত অহা ট্ৰাকখনে আহি মনিহঁতৰ গাড়ীখনত মনি বহা ফালেই খুন্দা মাৰি দিলেহি। মনিয়ে কিবা কৰিবলৈ পোৱাৰ আগতেই সিহঁতৰ গাড়ীখনে পথৰ ওপৰতে এপাক ঘূৰি নিয়ন্ত্ৰণ হেৰুৱাই কাষৰ ডাঙৰ গছজোপাত খুন্দা মাৰে। দুৰ্ঘটনাটো ঘটাই ট্ৰাকখন পলাই যায় যদিও অলপ দূৰত থকা কেইজনমান ব্যক্তিৰ সহায়ৰ বাবে দৌৰি আহিল। ইতিমধ্যে সংজ্ঞাহীন হোৱা হিয়াৰ চকু-মুখত গাড়ীৰ গ্লাছ ভাঙি সোমাইছিল আৰু কপাল ফাটি তেজ বৈ আছিল। আনহাতে ষ্টাৰিঙত মূৰ থৈ ঢলিপৰা মনিৰ কোৱাৰিয়েদি তেজ বৈ আছিল আৰু মুৰ্মুষু অৱস্থাতেই হিয়া, হিয়া বুলি অস্পষ্ট মাতেৰে কিবা ক'ব বিচাৰি আছিল।

তাৎক্ষণিকভাৱে দুয়োকে চিকিৎসাধীন কৰোৱা হয় যদিও হিয়াৰ দুয়োটা চকুত সোমাইপৰা গ্লাছৰ টুকুৰাই চকু দুটাৰ দৃষ্টিশক্তি নষ্ট কৰি পেলালে। ডাক্তৰে অস্ত্ৰোপচাৰ কৰে

যদিও সফল নহ'ল। আনহাতে অস্ত্ৰোপচাৰৰ পাছতো মনিৰ ভাতৃসম চিকিৎসক ডাঃ ভাৰ্গৱ দত্তৰ আপ্ৰাণ চেষ্টাৰ পাছতো গোটেই ৰাতি মনিৰ কলিজা ফাটি ওলোৱা তেজ বন্ধ নহ'ল। কথা ক'বলৈ মানা কৰাৰ পাছতো মনিয়ে বহুত কষ্টৰে বাৰম্বাৰ হিয়াৰ কথা সুধি থকাত ড° ভাৰ্গৱে হিয়া নিৰাপদ যদিও তেওঁৰ দুচকুৰ দৃষ্টিহীনতাৰ কথা ক'বলৈ বাধ্য হ'ল। মনিয়ে অতীতত ডাঃ ভাৰ্গৱক যিখিনি সহায় তথা উপকাৰ কৰিলে তাৰ বাবে ডাঃ ভাৰ্গৱে জ্যেষ্ঠ ভাতৃৰ স্থান দিয়া মনিক ফাঁকি দিয়া বা অবাধ্য হ'ব নোৱাৰিলে। আচলতে মনিৰ Lung cancerৰ কথাটো হিয়াৰপৰা লুকুৱাবলৈ ডাঃ ভাৰ্গৱক মনিয়ে কৰা বাৰম্বাৰ অনুৰোধত ডাক্তৰে বুজিব পাৰিছিল মনিৰ হিয়াৰ প্ৰতি থকা ভালপোৱাক। অৱশ্যে ডাঃ ভাৰ্গৱে মনিক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিছিল। হিয়াক সদায় নহ'লেও যেতিয়াই লগ পাইছিল মনিৰ অনুৰোধ মনত ৰাখি চলিছিল। এতিয়া মনিয়ে মুখেৰে ভালকৈ একো ক'ব নোৱাৰিলে যদিও ইংগিতেৰেই তাৰ চকু দেখুৱাই দিয়াত ডাঃ ভাৰ্গৱে বুজিব লগাখিনি ভালকৈয়ে বুজি পালে।

চেতনা অহাৰ পিছত হিয়াই বলিয়াৰ দৰে মনিক বিচাৰিছিল। তাইৰ প্ৰাণৰো আপোন বন্ধু মনিয়ে তাৰ দুচকুৰে তাইক পৃথিৱীখন চাবলৈ দি নিজে গুচি গৈছিল তৰাৰ দেশলৈ। আজি সম্পূৰ্ণ চাৰিমাহৰ পিছত হিয়াই তাইৰ বেগটোৰপৰা মনিয়ে পঢ়িব বুলি কৈ তাইক দিয়া ডায়েৰীখন তাই উলিয়াই ল'লে। একেবাৰে শেষৰ তাৰিখটো উলিয়ালে তাই। এখন চিঠিৰ দৰে লিখা আছে কথাবোৰ হিয়া আজি তোমাক মানুহৰ বাবে কাম কৰা চাই থাকি মোৰ বৰ ভাল লাগিছে। তুমি ক্ৰমাৎ এটা দুঃস্বপ্নক পাহৰি নিজক চম্ভালিব পৰা হৈছা। মই তোমাক সদায় সুখত চাব খোজো, অ সেইবাবেইতো ক'ব নোৱাৰিলোঁ মই lung cancer ত ভুগি Last stageত আছোঁ বুলি। ভালপোৱাগৰাকীক মোৰ বাবে মই দুখী কৰোঁ কেনেকৈ? এৰা ভালপোৱাগৰাকী। মোৰ মতে ভালপোৱাগৰাকীক ভালপাওঁ বুলি মুখ ফুটাই নক'লেও হয়। অনুভৱ কৰাব নোৱাৰিলে সেয়া যে ভালপোৱাই নহয়। হিয়া, কেতিয়াও মুখ ফুটাই নক'লেও মই যে তোমাকেই ভাল পালোঁ, শৈশৱৰপৰাই। মই মৰিলেও তোমাৰ লগত থাকিম, তোমাৰ অনুভৱত। কেতিয়াও ভাগি নপৰিবা, দুচকু জপাই মোক বিচাৰিলেই মোক তোমাৰ লগতে পাবা। সন্ধ্যা তৰাৰ দেশৰপৰা তোমাৰ খিৰিকীৰে মই তোমাক চাই থাকিম। প্ৰতিটো নিয়ৰ সনা ৰাতিৰ সেমেকা বতাহত মই তোমাক চুই যাম। জানাইতো জোনবাই, জোনাক, নিয়ৰ মোৰ কিমান প্ৰিয়!

এটা অনুৰোধ, If one dream falls and break into a thousand pieces, never be afraid to pick those pieces up and begin again হিয়া, মোক সদায় ৰাখিবা ন তোমাৰ লগত, তোমাৰ মনত। যদি মোক তোমাৰ লগত ৰাখিছা তেন্তে please নাকান্দিবা, please... আছোঁ নহয় তোমাৰ লগত মই! কুশলে থাকা সদায় মানুহৰ মাজত, মানুহৰ বাবে।

হিয়াই হুকহুকাই কান্দি পেলালে। কিয় এই মনিটোৱে ইমান ভাল পায়ো তাইক এবাৰ মুখ ফুটাই নক'লে। সদায় কেৱল তাইক মৰম ভালপোৱাৰে নিৰাপত্তাৰ আৱেষ্টনীত আৱৰি ৰাখিলে। সদায় কাষত থাকিম বুলি কৈ তাইক নিজকে চম্ভালিবলৈ শিকাই সি আঁতৰি গুচি গ'ল। কি কি নাম দি যে মাতিছিল সি তাইক। হিয়াই আজি সঠিককৈ উপলব্ধি কৰিলে তাই বহুবাৰ অনুভৱ কৰা মনিৰ আৱেগসনা মুহূৰ্তবোৰৰ সত্যতা। বুজি পালে মনিৰ অপ্ৰকাশিত সেই ভালপোৱা। হিয়াই দুহাতেৰে নিজৰ দুচকু ঢাকি হুকহুকাই কান্দি উঠিল নিসংগতাৰ দোলনাত। হঠাৎ যেন মনিয়ে কাণে কাণে আহি কৈ গ'ল— এই কান্দিছা, কিয়? মই দেখোন তোমাৰ লগতে আছোঁ, মোৰ দুচকু তোমাক দি গৈছোঁ, মৰিও মই তোমাৰ লগত আছোঁ চোৱা। মই মোৰ কথা ৰাখিলোঁ।

হিয়াৰপৰা ডাক্তৰ আৰু দেউতাকে লুকুৱালেও মাকে তাইক কৈছিল মৃত্যুৰ সময়ত মনিয়ে তাৰ দুচকুৰে তাইক পোহৰ দি যোৱাৰ কথা। হিয়াক যেন মনিয়ে মৰিও বান্ধি থৈ গ'ল তাই কান্দিব নোৱৰাকৈ, তাইক ভাগি পৰিব নিদিয়াকৈ। লাহেকৈ হিয়াই তাইৰ কপালখন চুই চালে, এদিন এনেকৈয়ে কান্দোতে মনিয়ে তাইক বুকুত সুমুৱাই লৈ কপালত মৰম আঁকি দিছিল। সেয়া যে বন্ধুত্বৰ উমাল আশ্বাস, নিষ্পাপ প্ৰেমৰ বিশ্বাস। হিয়াই মনিৰ সপোনটোক তাৰ দুচকুৰে চাব পৰাকৈ ফলিওৱাৰ সংকল্প ল'লে। এৰা, মনিৰ সপোন, মানুহৰ মাজত থাকি মানুহৰ বাবে কিবা এটা ভাল কৰাৰ সপোন। হিয়াই বুটলি ল'লে মনিৰ সপোনটোক তাইৰ কলিজালৈ। হিয়া-মনিৰ এটা সপোন— এই কঁহুৱা ফুলাৰ বতৰত, নিয়ৰ সনা শৰতত। বিছনাখনৰপৰা উঠি হিয়াই তাইৰ ৰুমৰ খিৰিকীখন খুলি দিলে। পূৰ্ণিমাৰ জোনটোৰ পোহৰে তাইৰ গালে-মুখে ৰূপালী আভা সানি ৰুমটোৰ মজিয়ালৈকে জোনাক সিঁচি দিলে তৰাৰ দেশৰপৰা। মনিয়ে কৈছিল, The brightest stars are those who shine for the benefit of others. হিয়াৰ দুধাৰি তপত চকুলো বৈ গ'ল— মনিক নিজৰ লগত পোৱাৰ অনুভৱত।

# অতীতৰ মৰহা স্মৃতি

**উপাসনা বৰা**
*স্নাতক তৃতীয় যাণ্মাসিক*



**আনদিনাৰ** দৰে সেইদিনাও অনু পুৱাতেই শুৱাৰ পৰা উঠিল। নিশাৰ সাজ পাৰ সলাই তাই ফুৰিবলৈ ওলাই গ'ল। অনু অৰ্থাৎ অনুপমা বৰুৱা। এসময়ত এই নামটোৱে নগাঁও কলেজত খলকনিৰ সৃষ্টি কৰিছিল। অপৰূপ ৰূপ-লাৱণ্যৰ অধিকাৰী আছিল অনুপমা বৰুৱা। অকল সেয়াই নহয়; পঢ়া-শুনা, খেল-ধেমালি, নৃত্য-গীত সকলো দিশতে তাই আগবঢ়া আছিল। কিন্তু তাই আছিল অত্যন্ত বে-পৰোৱা আৰু অহংকাৰী। এনে স্বভাৱৰ বাবে তাইৰ বন্ধু-বান্ধৱীৰ সংখ্যা আছিল অতি নগণ্য।

পুৱাই উঠি ফুৰিবলৈ যোৱাটো অনুৰ স্বভাৱত পৰিণত হৈছে। বতৰ বেয়া নহ'লে তাই সদায় ফুৰিবলৈ যায়। গাভৰুকালৰ পলমকৈ উঠা অভ্যাসটো তাই পৰিত্যাগ কৰিছে। ফুৰি আহি হাত-মুখ ধুই তাই বহু সময় বাৰাণ্ডাত বহি অতিবাহিত কৰে। বাতৰি কাকত পঢ়ে, তাতেই বহি চাহ খায়। সেইদিনাও বাৰাণ্ডাত বহি দূৰৰ আকাশখনলৈ চাই ৰ'ল। মনত তাইৰ উদাস উদাস ভাব। প্ৰভাতী আকাশখনি ফৰকাল যদিও মাজে মাজে আলসুৱা মেঘ ভাহি ফুৰিছে। মাজে মাজে বৈ আহে দেহ-মন পৰশা মৃদু বতাহ। তাই ভাবিলে— বৰ্ষাৰ আকাশক কেতিয়াও বিশ্বাস কৰিব নোৱাৰি। খন্তেক পিছতে হয়তো বৰষুণ দিব পাৰে।

ইতিমধ্যে হ'কাৰে বাতৰি কাকত কেইখন গেটৰ ওপৰত থৈ গৈছিল। তাই মোহনক মাতি কাকত কেইখন অনালে। মোহন তেওঁলোকৰ ঘৰৰ কাম-বন কৰা ল'ৰা। তাই মোহনক সুধিলে 'মোহন, মা-দেউতা উঠা নাই নেকি?' 'নাই বাইদেউ।' 'বাৰু জগাব নালাগে। মোক সোনকালে চাহ একাপ দিবি।' মোহনে 'হ'ব বাৰু' বুলি কৈ ভিতৰ সোমাল। অনুৱে প্ৰথমে ইংৰাজী কাকতখন তুলি ল'লে। কিন্তু তাইৰ আজি পঢ়িবলৈ মন নগ'ল। ওপৰে ওপৰে চাই টেবুলত থৈ দিলে।

মোহনে চাহ দি গ'ল। চাহ খাই থাকোঁতে তাই সন্মুখলৈ চালে। ভাহি ফুৰা টুকুৰাটুকুৰ মেঘবোৰ ক্ৰমে ঘনীভূত হৈ পৰিছে। পুৱাৰ বেলিটোক কলীয়া ডাৱৰে আৱৰি ধৰিছে। খন্তেক পিছতে কাণ তাল মৰা ঢেৰেকনিয়ে আকাশ-বতাহ কঁপাই তুলিলে। অনুৰ এনে ভাব হ'ল ঢেৰেকনিটো যেন ওচৰতে ক'ৰবাত পৰিল। এনেকুৱা ঢেৰেকনিলৈ তাই বৰ ভয় কৰে। ওচৰতে থাকিলে ভয়তে তাই মাকক সাবটি ধৰে।

লৰালৰিকৈ তাই ভিতৰলৈ সোমাই গ'ল। নিজৰ কোঠাৰ ড্ৰেচিং টেবুলখনৰ কাষত থিয় হ'লগৈ। সন্মুখৰ আয়নাত সেয়া যেন আন কাৰোবাৰহে প্ৰতিবিম্ব। তাই নিজৰ মুখখন আয়নাৰ ওচৰ চপাই নিয়ে। আগৰ ৰূপ-লাৱণ্য এতিয়া আৰু নাই। তাই নীলাভ চকুযুৰি বহুখিনি ম্লান হ'ল। ওঁঠ দুখন নিস্তেজ হৈ পৰিছে। মুখমণ্ডলত হাত ফুৰাই তাই হতাশ হ'ল। ভৰ যৌৱনৰ কমনীয়তা ইমান হ্ৰাস হ'ল। আজিকালি তাই সঘনে প্ৰসাধন কৰে, কিন্তু সেয়া খন্তেকীয়া চমকনি মাত্ৰ। আজি তাইৰ অবিনাশলৈ বৰকৈ মনত পৰিল। অবিনাশে শেষ চিঠিখন লিখিছিল— 'অনু তুমি সঁচাই নিজৰ ৰূপ-যৌৱনক লৈ অহংকাৰ কৰা। দৈহিক সৌন্দৰ্য চিৰস্থায়ী নহয়। বসন্তৰ নিষ্ঠুৰ পৰশত তোমাৰ দৈহিক সৌন্দৰ্য কুৎসিত হৈ পৰিব পাৰে।' অনুৱে এতিয়াহে অবিনাশৰ কথাৰ অৰ্থ মৰ্মে মৰ্মে উপলব্ধি কৰিছে। কিন্তু তেতিয়া তাই বিদ্ৰূপৰ হাঁহিৰে উৰুৱাই দিছিল। তাই আয়নাৰ সন্মুখৰপৰা আঁতৰি আহিল। তাই পুনৰ বাৰাণ্ডাৰ চকীত বহিলগৈ।

সন্মুখলৈ চাই তাই বহু কথাই ভাবি গ'ল। আজি তাইৰ নিজকে অকলশৰীয়া যেন লাগিল। ধনী পৰিয়ালত জন্মগ্ৰহণ কৰা অনুপমাই কোনোদিনেই অভাৱ অনুভৱ কৰা নাছিল। কিন্তু অহংকাৰী স্বভাৱৰ কাৰণে তাই প্ৰায়ে মাক-দেউতাকৰো

তিৰস্কাৰ শুনিব লগা হৈছিল। একমাত্ৰ ভায়েকটোৱেও তাইক ভাল নাপাইছিল। অবিনাশেও তাইক এৰি গুচি গ'ল।

হঠাৎ অনুৰ ধাৰণামতেই বৰষুণ আহিল লগতে মৃদু বতাহ। তাইৰ মনটো অস্থিৰ হৈ পৰিল। জীৱনৰ পঞ্চল্লিছটা বসন্তৰ গৰাকী তাই অভিজ্ঞপুষ্ট হৈ পৰিছে। বিগত দিনৰ তিক্ত অভিজ্ঞতাই তাইক উপলব্ধি কৰাইছে সঁচাই ৰূপ-যৌৱন ক্ষণস্থায়ী। আজি তাইৰ অবিনাশলৈ বৰকৈ মনত পৰিছে। তাৰ লগত অতিবাহিত কৰা মধুৰ স্মৃতিবোৰে তাইক আমনি কৰিবলৈ ধৰিলে।

অবিনাশ দাধৰা এজন সুন্দৰ সুঠাম চফল ডেকা। তাৰ অমায়িক স্বভাৱৰ বাবে সকলোৰে প্ৰিয় আছিল। সি পঢ়া কলেজখনতে অনুপমাই পঢ়িছিল। অবিনাশ তাইতকৈ দুবছৰে চিনিয়ৰ আছিল। অবিনাশ স্নাতক প্ৰথম বৰ্ষত পঢ়োঁতে অনুপমাই নতুনকৈ নাম লগাইছিল। কলেজৰ নৱাগত আদৰণি সভাত দুয়োৰে চিনাকি হৈছিল। প্ৰথম চিনাকিতে দুয়ো বহু কথাই পাতিছিল। তাৰ পাছত দুয়োৰে মাজত এক নিবিড় সম্পৰ্ক গঢ় লৈ উঠিছিল। দুয়ো হৃদয়ৰ আকুল আহ্বানত অজানিতে প্ৰীতিৰ এনাজৰীৰে বান্ধ খাই পৰিছিল। ইজনে সিজনক এদিন লগ নাপালে এপষেক যেন লগা হ'ল।

লাহে লাহে কলেজৰ সকলোৰে প্ৰেমিকযুগলৰ কথা গম পালে। নানা উৰা বাতৰি ওলাল। কিন্তু তালৈ সিহঁতৰ কোনো ভ্ৰূক্ষেপ নাই। দুয়ো সহজভাৱে নিত্য-নৈমিত্তিক কৰ্তব্যসমূহ কৰি গ'ল। পঢ়া-শুনাৰ ক্ষেত্ৰত একেই উচ্ছ্বাস—সকলোবোৰ সহজভাৱেই কৰি গ'ল। এইদৰেই তিনি বছৰ পাৰ হৈ গ'ল। কিন্তু অবিনাশৰ মন-ফুলনিত তাৰ অলক্ষিতেই বিহ পুলি গজি উঠিল। সি কেতিয়াও ভাবিব নোৱৰা এটা ঘটনা ঘটিল। অবিনাশৰ প্ৰেমে যেন অনুক সন্তুষ্ট কৰিব নোৱৰা হ'ল। যেতিয়া তাই জানিব পাৰিলে অবিনাশ এজন সাধাৰণ শিক্ষকৰ ল'ৰা, তাই তাক নিষ্ঠুৰভাৱে প্ৰত্যাখ্যান কৰিলে। তাক এৰাই চলিবলৈ চেষ্টা কৰিব। হায়! কি মমতাবিহীন হৃদয় তাইৰ। অবিনাশৰ অকৃত্ৰিম ভালপোৱাক নেওচি তাই আঁতৰি গ'ল। নিষ্ঠুৰভাৱেই পত্ৰযোগে জনাই দিলে সি যেন তাইক চিৰদিনৰ বাবে পাহৰি যায়। অবিনাশ উন্মাদৰ দৰে হ'ল। বহু চেষ্টা কৰিও সি তাইৰ মন ঘূৰাব নোৱাৰিলে।

অবিনাশে জানো অনুক পাহৰিব পাৰিব? বন্ধুসকলে বহু ধৰণে বুজালে। সি হতাশ হ'লেও আনৰ আগত অন্তৰৰ ভাব প্ৰকাশ নকৰিলে। কালৰ গৰ্ভত দুটি বছৰ পাৰ হ'ল। সি এম. এ পাছ কৰিলে। অনুৱেও স্নাতক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ল। হঠাতে এদিন সি অনুৰ এখন চিঠি পালে। তাই বিয়াৰ নিমন্ত্ৰণী চিঠি। সি অলপো বিচলিত নহ'ল। কিন্তু সি জানো তাইৰ বিয়াত থাকিব পাৰিব। বহু ভাবি-চিন্তি অৱশেষত সি দূৰলৈ যোৱাৰ সিদ্ধান্ত ল'লে। এদিন নিশাটো উজাগৰে কটাই তাইলৈ এখন চিঠি লিখিলে। পিছদিনা পুৱা বেলাতে চিঠিখন ডাকঘৰত দি অচিন পথেৰে অজান ঠাইলৈ গুচি গ'ল।

কিন্তু কালৰ কি পৰিহাস। সামান্য অজুহাততে অনুপমাই বিয়াত বহিবলৈ অমান্তি হ'ল। মাক-দেউতাকে তাইৰ এনে কাৰ্যত নিৰ্মম আঘাত পালে। তাইৰ ভায়েক পলাশো তাইৰ কাৰ্যত অতিষ্ঠ হ'ল। কেইমাহমান পিছত সুবিধা পাই সিও বিদেশত পঢ়িবলৈ গুচি গ'ল।

লাহে লাহে দিনবোৰ পাৰ হৈ গ'ল। ইয়াৰ পিছতো বহু ল'ৰা আহিল। কিন্তু অনুৰ বিয়াখন হৈ নুঠিল। তাই ভাবিছিল জীৱন ভালদৰে উপভোগ কৰি শেষত কোনোবা এজনক জীৱন সঙ্গী কৰিব। ইতিমধ্যে তাই এম. এ. পাছ কৰি এখন কলেজৰ অধ্যাপিকা চাকৰি পালে। এতিয়া তাই সাধাৰণ নালাগে ভাল চাকৰিয়ালকো নাকচ কৰিলে। নিজৰ ৰূপ-যৌৱন আৰু শিক্ষাক লৈ বেছি অহংকাৰী হৈ উঠিল। তাই জীৱনটো উপভোগ কৰিলে সঁচা; কিন্তু সময়বোৰ ইমান সোনকালে পাৰ হৈ গ'ল। তাইক বিয়া দিব নোৱৰাটোৱেই মাক-দেউতাকৰ একমাত্ৰ দুখ। তায়ো যেন এতিয়া মাক-দেউতাকৰ বাবেই জীয়াই আছে।

তাই পুনৰ ভিতৰলৈ সোমাই গ'ল। অবিনাশৰ শেষ চিঠিখনৰ কথা মনত পৰিল। গডৰেজটো খুলি এটা ডাঙৰ আকৃতিৰ খাম উলিয়াই আনিলে। খামটোৰপৰা তাই এখন ফটো আৰু এখন চিঠি উলিয়াই আনিলে। ফটোখন কলেজত পঢ়োঁতে তোলা, অবিনাশ আৰু তাই একেলগে উঠা। ফটোখন থৈ চিঠিখন লৈ ওলাই আহিল আৰু বাৰাণ্ডাত বহি পঢ়িবলৈ ধৰিলে। তাই বাৰে বাৰে পঢ়িলে। এতিয়াহে যেন তাই অবিনাশৰ অন্তৰৰ বেদনা উপলব্ধি কৰিলে। তিনিপৃষ্ঠা জোৰা চিঠিখন পঢ়ি তাইৰ আজি আমনি নালাগিল। অবিনাশে লিখিছিল— 'তোমাৰ বাবে মোৰ হৃদয় দুৱাৰ সদায় খোলা থাকিব।' কিন্তু অবিনাশ এতিয়া ক'ত আছে! তাইক জানো তাৰ এতিয়া প্ৰয়োজন আছে। সঁচাকৈ তাই বাৰু অবিনাশক প্ৰতাৰণা কৰিলে নেকি? অবিনাশৰ হৃদয় দুৱৰা এতিয়াও জানো তাইৰ বাবে খোলা আছে? বহু প্ৰশ্নই তাইৰ মনটো অস্থিৰ কৰি তুলিলে।

অতীতৰ মৰহা স্মৃতি ৰোমন্থন কৰি থাকোঁতেই চিঠিখন তাইৰ অজানিতে হাতৰপৰা পৰি গ'ল। এই কথা তাই গমে নাপালে। নিজৰ চিন্তাত বিভোৰ হৈ থাকিল। বতাহে চিঠিখন উৰুৱাই লৈ গ'ল আৰু চোতালত পেলালে বৰষুণৰ পানীয়ে চিঠিখন তিয়াই পেলালে। অবিনাশৰ স্মৃতি বিজড়িত শেষ চিঠিখনো কালৰ বুকুত বিলীন হ'ল। অনুপমাৰ তালৈ কোনো ভ্ৰূক্ষেপেই নাই। শিলপৰা কপৌৰ দৰে চিন্তাত নিমগ্ন হৈ তাই মাত্ৰ একেদৰেই বহি ৰ'ল।



# এটা আধৰুৱা অনুভৱ

**অংকুৰ বৰা**
*স্নাতক পঞ্চম যাণ্মাসিক*

**বৰ্তমান** বিজ্ঞান-প্ৰযুক্তিৰ দিনত ভূত থকাটো বিশ্বাস কৰিব নোৱাৰি। ময়ো নকৰিছিলোঁ। কিছুমান কথা বিশ্বাস কৰিব নোৱাৰি যে এতিয়াৰ যুগতো কিছুমান অদৃশ্য বস্তু আছে যি আমি দেখা নাপাওঁ কিন্তু অনুভৱ কৰিব পাৰোঁ। তেনেকুৱা ঘটনাই মোৰ লগতে মোৰ লগৰ বন্ধুৰ লগটো ঘটি যায়। সেইদিনা মই মোৰ বন্ধু দুজনৰ লগত এখন গাঁৱত ভাওনা চাবলৈ ওলালোঁ। সেইদিনা ৰাতি ঠাণ্ডা অলপ আছিল। ৰিণিকি ৰিণিকি পোহৰ আৰু এছাটি ঠাণ্ডা বতাহে আমাৰ গাত চুই গৈছে। তিনিও বন্ধু ভাওনা ঘৰ পালোঁ আৰু ভাওনা চাই আছিলোঁ। সেইদিনা ভাওনাখন চাই ভাল লগা নাছিল কিন্তু আমি ঘৰতে আলোচনা কৰি গৈছিলোঁ যে ৰাতি আমি ঘৰলৈ নাহো কিয়নো সিখন গাঁৱৰপৰা আমাৰ গাঁৱলৈ প্ৰায় তিনি-চাৰি কিলোমিটাৰমান হ'ব। বাটটোৰ মাজতে এখন নিজান-পথাৰ পৰা হ'ব লাগে আৰু দলং এখনো আছে। তাৰ পাছত অলপ দূৰ এৰি শ্মশান এখনো পায়। সেয়েহে আমি ভাওনা চাই ঘৰলৈ অহাৰ কথা ভবা নাই, ৰাতি পুৱাহে ঘৰলৈ আহিম। ৰাতি তিনিটা বন্ধু আন এজন বন্ধুৰ ঘৰতে থাকিম। কিন্তু ভবা মতে সকলো নহয়। সেইদিনাও আমাৰ দিন বেয়া আছিল। ভাওনাখন চাই সেইদিনা ইমান বেয়া লাগিছিল যে আমাৰ চাবলৈ মন নগ'ল, কিয়নো ভাওনাখনৰ খোলৰ চাপৰ যায় এফালে আৰু ভাওৰীয়াৰ নাচ যায় এফালে। ভাওনাখন চাবলৈ মন নগ'ল, খঙতে আমি তিনিটা ঘৰলৈ যাওঁ বুলি ঠিক কৰিলোঁ। ভাওনাঘৰৰ পৰা অলপ দূৰ অহাৰ পিছত মোৰ লগৰ বন্ধু হীৰকে ক'লে— উভতি যাওঁ নেকি? কিয়নো তাৰ আমাৰ দুটাতকৈ ভয়টো অলপ বেছি। সি ক'লে— পথাৰৰ বাটটোৰ মাজত বগা কোমোৰা আৰু গৰুপোৱালি ওলাই বোলে। এতিয়া ওলালে কি হ'ব। লগে লগে মোৰ লগৰ বন্ধু কৌশিকে ক'লে— কিনো হ'ব আৰু কোমোৰাটো ঘৰত লৈ যাম আৰু পিছদিনা খানা খোৱা হ'ব। সিহঁতে কথা কৈ আছে যদিও ভয়ো কৰিছে। কৌশিকে ভয়তে গান গোৱা আৰম্ভ কৰিলে। মই ক'লোঁ— ঠিকে কৰিছ আগৰ দলংখনত বহি থকা

তোৰ লগৰজনীক আগতীয়াকৈ খবৰ দিয়া বাবে। সি লগে লগে গান গাবলৈ এৰিলে। কথা পাতি পাতি গৈ থাকোঁতে কেতিয়া নিজান পথাৰৰ মাজভাগৰ বাটটো পালোঁ গমেই নাপালোঁ। সেই সময়তে বন্ধু হীৰকে ক'লে— কিবা এটা বাটটোৰ কাষত বহি আছে। আমি দুটাই চালোঁ হয়। মনে মনে অলপ ভয় লাগিছিল। মই ক'লোঁ— কাৰ হনুমান চালিশা মনত আছে গাবলৈ আৰম্ভ কৰ, আজি আমাক পালে। হীৰকে ক'লে মই আগতে কৈছিলোঁ উভতি যাওঁ। তিনিটাৰে কঁপনি আৰম্ভ, কি কৰোঁ পথাৰৰ মাজত এতিয়া উপায় নাই। আমি দুটাই মোবাইলৰ টৰ্চটোৰ পোহৰেই চালোঁ কিন্তু ভালকৈ ধৰিব পৰা নাই কি.... এটা কিবা বহি আছে মূৰ নথকা মানুহৰ দৰে। কি কৰিম আমি— তিনিওটাই ক'লোঁ— এইখিনিত দৌৰিম। গোটেইকেইটাই মূৰ তললৈ কৰি দৌৰ দিলোঁ। অলপ দূৰ যোৱাৰ পাছতে মোৰ লগৰ কৌশিকে চিঞৰ দিলে— 'ঐ মোক ধৰিলে ঐ'... আমি দুটাই উভতি চাই টৰ্চটো মাৰি দেখো তাৰ চোলাটো পথাৰৰ ৰাস্তাটোৰ কাষত থকা কাঁইটগছজোপাতহে লাগিছে। তাকে দেখি লগৰ বন্ধু হীৰকে তাক চৰ এটা মাৰি ক'লে— চুপ থাক! কাঁইট গছতহে লাগিছে। পিছফালে সেইটো বহিয়ে আছে। আকৌ তিনিওটা দৌৰ। অলপ দূৰ গৈ পিছত ভাগৰ লাগিল। তিনিওটা অলপ ৰ'লোঁ। তাৰ পিছত মই মোবাইলৰ ঘড়ীটো চালোঁ সময় প্ৰায় ১.২৫ হ'ল। সিহঁতক ক'লোঁ— যাওঁ নেকি আগত দলংখন পাৰ হ'বলৈ আছে। মই শুনা মতে ৰাতি হ'লে দলংখনত DJD হয়। আমাৰ তিনিটাৰ এতিয়া এটাই— কথা কোনো কাৰণত পিছলৈ নাচাওঁ আৰু সোঁফালে আৰু বাঁওফালেও নহয় তলত চায় যাম। হঠাৎ বন্ধু হীৰকে ক'লে— দলঙত ৰাতি বোলে DJD হয়। মই হীৰকক ক'লো— এইবোৰ কথা এতিয়া নহয় দেই। কৌশিকে সুধিলে কি DJD এইটো? মই আৰু হীৰকে তাৰ মুখলৈ চালোঁ। সি ক'লে— নাজানো মই সেইকাৰণে সুধিছোঁ। মই ক'লোঁ— DJD হ'ল—Dance যখিনী Dance। সেই কথা শুনা ল'গে ল'লে কৌশিক আগলৈ নাযায়। তেতিয়া হীৰকে ক'লে যা পিছত তোৰ ককাৰটো বহি আছে। একেলগে থাক গৈ। কথাটো কৈ শেষ নহ'লেই পিছফালৰপৰা গৰু পোৱালি এটা দৌৰি আহি আছে। আমি তিনিওটা আকৌ দৌৰ। দলং পাৰ হৈ কিছু দূৰ গৈ বৈ দিলোঁ। চালোঁ গৰু পোৱালিটো নাইকিয়া হৈ গ'ল। দলং আৰু নিজান পথাৰখন পাৰ হ'লোঁ, এতিয়া শ্মশানখন আছে। ভয়তে তিনিওটাৰ আকৌ কঁপনি আৰম্ভ। কৌশিকে ক'লে— আমি বহি লওঁ নেকি? দুটাই তালৈ চালোঁ আৰু হীৰকে ক'লে— এটা কাম কৰোঁ, আগত শ্মশান আছে তাতে বহি তই গান গাবি আমি শুনিম। আমি তিনিটা কথা পাতি গৈ গৈ শ্মশানৰ ওচৰ পালোঁগৈ। তিনিওটাৰে কথা পতা বন্ধ হ'ল। আৰু মূৰটো তললৈ কৰি বেগাই খোজ দিলোঁ। শ্মশানখন পাৰ হ'লোঁ। তাৰ পিছত এবাৰ এনেকুৱা অনুভৱ হ'ল আমাৰ বাঁওফালে যদি কিবা যোৱা নিচিনা লাগে, আকৌ এবাৰ সোঁফালে। আমি খোজটো আৰু অলপ বেগাই দিলোঁ। তেতিয়া কৌশিকে ক'লে— কোনোবা আমাৰ পিছফালে অহা নিচিনা শব্দ হৈছে। আমি খোজ আৰু দিলোঁ। খোজটো যিমানে দিওঁ শব্দটো বাঢ়ি যায়। আমি বৈ দিয়াৰ ল'গে ল'গে শব্দটো নাইকিয়া হ'ল। আমি পিছফালে চালোঁ একো নাই। তিনিটাই আকৌ দৌৰ দিলো। গৈ গৈ বৰগছ এজোপাৰ ওচৰ পালোঁ। গছজোপাৰ তলত কিবা এটা জ্বলি আছে। হীৰকে ক'লে আমি আজি বাচিলোঁ তাত কোনোবা মানুহ আৰু এটা পোহৰ আছে। গৈ গৈ ওচৰ পালোগৈ কিন্তু কোনো নাই গছজোপাৰ তলত চাকি এগজ জ্বলি আছে। আমি বোৱা নাই আৰু খোজ বেগাই দিলোঁ। কৌশিকে ক'লে— ইমান ৰাতি ২.৩০ কোনে গছৰ তলত চাকি জ্বলালে। মই ক'লোঁ— তোক কিয় লাগে? CID নেকি তই? ইয়াতে থাকি যা সুধি কৰি ৰাতিপুৱা আমাক Braking newsটো দিবি। কোনো মতে মূৰ নথকা মানুহটো আৰু শ্মশানখন পাৰ হৈ আহিলোঁ। এতিয়া তিনিটাক Welcome জনাবলৈ গাঁৱৰ তেঁতেলি গছজোপা আছে। যিমানে গছৰ ওচৰ পাইছোঁ গৈ, সিমানে ভয়তে আমাৰ জীউ যাওঁ যাওঁ হৈছে। কিয়নো গাঁৱৰ সকলোৱে কোৱামতে গছজোপাত কিবা বাহিৰা বেয়া শক্তি আছে। গছজোপাৰ ওচৰ পাইছোঁহি লগে লগে তিনিটাই গান গাবলৈ আৰম্ভ কৰিলোঁ। যদি কিবা আছে তিনিটাৰ গানৰ শব্দ শুনি আঁতৰি যাব। গছৰ ওচৰত আমাৰ গানৰ শব্দ বাঢ়ি গ'ল হঠাৎ গছজোপাৰপৰা এটা ডাঙৰ শব্দ কৰি কিবা এটা গৈছে মোৰ কাণ গৰম হৈ গ'ল। আমাৰ আকৌ মাৰাথান দৌৰ আৰম্ভ হ'ল। যেনেতেনে ঘৰটো পালোঁগৈ। পিছদিনা তিনিওটাই কাণত ধৰিলোঁ আৰু কোনো কাৰণত সেইফালে ৰাতি যোৱাত নাই।



# পঢ়া-নপঢ়াৰ ফল

**গায়ত্ৰী বৰুৱা**
*স্নাতক প্ৰথম ষাণ্মাসিক*

ৰতনপুৰ নামে এখন সৰু গাঁৱত মোহন আৰু ৰামু নামেৰে দুজন বন্ধু আছিল। মোহনৰ এটা ল'ৰা আৰু এজনী ছোৱালী আৰু ৰামুৰ দুটা ল'ৰা আৰু এজনী ছোৱালী। তেওঁলোক দুয়োৱে গাঁৱত খেতি-বাতি কৰি সুখেৰে জীৱন কটাইছিল।

এদিনৰ কথা। ৰাতি তেওঁলোকে ভাত-পানী খোৱাৰ পিছত শুবলৈ যাওঁতে ধুমুহা আহি দুয়োৰে খেতি-বাতি আৰু ঘৰ-দুৱাৰ সকলো শেষ কৰি পেলালে। ৰাতিপুৱা মোহনে ৰামুক ক'লে, 'ধুমুহাই আমাৰ সকলো শেষ কৰি পেলালে। উপাৰ্জন বুলিবলৈ আমাৰ একো নৰ'ল। গতিকে চহৰত গৈ কিবা কাম বিচাৰি ল'ৰা-ছোৱালীকেইটাক মানুহ কৰিব লাগিব।' মোহনৰ ল'ৰাৰ নাম দিপু আৰু ছোৱালীজনীৰ নাম মীনা। ৰামুৰ ল'ৰা দুটাৰ নাম ৰাকেশ, পাৰ্বিন আৰু ছোৱালীজনীৰ নাম গীতা। মোহনৰ কথা শুনি ৰামুৱে ক'লে— চহৰলৈ গ'লেনো কি কাম পাম। মই গাঁৱতে পুনৰ খেতি-বাতি কৰি চলিম। ল'ৰা-ছোৱালীক পঢ়াইনো কি কৰিম। ল'ৰা দুটাই মোক খেতিত সহায় কৰিব আৰু ছোৱালীজনীয়ে মাকক ঘৰৰ কামত সহায় কৰিব আৰু তাইক বিয়া দিয়াৰ পাছত মোৰ কাম শেষ। তাইক পঢ়ুৱাই লাভ নাই। বিয়া দিয়াৰ পিছত এঘৰলৈ গৈ সংসাৰৰ সকলো কাম কৰি ভাত খাব লাগিব।

ৰামুৰ কথা শুনি মোহনৰ ভাল নালাগিল। তই যি কৰ, তাকেই কৰ— বুলি কৈ মোহন ল'ৰা-ছোৱালীসহ আটায়ে চহৰলৈ গুচি গ'ল। জীৱিকা নিৰ্বাহ হিচাপে সি গাড়ী চলাই পৰিয়াল চলালে আৰু ল'ৰা-ছোৱালীকেইটাক চহৰৰ ভাল স্কুলত নাম লগাই দিলে। ৰামুয়েও পুনৰ খেতি-বাতিত মন দিলে।

এইদৰে ১৫ বছৰ পাৰ হ'ল। মোহনৰ ল'ৰাই পঢ়া-শুনা কৰি উকীল হ'ল আৰু ছোৱালীজনী ডাক্তৰ। সেইবাবে মোহনৰ আৰ্থিক অৱস্থাও দিনে দিনে ভাল হৈ পৰিল। আনফালে ৰামুহঁতৰ আৰ্থিক অৱস্থা সিমান ভাল নহ'ল। গাঁৱৰ চৌধুৰীয়ে টকাৰ বিনিময়ত ৰামুৰ পৰা সকলো খেটি-মাটি নিজৰ নামত কৰি ল'লে। ৰামুৰ পঢ়া-শুনা নথকাৰ বাবে চৌধুৰীয়ে আঙুলিৰ টিপ চহী লৈ সকলো সম্পত্তি নিজৰ অধীনলৈ নিয়াৰ ফলত ৰামুৰ সকলো শেষ হৈ গ'ল।

এদিন মোহন সপৰিয়ালেৰে ৰামুৰ ঘৰলৈ আহিল। প্ৰথমে ৰামুৱে মোহনক চিনিকে নাপালে। চিনি পোৱাৰ পিছত মোহনে ৰামুক সকলো খবৰ-বাতৰি লোৱাৰ পিছত গম পালে ৰামুৰ জীয়েক গীতাক বিদায় দিলে। কিন্তু যৌতুকৰ বাবে তাই স্বামী গৃহৰপৰা দেউতাকৰ ঘৰতে আছেহি। কথাটো গম পাই মোহনৰ বৰ দুখ লাগিল। মোহনে ক'লে— 'ৰামু তই মোৰ কথা শুনা হ'লে আজি তোৰ ল'ৰা-ছোৱালীয়ে নিজৰ ভৰিত থিয় দি খাব পাৰিলে হয়। আৰু ল'ৰা-ছোৱালীকেইটাই পঢ়া-শুনা শিকা হ'লে চৌধুৰীয়ে তোৰ পৰা সকলো সম্পত্তি নিজস্ব কৰি ল'ব নোৱাৰিলে হয়।'

ৰামুৰ নিজৰ ভুলৰ কথা মোহনৰ আগত প্ৰকাশ কৰি ক'লে— মোৰ নিচিনা ভুল যাতে কোনেও নকৰে। ল'ৰা-ছোৱালীৰ সকলোকে সমান মৰ্যাদা দিব লাগে। যাতে ভৱিষ্যতে সিহঁতে নিজৰ জীৱন গঢ়িব পাৰে।'

# হাড়গিলা পখীৰ সাধু

**উদাংশ্ৰী ভাগৱতী**

*স্নাতক চতুৰ্থ ষাণ্মাসিক*

এখন গাঁৱত বৰ সুন্দৰকৈ চেৰেঙ্গা বজাব জনা মানুহ আছিল। তেওঁ তেওঁৰ পত্নীৰ সৈতে বাস কৰিছিল। তেওঁ চেৰেঙ্গা বজাই ইমানেই ভাল পাইছিল যে চেৰেঙ্গা বজাবলৈ পালে তেওঁ খোৱা-শুৱা সকলো পাহৰি গৈছিল।

এদিনাখন গাঁৱৰ সকলো ৰাইজে বিলত মাছ মাৰিবলৈ গ'ল। কেৱল এই চেৰেঙ্গা বজাব জনা মানুহজনহে নগ'ল। মাছ মাৰিবলৈ নগৈ চেৰেঙ্গা বজাই থকা দেখি ঘৈণীয়েকৰ তেওঁলৈ বৰ খং উঠিল। ঘৈণীয়েকে মানুহজনক উৰাই-ঘূৰাই গালি পাৰিবলৈ ধৰিলে। গালি সহ্য কৰিব নোৱাৰি মানুহজনে চেৰেঙ্গাখন লৈ বাটলৈ ওলাই গ'ল আৰু মাজবাটতে বহি চেৰেঙ্গা বজাবলৈ ধৰিলে।

ইফালে মাছ মাৰিবলৈ যোৱা গাঁৱৰ ৰাইজে ভাৰে ভাৰে মাছ লৈ সেই বাটেদিয়েই ঘৰলৈ আহিছিল। সেই বাটেদি আহি থকা মানুহবোৰে চেৰেঙ্গাৰ সুন্দৰ সুৰ শুনি কিছু সময় ৰৈ যাবলৈ বাধ্য হ'ল। চেৰেঙ্গাৰ সুৰত মুগ্ধ হৈ প্ৰতি জনে একোটাকৈ মাছ চেৰেঙ্গা বজোৱা মানুহজনক দি গ'ল। সকলো মাছ মিলি এভাৰ হ'লগৈ। মানুহজনে মাছভাৰ নি ঘৰৰ চোতালত থ'লে, তাকে দেখি খঙত থকা ঘৈণীয়েকৰ খং উৰি দৌৰ মাৰিলে। মাছগাল দেখি তাই নাচিবলৈ ধৰিলে। অলপ আগত মাছৰ বাবে গালি খোৱা মানুহজনৰ ঘৈণীয়েকৰ স্ফূৰ্তি দেখি খঙহে উঠিল আৰু তেওঁ চেৰেঙ্গাখন থৈ, বাঁহ এচটা লৈ ঘৈণীয়েকক বৰকৈ কিলালে। পিতন খাই মানুহজনীয়ে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে আৰু গিৰীয়েকৰ হাত-ভৰি অচল হৈ যাবলৈ শাও দিলে। ঘৈণীয়েকে দিয়া শাওৰ প্ৰকোপত মানুহজনৰ হাত-ভৰি অচল হৈ পৰিল আৰু তেওঁ এটা পখীলৈ পৰিৱৰ্তন হৈ গ'ল। মানুহজনীয়ে নিজৰ ভুল বুজিব পাৰি ক্ষমা খুজিবলৈ চাই দেখে মানুহজন নাই, তেওঁ চৰাই হৈ ঘৰৰ মুধচ পালেগৈ। ঘৈণীয়েকে তেওঁক ক্ষমা খুজি ঘৰলৈ ঘূৰাই আনিব খুজিছিল যদিও তেওঁ মুধচ এৰি বহুত দূৰলৈ উৰি গুচি গ'ল। সুন্দৰকৈ চেৰেঙ্গা বজাব জনা মানুহজনেই ঘৈণীয়েকৰ শাওৰ ফলত হাৰগিলা চৰাইলৈ পৰিৱৰ্তন হ'ল আৰু তেওঁৰ চেৰেঙ্গাৰ সুৰ হাড়গিলা উৰিলে হেনো শুনা পোৱা যায়।

*হাড়গিলা— তেলীয়া সাৰেং, চেৰেঙ্গা — এবিধ বাদ্য।*

---

# মৰম আৰু বান্ধোন

**ৰাফিনা বেগম**

*স্নাতক প্ৰথম ষাণ্মাসিক*

মই বাধ্য কিয়নো মই তাক ভাল পাওঁ, তাৰ কাৰণে সকলো এৰিব পাৰিম নে নোৱাৰিম নাজানো? হঠাৎ কৈ দিলে আজি ব'লা, ক'ৰবাত গুচি যাওঁ, কিন্তু কিয়? মই বুজি নাপালোঁ, ভাবি ভাবি ভাগৰিছোঁ, মই কেনেকৈ যাম বাৰু মোৰ মৰমৰ মা আছে, দেউতা আছে, বৌৰ মৰমৰ আৰু সকলোৰে মৰমৰ মোৰ একমাত্ৰ মৰমৰ ভতিজাটো, সি বাৰু কিয় ইমান নিষ্ঠুৰভাৱে সকলোকে এৰিব দিছে? মই ভাল পাইছোঁ আৰু সময়ত বিবাহ কৰাৰ হেঁপাহো আছে, কত মোৰ সপোন, কিমান যে আশা আৰু সকলোৰে মৰমৰ বান্ধোনবোৰ ছিঙিবৰ মনেই নাযায়, মাজে মাজে অকলশৰীয়া অনুভৱো কৰোঁ, কিয়নো যাব বিচাৰে দূৰলৈ, নিজৰ ঘৰত কিয় নহয়, হয়তো মোৰ ভালপোৱাই অধিক বলিয়া কৰিলে, যাৰ বাবে কেৱল সকলোতে মোকেই বিচাৰে, নাযাওঁ দূৰলৈ গুচি কাষতে থাকিম তাৰ, তথাপিওতো অলপ বুজি পাব। প্ৰাপ্তিয়েই কেৱল পূৰ্ণ প্ৰকাশ নহয়, ভালপোৱাই জীৱনৰ শেষ নহয়, ভালপোৱাতো লাগিব আত্মবিশ্বাস, বুজাবুজি, সাহস। সঁচা ভালপোৱাই নোহোৱা কৰিব পাৰে মৃত্যু ভয়, সেই ভালপোৱাই অমৰ হয়।

নাটক



# অন্যায়


**প্ৰণামী শইকীয়া**

*স্নাতক তৃতীয় ষাণ্মাসিক*


**চৰিত্ৰসমূহ**

ঘনকান্ত (গাঁওবুঢ়া), জয়ৰাম (বয়সিয়াল লোক), আদিত্য (গাঁওবুঢ়াৰ ল'ৰা), পংকজ (আদিত্যৰ বন্ধু), কাব্য (গৰখীয়া ল'ৰা), মাণিকী (পংকজৰ মাক), নীলাক্ষি (এগৰাকী বিধৱা নাৰী)।

**প্ৰথম দৃশ্য**

**ঘনকান্তৰ আগচোতাল**

(মাণিকীয়ে মূঢ়া এটাত বহি ঘনকান্তলৈ বাট চাই থাকে। ঘনকান্ত ওলাই আহে।)

ঘনকান্ত : কি হ'ল অ' মাণিকী। এই ৰাতিপুৱাখনতে আহি ওলালিহি যে?

মাণিকী : গাঁওবুঢ়া দেউতা কথা এটা...

ঘন্তকান্ত : কি কথা নকৰ কিয়।

মাণিকী : দেউতা। পাঁচবছৰ হৈ গ'ল মানুহজন ঢুকোৱা। ঘৰখন চম্ভালিব নোৱাৰি চাৰি বছৰ আগেয়েই মাটি দুবিঘা আপোনাৰ হাততেই বন্ধকত দিছিলোঁ। অত কষ্টৰ মূৰত কালি কোনোমতে ইঞ্চিউৰেঞ্চৰ দহ

হাজাৰ টকা এটা হাতত পৰিছেহি ভাবিলোঁ মাটিখিনিকেই....

ঘনকান্ত : তই এইবোৰ কি কৈছে। এই মাটি কিয় মোকলাবি।

মাণিকী : মানে দেউতা ?

ঘনকান্ত : মানে মানে তোৰ ল'ৰাটোৱেওটো Higher Secondary পাছ কৰিছে। তেন্তে তই তাকে নাম লগাই দে।

মাণিকী : নোৱাৰিম।

ঘনকান্ত : তাত কি লাখ টকা লাগে।

মাণিকী : তাতেই জানো সকলোবোৰ শেষ হৈ যাব। কলেজৰ কাপোৰ, কিতাপ, বহী এইবোৰ। লাইব্ৰেৰীৰপৰা যেনিবা দুখন আনিলেই, বাকীবোৰ। তাতে সি মেজৰ নে কি সেইটো ল'বলৈকো চিঞৰি আছিল। ইমান দুৰ বাট, ঘৰত চাইকেল এখনো নাই। গাড়ীভাৰা ক'ৰপৰা দিম। আকৌ বছৰ পূৰ নহওতেই কিবা এটা কৰিবলৈ টকা লাগে। ইকাণে-সিকাণে শুনো নহয়। ঘৰত আছে কিডাল...

ঘনাকন্ত : হ'ব হ'ব। ইমান চিন্তা নকৰিবি। আগেয়ে ল'ৰা পঢ়া। সি ডাঙৰ হৈ এইবোৰ কৰিব। যা এতিয়া।

মাণিকী : দেউতাই ঠিক কথাই কৈছে। ল'ৰাটোৰ ভৱিষ্যতকৈ এই মাটি ডাঙৰ হ'ব নোৱাৰে। মই আহোঁ তেন্তে। (মাণিকী উঠি যায়)

ঘনকান্ত : (মুখ বিকটাই) যা যা। সেই টকা কেইটাৰে তই ল'ৰাটোকে চাহাব কৰগৈ। আৰু মই তোৰ দুবিঘা মাটিৰে মোৰ ভঁৰালত ৪০ মোন ধান ভৰাওঁ। (এইবুলি কাব্যক মাতি মাতি ভিতৰলৈ সোমাই যায়)

### দ্বিতীয় দৃশ্য
মাণিকীৰ জুপুৰি ঘৰ

(মুখত সুন্দৰ হাঁহি এটা লৈ মাণিকী সোমাই আহে। পংকজে খেৰৰ বেৰখনতে আউজি কিবা চিন্তা কৰি থাকে।)

মাণিকী : হেৰি নহয় পোনা, মই কথা এটা ভাবিছোঁ।

পংকজ : (মুখখন ঘূৰাই) কি হ'লনো ?

মাণিকী : মাটিখিনি নোমোকলালোঁ। ভাবিছোঁ সেই পইচাৰে তোক পঢ়াম।

পংকজ : কিয় মোকলাই নল'লি। মোকলাই ল'লেই দেখোন চব ঠিক হৈ যাব।

মাণিকী : গাঁওবুঢ়া দেউতাই কথাটো বুজালে। তই যদি পঢ়িব পাৰ মাটিখিনি পিছত এনেও মুকলি হ'ব।

পংকজ : থ থ। সেইডালৰ বুদ্ধি লৈ ধ্বংস হোৱাৰ ইচ্ছা মোৰ নাই।

মাণিকী : তই এনেকৈ দাং খাই আহিছ কিয় ? পঢ়া বুলিবলৈ মোৰ যদি থাকিলেহেঁতেন... আজি এই ঘৰখন এনেকুৱা নহ'লহেঁতেন। একো নাজানো বুলিয়েই কোনোৱে কাম এটাও নিদিয়ে। শিক্ষা নাথাকিলে একো নাই।

পংকজ : বুজি যে পালি। (উচাট মাৰি ওলাই যায়। মাণিকীয়ে মাথোঁ চাই ৰয়।)

### তৃতীয় দৃশ্য
(ৰাস্তাৰ কাষ)

(পংকজে পুল এটাত বহি থাকে। এনেতে আদিত্য আহি ওলায়)

আদিত্য : হেৰ বোকাত পোত খোৱা পদুম। কিডাল কৰি আছ ?

পংকজ : (গেঙেৰি মাৰি) হয়, ভাবি গাঁওবুঢ়া ডাঙৰীয়া। কি আদেশ....

আদিত্য : তই ইমান দাং খাই আহিছ কিয় ? মই গাঁওবুঢ়াৰ ল'ৰা হ'লোঁ বুলিয়েই এনেকৈ ক'বিনে ?

পংকজ : হয়তোন, তামোল-পাণ এযোৰ আনিবলৈ পাহৰিয়েই থাকিলোঁ। আনোগৈ ৰহ। (উঠি যাব খোজে।)

আদিত্য : (হাত এখনত থাপ মাৰি ধৰি) তই বহুত কথাই পাহৰিছ পংকজ। ছমাহো হোৱা নাই। আমি একেলগে স্কুললৈ অহা-যোৱা কৰিছিলোঁ। প্ৰজেক্ট বনাবলৈ দিলে মিলিজুলি কৰিছিলোঁ। গাঁৱৰ আম-লেটেকু বুলিলে মাজত কোনো সোমাব নোৱাৰে।

পংকজ : পৰিৱৰ্তন যে সংসাৰৰ নিয়ম। তেতিয়া মোৰ দৰেই গাঁৱলীয়া আছিলি। কিন্তু এতিয়া চহৰৰ ডাঙৰ কলেজৰ ষ্টুডেন্ট।

আৰু মই... লোকৰ চাকৰ। (উচাট মাৰি গুচি যায়। আদিত্যই মুখখন মেলি তাৰফালে চাই থাকে।)

### চতুৰ্থ দৃশ্য

(গাঁওবুঢ়াৰ আগচোতাল)

(বাটেদি জয়ৰামে শাক-পাচলি অলপ লৈ যোৱা দেখি মাত লগায়।)

ঘনকান্ত : হে'ৰৌ জয়ৰাম। ইমান খৰখেদাকৈ ক'লৈনো গৈছ। এইফালে আহ।

জয়ৰাম : (সোমাই আহি) নমস্কাৰ দেউতা। আজি বজাৰৰ বাৰ। বাৰীৰ শাক-পাচলি দুমুঠি মানকে বেচোঁগৈ বুলি লৈ আহিলোঁ।

ঘনকান্ত : ভালেই কৰিলি। চাওঁ চাওঁ কি কি আছেনো?
(মোনাটো উবুৰিয়াই পাচলিখিন মাটিত মেলি দিয়ে।) কাব্য, এই কাব্য শুনিছনে নাই.... ওলাই আহ।
(কাব্য ওলাই আহে)

কাব্য : কি হ'ল দেউতা?

ঘনকান্ত : এই পাচলিখিনি ভিতৰলৈ লৈ যা। (কাব্যই লৈ যায়।)

জয়ৰাম : (কাব্যলৈ চাই) কিন্তু দেউতা....

ঘনকান্ত : (পকেটৰপৰা ৫০টকা উলিয়ায়) এইটো ল'। মই এনেই ন'লওঁ নহয়।

জয়ৰাম : দেউতা, পাচলি যে...

ঘনকান্ত : সেই অমংগলীয়া, তিনিমাহতে গিৰীয়েকৰ মূৰ খোৱাজনীয়েহে লাগি দিছিল। বজাৰত গম পালে আটাইবোৰ পাচলি মোনাতে গেলিব। তোৰ অৱস্থা বুজিহে মই ৰাখি থ'লোঁ। এতিয়া ঘৰলৈ যা। (জয়ৰামে অলপ সময় তলমূৰকৈ বৈ শুনি গুচি যায়।)

### পঞ্চম দৃশ্য

(ধৰণী মাষ্টৰৰ বাটচ'ৰা)

(পংকজে খৰি এপোল্গা কঢ়িয়াই আনে। সিফালৰপৰা গাঁওবুঢ়াৰ গৰু খেদি অনা কাব্যই মাত দিয়ে।)

কাব্য : পংকজ দা, ধৰণী মাষ্টৰলৈ খৰি ফালি আনিলা হ'বলা।

পংকজ : নাফালি কি তোৰ মূৰটো ফালিম।

কাব্য : আকৌ খং উঠিলনে?

পংকজ : ৰজাৰ ঘৰৰ বাসিন্দা। আৰামত খাবলৈ পাইছ নহয়। ভালে ভালে যা ইয়াৰপৰা।

কাব্য : মানুহৰ দিন সদায় একে নাযায়। যোৱা হ'লে আজি মই মিলিটেৰীৰ ল'ৰা বুলি ফিটাহি মাৰি ফুৰি পাৰিলোঁহেঁতেন। কিন্তু আজি ঘৃণীয়া দেউতা ঘৰত। সেইকাৰণেই তোৰ দৰে মৰো... (মনে মনে গুচি যায়। পংকজে খৰি পোলা তাতে পেলাই কো-কোৱাই ওলাই যায়।)

### ষষ্ঠ দৃশ্য

জয়ৰামৰ পদুলি

(পংকজ আৰু জয়ৰামে কথা পাতিছে।)

জয়ৰাম : বোপা পংকজ। এটা সময় আছিল যেতিয়া মানুহৰ একো বস্তুৰেই অভাৱ নাছিল। বিচৰাতকৈ দুগুণ পাইছিল। কিন্তু আজি.... সিদিনাখন বজাৰলৈ পাচলি অলপ নিছিলোঁ। এশ টকা মানৰেই আছিল। গাঁওবুঢ়া দেউতাই ঘৰতে ৫০ টকা দি ৰাখি থ'লে।

পংকজ : এই দালালবোৰে সমাজখন গিলি পেলাইছে। মোৰ একেবাৰে সহ্য নহয়। কালিলৈ যদি সি আপোনাৰ বাৰীৰ পৰাই পাচলি লৈ যায়হি, আপুনি তেতিয়াও মনে মনে থাকিব...

জয়ৰাম : অ' মই বাৰীখন চোৱাই নাই। চাই আহোঁগৈ। (জয়ৰাম উঠি যায়। অলপ পাছত বুঢ়াই চিঞৰি উঠে) ইচ ইচ ইচ ইচ। এই গাঁওবুঢ়াৰ গৰুৱে মোৰ গোটেই পাচলি বাৰীখন শেষ কৰি পেলালে। এই ল'ৰাটোৱে কি কৰি আছে। অই কাব্য কাব্য। তোৰ গৰুৱে মোৰ গোটেই পাচলি বাৰীখন শেষ কৰিলে। তই ইয়াত কিহৰ সপোন দেখি আছ?
(কাব্যই উচপ খাই উঠে। বুঢ়াৰ চিঞৰ শুনি পংকজ আৰু গাঁওবুঢ়া দুফালৰপৰা লৰি আহে।)

গাঁওবুঢ়া : কি হ'ল অ'? কেলৈ চিঞৰি আছ?

জয়ৰাম : দেউতা, আপোনাৰ গৰুৱে মোৰ পাচলি বাৰীখন শেষ কৰিলে। এতিয়া মই বজাৰত কি বেচিম।

ঘনকান্ত : সেই অমংগলীয়াজনীয়ে বিনা পইচাত খাটি দিয়া তোৰ বাৰীখন খাই মোৰ গৰুৱে তোৰ উপকাৰহে কৰিলে।
(এনেতে নীলাক্ষিয়ে প্ৰৱেশ কৰে)

নীলাক্ষি : মনে মনে থাকক দেউতা। আপুনি এই মানুহজনৰ কথা ভাবি তেওঁৰ ক্ষতি পূৰণ দিয়ক।

ঘনকান্ত : এক পইচাও নিদিওঁ।

নীলাক্ষি : আপুনি দিবই লাগিব। আপোনাৰ কাৰণে এই মানুহজনে সপ্তাহটো কি ভোকত থাকিব।

ঘনকান্ত : তোৰ ইমান সাহস। মোৰ মুখে মুখে কথা কৰ। গিৰীয়েৰক খাই ঘৰৰপৰাটো বাহিৰ হ'লিয়েই। ব'ল আজি তোক গাঁৱৰপৰাই বাহিৰ কৰি দিওঁ।

(নীলাক্ষিৰ হাতত ধৰি টনা-আঁজোৰা কৰে। পংকজে এৰুৱাবলৈ গৈ গাঁওবুঢ়াৰ গতাত মাটিত বাগৰি পৰে। তাৰ মুৰৰপৰা সামান্য তেজ ওলায়।)

কাব্য : গাঁওবুঢ়া দেউতা। এয়া অন্যায়, পাপ। আপুনি এৰি দিয়ক, এৰি দিয়ক, (এইবুলি গাঁওবুঢ়াৰ ওচৰলৈ যায়।)

পংকজ : পাষণ্ড বুঢ়া। (এই বুলি হাততে পোৱা শিলগুটি দলিয়াই দিয়ে। এই শিলগুটি আহি কাব্যৰ মূৰত লাগে। লগে লগে সি মাটিত ঢলি পৰে।)

নীলাক্ষি, পংকজ, জয়ৰাম : (একেলগে চিঞৰি উঠে) কাব্য।
(কাব্যৰ মূৰেৰে তেজ বাগৰি আছে। তাৰ চকু দুটা ক্ৰমাৎ মুদ খাই আহে। চাৰিওপাশ নিস্তব্ধ।
*আঁৰ কাপোৰ পৰে।*

# অনুকৰণীয়

- হৈ-চৈ আৰু লৰা-ঢপৰাৰ মাজতো ধীৰ-স্থিৰভাৱেহে আগবাঢ়ি যাবা। নীৰৱতাত আছে গভীৰ শান্তি, পাহৰি নাযাবা।
- যিমান পাৰি, নিজৰ খুটি এৰি নিদিয়াকৈ আটাইৰে লগত মিলেৰে থাকিবা।
- নিজে সঁচা বুলি ভবা কথাটো শান্তভাৱে আৰু স্পষ্টকৈ প্ৰকাশ কৰিবা। আনৰ কথালৈ কাণ দিবা— আনকি মূঢ়মতি আৰু অজ্ঞসকলৰ কথা শুনিবা। তেওঁলোকৰো ক'বলগীয়া থাকে।
- ডাঙৰ ডাঙৰকৈ কথা কোৱা, অমাৰ্জিত আৰু দন্দুৰা প্ৰকৃতিৰ লোকৰ পৰা নিলগত থাকিবা— এনেবোৰ মানুহে মন-মেজাজ বিৰক্ত কৰে।
- আনৰ লগত নিজকে ৰিজাই চালে তুমি গৰ্বী হ'বা, নহয় তোমাৰ মনটো ঈৰ্ষান্বিত হ'ব, কাৰণ তোমাতকৈ ওপৰৰ আৰু তলৰ মানুহ সদায় থাকিব।
- যিমানখিনি কৰিব পাৰিলা, আৰু অধিক কৰাৰ যি আঁচনি তোমাৰ আছে, সেইখিনিকে লৈয়ে সন্তোষেৰে থাকা।
- যিমানেই সামান্য নহওক কিয়, নিজৰ কৰ্মজীৱনৰ প্ৰতি উদাসীন নহ'বা, কাৰণ পৰিবৰ্তনশীল কালপ্ৰবাহত ই তোমাৰ বাবে এক পৰম সম্পদ।
- নিজৰ কাম-কাজত সাৱধান হ'বা, কাৰণ সংসাৰখন ঠগ-বাজিৰে ভৰা। পিছে সংসাৰত ভালো আছে; তালৈ আওকাণ নকৰিবা।
- বহুতো মানুহে উচ্চ আদৰ্শ সাৱোগত কৰি সেইমতে জীৱন-যাপন কৰিবলৈ যত্ন কৰে; জীৱন সৰ্বত্ৰ যোগ্যতা প্ৰকাশৰ অৱকাশ থাকে।
- স্বয়ী প্ৰকৃতিত স্থিৰ হৈ ৰ'বা। আৱেগ-অনুভূতিবোৰৰ ক্ষেত্ৰত কপটালি নকৰিবা।
- প্ৰেমত আস্থা নেহেৰুৱাবা; কাৰণ অনেক মনোবেদনা আৰু স্বপ্নভংগৰ কাৰণ হ'লেও তৃণৰ দৰেই ই চিৰন্তন।
- বয়সৰ শিকনি মানিবা; যৌৱনৰ কামনা-বাসনা বিনা আক্ষেপে বিসৰ্জন দিবা।
- আকস্মিক দুৰ্ভাগ্যৰ মুখামুখি হ'ব পৰাকৈ মনত সাহস গোটাবা; কিন্তু দুৰ্ভাগ্যৰ আশংকা কৰি মনটোক অযথা কষ্ট নিদিবা।
- ক্লান্তি আৰু নিসংগতায়েই অনেক দুশ্চিন্তাৰ উদ্ৰেক কৰে।
- সংযম ৰক্ষা কৰি চলিবা, কিন্তু নিজৰ প্ৰতি অযথা কঠোৰ নহ'বা। গছৰ দৰে, তৰাবোৰ দৰে তোমাৰো এই বিশ্বত স্থান আছে, ইয়াত তোমাৰো অধিকাৰ আছে।
- তুমি উপলব্ধি কৰিব পাৰাই বা নোৱাৰাই, এই চৰাচৰ বিশ্ব আপোন নিয়মতে চলি আছে।
- ভগবানক তুমি যি বুলিয়ে নাভাবা, তেওঁৰ ইচ্ছাৰ ওচৰত আত্ম-সমৰ্পণ কৰিবা।
- তোমাৰ কৰ্ম, তোমাৰ অভিলাষ যিয়েই নহওক কিয়, জীৱনৰ হুলস্থুলীয়া উদ্দাম গতিত তোমাৰ মনঃশান্তি কদাপি বিঘ্নিত হ'বলৈ নিদিবা।
- অনেক কৃত্ৰিমতা, ক্লেশ আৰু স্বপ্নভংগ সত্ত্বেও, এইখন এখন সুন্দৰ পৃথিৱী।
- হঁচিয়াৰ হ'বা। সুখী হ'বলৈ যত্ন কৰিবা।



# কবিতা

# আশা

**সূৰজ নায়ক**
*স্নাতক তৃতীয় ষাণ্মাসিক*

সপোন বাস্তৱ হওক বুলি
আমি অনুভৱ কৰোঁ
আমাৰ পথ মুকলি হওক
আমি আশা কৰোঁ।
সপোন ভাগি নাযায় বুলি
আমি অনুভৱ কৰোঁ,
সদায় যেন ডেকা থাকোঁ
আমি আশা কৰোঁ।
এই জীৱন দীঘল হওক
আমি অনুভৱ কৰোঁ
কিবা বেছি পাওঁ বুলি
আমি আশা কৰোঁ।
নৱ প্ৰজন্ম গঢ় লৈ উঠক বুলি
আমি অনুভৱ কৰোঁ,
নিজৰ ভৱিত নিজে থিয় দিবলৈ
আমি আকাংক্ষা কৰোঁ।





# জীৱনৰ বাস্তৱতা

**দিপ্তী শইকীয়া**
*স্নাতক তৃতীয় ষাণ্মাসিক*

এখন উকা কাগজৰ দৰে মন
য'ত বোলাই আশাৰ ৰং,
ভাবনাবোৰ বিয়পি যায়
মাথোঁ ৰৈ যায় ছবি যেন।
জীৱনৰ পলে পলে মনৰ হাজাৰ ছবি
ভাবনাবোৰ বহল হৈ পৰে
বিয়পি গৈ ছবিবোৰ আকাৰহীন হৈ এৰে।
নুবুজাৰ বেঠা কি বুজিনো পায় কি?
সকলো বিলীন হৈ যায়
মাথোন ছবিখন ৰৈ যায়।
সময়ৰ সোঁতে সোঁতে আগুৱাই জীৱনটি
নিশাহত পেলাই নিশ্বাস।
এবুকু হিয়াভৰা মৰমৰ মাতেৰে
জিনিব পাৰেনে বিশ্বাস?
জীৱনৰ পথে পথে হাজাৰ বিষাদে
ভাঙি পেলাইছে মন
আশাৰ ৰঙে জানো বোলাব পাৰিব
বিয়পি নগ'লে ৰং
এখন উকা কাগজৰ দৰে মন।

# হৃদয় এক বিশাল পৃথিৱী

**ৰাফিনা বেগম**

*স্নাতক প্ৰথম যাণ্মাসিক*

জীৱনৰ জানো শেষ কথা
কেৱল প্ৰাপ্তিয়েই হয়...?
সময়বোৰ আগবাঢ়ি যায়, নদীবোৰ নদী
হৈয়ে ৰয়, শিলবোৰ শিল হৈয়ে ৰয়,
কেৱল ধুমুহাৰ কবলত পৰি মানুহবোৰ
দুখ-সুখ, হাঁহি-কান্দোন বিচাৰি
হাবাথুৰি খায়।
হয়তো থাকিব পাৰে বহুতো আশা,
ভাঙি যায় যদিও আশাবোৰ....
মানুহবোৰ জানো নিৰাশ হয়...?
হৃদয়তো থাকে অলেখ অলেখ সপোন
তথাপিও জানো সপোন বাস্তৱ হয়...?
হৃদয়ৰ বেদনা হিয়াতে বৈ যায়,
প্ৰকৃতিৰ বুকুত মানুহো মিলি যায়,
হৃদয়ৰ দৰে বিশাল পৃথিৱীত কিয় বাৰু
পুনৰ প্ৰাপ্তি জাগৃত হয়।





# জীৱন

**নাৰজিন চুলতানা**

*স্নাতক প্ৰথম যাণ্মাসিক*

জীৱনটো থাকে মানে হাঁহি
থাকিবা।
যিমান পাৰা চেষ্টা কৰি যাবা
জীৱনত যদি নকৰা ভুল
জীৱনটো হয় এপাহ
সুন্দৰ গোলপ ফুল।
কবিয়ে নক'লেনে
'সুখৰ দুখৰ কাৰণ মানেই
মনক কৰিবা থিত
ভাগ্যত লভিবা পৰম
সন্তোষ
সাধিবা লোকৰ হিত।'
জীৱনটো হ'ল এটা সৰল অংক
য'ত মানুহৰ সুখবোৰ যোগ হয়
দুখবোৰ বিয়োগ হয়
হাঁহিবোৰ পূৰণ হয়
বেদনাবোৰ হৰণ হয়
আৰু বাকী থাকে আশা
যিটো কেতিয়াও নহয়।

# স্বাৰ্থৰ জীৱন

**ৰীতা দাস**
*স্নাতক প্ৰথম যাণ্মাসিক*

হে বিধাতা স্ৰজিলা কিয়নো
এই মায়াৰ সংসাৰ?
মায়াত ভুল গৈ মানুহে পাহৰে
জীৱন যে দুদিনৰ।
দুদিনৰ বাবে আহে মানুহ
এই মায়াৰ বজাৰত,
তথাপি মানুহে নুবুজে কথাটি
গোটেইটো জীৱনত।
আজিৰ যুগত কোনেও কাৰো
নুবুজে মনৰ বেথা,
বুজি পায় মাথোঁ
নিজ নিজ স্বাৰ্থৰ কথা।
স্বাৰ্থৰ বাবে এজনে আনজনক
কৰে বেচা-কিনা,
মানুহৰ মৰম নুবুজে মানুহে
কৰে ইজনে আনজনক ঘৃণা।
ধন-সম্পত্তিত মোহ গৈ মানুহে
পাহৰে নিজ কৰ্ম,
ধন-সম্পত্তি নাথাকে চিৰদিন
থাকি যায় নিজ ধৰ্ম।
কোনো কৰো আপোন নহয়
এই জগতৰ
চকুৰহে চিনাকি
মাথোঁ দুদিনৰ।
জীৱশ্ৰেষ্ঠ হৈ মানুহে
ভাঙে কতজনৰ হৃদয়
পাহৰি যায় মানুহে
জীৱনটো যে দুদিনৰ অভিনয়।



# মানুহ

**প্ৰিয়ংকা বৰা**
*স্নাতক পঞ্চম যাণ্মাসিক*

অজস্ৰ মানুহ,
ৰাস্তাই-ঘাটে, অলিয়ে-গলিয়ে মানুহ,
সকলো কেৱল ব্যস্ত,
ব্যস্ত জীৱন সংগ্ৰামত,
মানুহৰ বাবে মানুহৰ কিন্তু সময় নাই,
আহৰি নাই কাৰো এখন্তেক জিৰোৱাৰ,
ৰাতি সকলোৰে বাবে পুৱাই কিন্তু
উচিত সূৰুয দেখাৰ সৌভাগ্য
কিছু সংখ্যকৰহে থাকে,
কাৰোবাৰ বাবে হয়তো এই পৃথিৱী আন্ধাৰেই,
অন্ধকাৰ গলিত আৱদ্ধ জীৱন
পোহৰৰ চিন লেশমাত্ৰও নাই
পোহৰ তেওঁলোকৰ বাবে মৰীচিকা মাথোঁ
এনেকৈয়ে চলি আছে জীৱন, এই ধাৰা
অগতানুগতিকতাৰ মাজত গতানুগতিক খোজ।

# স্মৃতি সুঁৱৰি

**দেৱযানী ৰাভা**
*স্নাতক পঞ্চম যাণ্মাসিক*

সময় নদীৰ চাকনৈয়াত
দিশ হেৰুৱালে
এক অনামী সম্পৰ্কই
তুমি বাৰু কোন সোঁতে উটি গ'লা?
স্মৃতিত ৰৈ যায় কেতিয়াও
মচিব নোৱাৰি কাৰোবাৰ নাম
স্মৃতিত ভৰ দি ভাবোঁ
তুমি কোন সোঁতে উটি গ'লা!



# আদিম অভাৱ

**ৰূপজ্যোতি বৰুৱা**
*স্নাতক পঞ্চম ষাণ্মাসিক*

অতীতৰে পৰা আছে মানুহ
ধৰাৰ বুকুত বৈ
হয়তো দুদিন দুবেলা অনাহাৰে
পেটত ভোক লৈ।
জীয়াই থকাৰ হেঁপাহেৰে
মুখত হাঁহি লৈ
আশ্ৰয় লৈছো যেনে-তেনে
বনৰ গুহাত গৈ।
ভয়-ভীত নাই সিহঁতৰ
প্ৰকৃতিৰ নীতিত,
আন্ধাৰতেই বাস কৰে
নিজান হাবিত
লজ্জা নিবাৰণৰ নামত আছিল
গছৰ পাত আৰু ছাল
খাদ্যৰ বাবে সদায়
সিহঁতৰ চিকাৰেই ভাল
গোট হৈ চিকাৰ কৰি
পাইছিল মজা
নিতৌ আনি খাইছিল
জুইত আধা পোৰা।
এনেদৰেই আছিল আমাৰ
আদিম মানৱ
বিজ্ঞানৰ যুগত আজি
হ'লগৈ অভাৱ।।



# ৰাতিপুৱা

**নিৰুপমা হীৰা**
*স্নাতক প্ৰথম ষাণ্মাসিক*

গধূলিৰ পদূলিত জোনাকীৰ মেলা
অন্ধাৰৰ মাজতো পোহৰ খেলা
কালিলৈ ৰাতিপুৱা খিৰিকী মেলি চাবা
তোমালৈ বৈ আছে এক সুন্দৰ
ৰাতিপুৱা।।



# জীৱন জীৱন বৰ অনুপম

**জিমাশ্ৰী বৰা**
*স্নাতক প্ৰথম ষাণ্মাসিক*

তথাপিও পাৰেই নহয়চোন দিন,
প্ৰতি নিশা মাতাল হওঁ বিষাদৰ ৰাগীত,
নাহে যে সেই মাহেন্দ্ৰ ক্ষণ,
আঁকোৱালি লৈছোঁ যে নিসংগতা,
বুকুত হেজাৰ উজাগৰী ৰাতিৰ কাহিনী
কাক ক'ম, কিমান ক'ম,
মই আজীৱন তোমাৰ
জীৱন তুমি যে বৰ অনুপম।।

# নিজান

**ৰবিতা হাজৰিকা**
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*

কাৰ বাবে
ইমান নিজান
এপল
দুপল
ঘড়ীৰ কাঁটাৰ উজান
যাওঁ বুলিয়েই গুচি যায় বেলি
বৈ আহে পূবলে।
ছাঁৰ প্ৰসাৰিত দুহাত
সোঁৱৰণীৰ মালা গাঁথিব পৰাকৈ
এজাৰ নিজাৰ পৰিবনে
অৰণ্যৰ গহনত।
কল্ কল্ উচুপনিত মাৰ যাব
চিম্ফনিৰ সুমধুৰ শৰীৰ
মোৰ বাবে
সোঁৱৰণীৰ সিপাৰে তুমি
চলমান পানী।



# বন্দনা

**প্ৰণতি বৰা**
*স্নাতক পঞ্চম ষাণ্মাসিক*

মূৰত এক চেলেঙৰ পাগুৰি
দেহত এযোৰ পাটৰ সাজ
চোৱাচোন এবাৰ এয়া কি অপূৰ্ব জিলিকনি
সৌন্দৰ্যৰ সীমাবিহীন এয়া হৈছে
নৃত্যৰ এক মৃদু ধ্বনি, যিয়ে চুই যায়
সমাজৰ হৃদয়খনি,
সত্ৰত জিলিকি উঠা এই দৃশটি
যাক বুলিব পাৰি শঙ্কৰদেৱৰ অনুপম সৃষ্টি,
সত্ৰীয়া নৃত্যৰ সৃষ্টি এক অনন্যা
য'ত আছে নৃত্য অভিনয়ৰ এক
মধুৰ চানেকি।

# অশ্ৰু অঞ্জলি

**শৰৎ শৰ্মা**
*স্নাতক তৃতীয় ষাণ্মাসিক*

কোনে ৰচিব আজি দেশৰ গীত,
স্মৃতিত আহিছে সুধাকণ্ঠৰ অতীত।
কোনে দিব গীতৰ আৰেৰে আজি অৰ্থৰ ভঁৰাল,
সুধাকণ্ঠৰ গীতৰ বৰলুইত আজি হঠাৎ শুকাল
কোনেনো দিব, গীতৰে ভৱিষ্যৎবাণী,
হঠাৎ আজি শুনা পাওঁ অসমী আইৰ করুণ বিননি
আইৰ বুকুৰ মানিক হেৰাল,
পূৰ্বাঞ্চলৰ সূৰ্য আজি হঠাৎ লুকাল।
পূৰ্বাঞ্চলত শেষ হ'ল এটা অধ্যায়।
কোনেও নোপোৱা সুধাকণ্ঠক দুনাই।
যাযাবৰ ভূপেন দা আজি নাই
অন্তিম ক্ষণত যাচিলে অঞ্জলি তপ্ত অশ্ৰু বোৱায়।



# English



# Gharmora Satra : An example of National Integration

**Anjana Goswami**
Associate professor
Education Department

The Satra institution is the most notable and outstanding character of Assam Vaishnavism. Sankaradeva's vaishnava movement aimed at teaching the people simple ways of living, equality of man irrespective of caste and community in the field of religion, practicing non-violence and discarding sacrifice of birds and animals, which in the name of religion, was largely the prevailing practice of that time (Nath : 2011 : 27). Satra and Namghar were two great contributions of Sankaradeva to normally correct the Assamese society.

The great Vaishnavite saint and leader Srimanta Sankardeva who act as a social agent helped strengthening the Assamese society and promoted communal harmony through his philosophy of life and various innovations.

Sankardeva and his followers introduced such type of institutions by which one can integrate the illiterate and common people. So he and his followers established the sattras and with the help of both external and internal value education to united the Assamese people.

Gharmora sattra is one of the principal vaisnava sattra of Assam situated in present Lakhimpur district. This sattra was established

at pre-Sankary era. According to Gharmora sattra Vanssavali in 13th century Chutia king Ratnadhajpal donated the land for the than to his childhood friend and classmate Sankarison of Konouj at Sadia.

Chutia king Satya Narayan donated a bell made by eight metal (joy Ghanta) in 1358 Saka (1463 AD) to the forefather of Gharmora Satra (Ed. Goswami : 2015 : 71). Jadumaideva was the founder of this Satra according to Bongayegiri hagigography. In 1404 Sak Jadumonideva of Gharmora sattra came to Manari sattra. According his guru Harideva's advised he established his satra at Ratnapur in Majuli. His father name was Madhavachajya.

After that he went to Najira and there he established a sattra at Maljaha. Since that this sattra is known as Mahara. According to 'Asamar Satra Parisay' this Mahara Satra was at Maljaha upto the time of Gadadhar Singha. After the invasion of 'Mann' this sattra was destructed very badly. Yet this sattra survived. It is notable that at the time of great earthquake many sattras were destroyed. It is the only 'Haridevia sattra' of Majuli amongst twelve sattras at that time. (p 22 Ritayan). The Fifth Satradhikar of Gharmora Satra Charuchandra Deva came to Chutia kingdom and established his sattra at Borsapori of Subansiri river in 1690-92 AD. Now this sattra is at Lakhimpur district and near Lakhimpur city. Jadumonideva had four sons and they established four sattras -

Jadumonideva

| Bor Mahara | Majuli | Patiori | Dokharamukh |
|---|---|---|---|
| (Jagatananda) | (Kamalakanta) | (Achyutananda) | (Niritananda) |

After there are eight sub sattras.

Jadumonideva's friend the 10th Gosain Jaykrisna the successor of Sankarison hand over his



Gharmora than to his friend and after that this than is known as Gharmora Satra. This Gharmora is the famous sattra of all Mahara satras. King Rudra Singha donated the main idol (Bhuvan Mohan) with 4131 Halisa land at the time of Ram Narayan the Satradhikar of Ghamora sattra.

Contribution of Ghamora Satra to the society :

Gharmora Satra is a living institute of medieval Assamese heritage and culture. As a religious and cultural institute sattra have always been exercising a strong influence on the society. Gharmora sattra followed the philosophy and principles of Sankardeva that 'All are equal in the sight of God."

"Samasta bhutata byapi ashu mai Hari
Sabaku maniba tumi visnu buddhi kari (1820)".

(Kirton Ghosa', Sreekrishnar Vaikuntha prayan)

I am present in all creatures, therefore you respect all as Vishnu. Again -

"Kukura srigal garddabaru atmaram
Jania sabako pari kariba pranam
(Kirtan Ghosa) (1823)

All creatures are parts of supreme soul, so with full respect serve to all"

Gharmora sattra always try to bring integration among various caste and creed follow the philosophy of Sankaradeva.

In the time of Satradhikar late Lilakrisna Goswami there established two model sattra at 'Likabali' and other at 'sirajuli' in 1961 at Arunachal Pradesh to integrate the Hills and plains. These sattras teach various disciplines of sattras such as - Bhowna, Dance, Bihu, Nam etc. In Arunachal Pradesh model sattras of Gharmora established many schools also. These model sattras provided the education to the needy childrens of far flung and remote areas of Arunachal Pradesh.

There are many Arunachaly sishyas of Gharmora sattras - some of them Ex-Arunachal Chief Minister Prem Khandu Thungon, Tasur Sika, Dr. Jum Dini Naci Tang (subject teacher) Rajen Nani (General Secretary, Arunachal Pradesh Congress Committee) etc.

Gharmora Satra established various schools for the hill tribe, plain tribe, and of the backward classes to develop them. Some of them are -

i) Gharmora Satra M.E. School Khanamukh, Chilapather.
ii) Borsapori Prathamic School (Now High School)
iii) Chiyajuli Naharbari Prathamic School (A.P.)
iv) Lilakrishnadeva M.E. School, Dirgha (A.P.)
v) Sankardeva Sishu Niketon, Chiyajuli
vi) Prantia Samaj Kalyan Ashram and M.E. School (Kimin)
vii) Ayang L.P. School, A.P.

Again Gharmora satra established many sub sattras for the development of tribal societies. These are-

i) Chiajuli at subansiri district (1928)
ii) Likabali at Siang District (1961)
iii) Aayang at Pachighat District (1978)
iv) North Lakhimpur town

There is a museum of sattra where valuable books, ornaments, utensil and sachipat are preserved which are assets of our Assamese society. In 1970 Late Deka Satradhikar Bhuban Prasad Goswami translate the 'Acharbidhi' in Nichi language name 'Sinam Genam' which is very helpful to Arunachali sishyas, to maintain their hygienic, moral, spiritual and in their day to day life.

According to writer Tabu Tagi of Arunachal Pradesh - 'When many sattras of Assam neglected the tribal people in that time Gharmora sattra initiated the tribal people Tarugam, Pamegam, Bhadgam and give some respectable designation e.g. - Takhougoli (Bormedhi), Heligoli (Sarumedhi) Goralal and Mantalag (Pachani) and Michimi leader Tangkakath shy (Bormedhi) and offer them Nirmali also.



characteristics. A sattra is called by the British writer as a religious college. But it is more than a college. It has enriched Assamese life socially and educationally and has contributed a great deal of the realm of literature and art.

Non-formal education is a notable feature of Gharmora sattra. Here mass education start from the floor of Namghar and teach ethical and positive values to the shisyas which is useful their day to day life. Education is an important aspects to develop and integrate the society. The most notable contribution of the Gharmora sattra is the social integration and value education by which one can learn the fellow feelings sympathy and dignity of labour. During the last few hundred years of its existence, it has enriched Assamese life socially and educationally and maintain unity till now.

Like many other sattras, Gharmora sattra also observe various cultural activities, which contribute to the social integration and value education of Assam. These are Bhawna, Raslila, Doul Utsav, and other daily agenda, Guruthithi etc. Kuru sara an ex-student and sishya of Gharamora sattra said that sattra did not provide only the education but also the basic qualities of life, which are needed to be a responsible member of the society and the country."

